www.asombarta.in
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক


পৃথিৱীৰ আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ফুল, কিন্তু তাৰ শিপা মাটি আৰু গোবৰতহে থাকে। - ডি. এইচ. লৰেঞ্চ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ▫ সংখ্যা- ২৪৮ ▫ শুকুৰবাৰ ▫ ১৭ জুলাই, ২০২৬ চন ▫ Volume/Year- I ▫ Issue- 247 ▫ Friday ▫ 17th July, 2026 ▫ Asom Barta, Majuli ▫ PRGI Reg. No.- ASASS/25/A2361 ▫ Price- Rs. 10 ▫ Total Page-8

## অসমক সেউজীয়া শক্তিৰ ভাণ্ডাৰ হিচাপে গঢ়ি তোলাৰ প্ৰস্তাৱ

### মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ফেচবুক লাইভত বহু গুৰুত্বপূৰ্ণ ঘোষণা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বৃহস্পতিবাৰে সন্ধিয়া ফেচবুক লাইভযোগে ৰাইজৰ সৈতে প্ৰত্যক্ষভাৱে সংযোগ স্থাপন কৰি কেইবাখনো জনকল্যাণমূলক আৰু উন্নয়নমুখী আঁচনিৰ লগতে সাংস্কৃতিক আৰু ক্ৰীড়া বিষয়ক গুৰুত্বপূৰ্ণ তথ্য ৰাইজৰ আগত তুলি ধৰে। মুকলি সৰল ভাষাত আগবঢ়োৱা এই লাইভ সত্ৰই ৰাজ্যবাসীৰ মাজত ব্যাপক ▫ ৬ পৃষ্ঠাত

# ৰাজ্যত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ মূল্যবৃদ্ধি

### চাউল-চেনি-পিঁয়াজ-মিঠাতেলৰ দাম অস্বাভাৱিক বৃদ্ধি ঃ মধ্যবিত্ত-নিম্নবিত্ত পৰিয়ালৰ হাহাকাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** বজাৰত সৰ্বসাধাৰণ ৰাইজৰ হাহাকাৰৰ পৰিস্থিতি সৃষ্টি হৈছে। প্ৰতিদিনেই ইটোৰ পিছত সিটো অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য অনিয়ন্ত্ৰিতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। এইবাৰ অস্বাভাৱিকভাৱে চাউল, মিঠাতেল, চেনি আৰু পিঁয়াজৰ দাম আকাশচুম্বী হৈছে, যাৰ ফলত মধ্যবিত্ত আৰু নিম্নবিত্ত পৰিয়ালসমূহ লগতে সাধাৰণ ৰাইজৰ মাজত চৰম দুশ্চিন্তা আৰু হতাশাই দেখা দিছে। বজাৰত সচৰাচৰ ব্যৱহাৰ হোৱা বিভিন্ন ব্ৰেণ্ডৰ চাউলৰ দাম প্ৰতি বেগত ১৫০ টকাৰ পৰা ৩০০ টকালৈকে বৃদ্ধি পাইছে। সোণাশক্তি চাউলৰ আগৰ মূল্য ১৫৭০ টকাৰ পৰা বৰ্তমান ১৮২০ টকালৈ বৃদ্ধি পাইছে। আৰহাম ব্ৰেণ্ডৰ চাউল ১২৮০ টকাৰ পৰা ১৪৩০ টকা আৰু লক্ষ্মীভোগ চাউল ১২৩০ টকাৰ পৰা ১৩৮০ টকালৈ উন্নীত হৈছে। মধ্যবিত্ত পৰিয়ালৰ বাবে এই বৃদ্ধি অতি বেচি বুলি অনুভৱ কৰিছে বহু গৃহস্থই। মিঠাতেলৰ দামতো উল্লেখযোগ্য বৃদ্ধি দেখা গৈছে। ব্ৰেণ্ডভেদে প্ৰতি লিটাৰত ১০ টকাৰ পৰা ২৫ টকালৈ দাম বাঢ়িছে। ইঞ্জিন মিঠাতেল আগতে ২৩৭ টকাত পোৱা গৈছিল, বৰ্তমান সেয়া ২৫৫ টকা হৈছে। ধাৰা মিঠাতেলৰ দাম ১৯৫ টকাৰ পৰা ২২০ টকালৈ বৃদ্ধি পাইছে। গ্ৰাম্য অঞ্চলৰ বহু পৰিয়ালৰ বাবে মিঠাতেলৰ এই মূল্যবৃদ্ধিয়ে মূৰত নাও বান্ধিছে। ইফালে দৈনিক প্ৰয়োজন হোৱা চেনিৰ দাম প্ৰতি কেজি ৪৮ টকাৰ পৰা ৫২ টকালৈ উন্নীত হৈছে। পিঁয়াজৰ দাম দুগুণ বৃদ্ধি পাই ২৫ টকাৰ পৰা ৫০ টকালৈ হৈছে। এনে মূল্যবৃদ্ধিয়ে সাধাৰণ গৃহস্থৰ ৰান্ধনী ঘৰতে দুৰ্বিষহ পৰিস্থিতিৰ সৃষ্টি কৰিছে।



## আৰম্ভ হ'ল পুৰীৰ জগন্নাথ ৰথযাত্ৰা



**অসম বাৰ্তা, নতুন দিল্লী, ১৬ জুলাই ঃ** ওড়িশাৰ পুৰীত আৰম্ভ হৈছে ভগৱান জগন্নাথৰ ৰথযাত্ৰা। সমগ্ৰ দেশৰ লগতে বিশ্বৰ লাখ লাখ ভক্তই এই মহোৎসৱত অংশগ্ৰহণ কৰিছে। পুৰী ৰথযাত্ৰাৰ বাবে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। ভগৱান জগন্নাথৰ এই ৰথযাত্ৰাক হিন্দু ধৰ্মৰ অন্যতম বৃহৎ আৰু প্ৰাচীন ধৰ্মীয় উৎসৱ হিচাপে গণ্য কৰা ▫ ৬ পৃষ্ঠাত

## পুৰী ৰথযাত্ৰাত পদপিষ্টৰ ঘটনা এগৰাকী ভক্তৰ মৃত্যু ঃ ১২০জন আহত

### বিশেষ উদ্ধাৰকাৰী দলৰ তৎপৰতা, চিকিৎসালয়ত জৰুৰীভিত্তিতে চিকিৎসা অব্যাহত



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুলাইঃ** ওড়িশাৰ পুৰী নগৰীত শ্ৰী জগন্নাথ মহাপ্ৰভুৰ ঐতিহাসিক ৰথযাত্ৰাৰ সময়ত সংঘটিত হৈছে এক ভয়াবহ পদপিষ্টৰ ঘটনা। অত্যধিক জনসমাগমৰ মাজত গ্ৰেণ্ড ৰোডত সৃষ্টি হোৱা হেঁচা-ঠেলা আৰু ভিৰৰ কবলত পৰি এগৰাকী ভক্তই কৰুণভাৱে মৃত্যুক আঁকোৱালি লয়। লগতে প্ৰায় ▫ ৬ পৃষ্ঠাত

## আজি প্ৰধানমন্ত্ৰী মোদীয়ে উদ্বোধন কৰিব দেশৰ প্ৰথমখন হাইড্ৰ'জেনচালিত ৰে'ল

### কাৰ্বন নিৰ্গমন শূন্য, ঘণ্টাত ১১০ কিলোমিটাৰ গতিৰে জিন্দ-শোনিপট পথত চলিব ৰে'লখন

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** দেশৰ ৰে'ল পৰিবহণ খণ্ডত এক ঐতিহাসিক মাইলৰ খুঁটি স্থাপন কৰি শুকুৰবাৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হাৰিয়ানাৰ ▫ ৬পৃষ্ঠাত

## শ্লীলতা হানিৰ বিতৰ্কৰ বাবে বঙাইগাঁৱৰ মাদ্ৰাছা ছীল

### মাদ্ৰাছাখনৰ ১৪৮ গৰাকী ছাত্ৰীক ঘৰলৈ প্ৰেৰণ




**অসম বাৰ্তা, বঙাইগাঁও, ১৬ জুলাই ঃ** চলিত সপ্তাহৰ আৰম্ভণিতে এজন শিক্ষকৰ বিৰুদ্ধে অহা গুৰুতৰ অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত প্ৰতিবাদ সাব্যস্ত হোৱাৰ পিছত, জিলা প্ৰশাসনে অসমৰ বঙাইগাঁও জিলাৰ এখন ব্যক্তিগত মাদ্ৰাছা ছীল কৰে। মাদ্ৰাছাখনত অধ্যয়ন কৰি থকা ১৪৮ গৰাকী নাবালিকা ছাত্ৰীক তেওঁলোকৰ পৰিয়ালৰ ওচৰলৈ ওভতাই পঠিয়াইছে। যোগীতোপাৰ অন্তৰ্গত মালেগড়ৰ 'ইশ্বাতুল উলুম মাদ্ৰাছাতুল ▫ ৬ পৃষ্ঠাত

## পঞ্চায়তৰ কাম-কাজত নিৰ্বাচিত প্ৰতিনিধিৰ ভূমিকাই যথেষ্ট, বাহিৰা লোকৰ হস্তক্ষেপ অনুচিত ঃ মন্ত্ৰী অতুল বৰা

### কানাড়া বেংকৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান উদ্বোধন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ জুলাই ঃ** কানাড়া বেংকৰ গ্ৰামীণ স্ব-নিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী অতুল বৰাই ৰাজ্যৰ পঞ্চায়ত ব্যৱস্থা আৰু সুৱা নীতি সম্পৰ্কত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। অনুষ্ঠানস্থলীত সংবাদমাধ্যমৰ মুখামুখি হৈ মন্ত্ৰীগৰাকীয়ে স্পষ্টভাৱে কয় যে পঞ্চায়তী প্ৰতিষ্ঠানসমূহত কেৱল নিৰ্বাচিত প্ৰতিনিধিসকলেহে সক্ৰিয় ভূমিকা পালন কৰাৰ অধিকাৰী। নিৰ্বাচিত প্ৰতিনিধিৰ ▫ ৬ পৃষ্ঠাত

## গুৱাহাটীত ডুৰাণ্ড কাপৰ ৬খন ৰোমাঞ্চকৰ খেল

### ১৩৫ সংখ্যক সংস্কৰণৰ ট্ৰফী উদ্বোধন ক্ৰীড়ামন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৬ জুলাই ঃ** ফিফা বিশ্বকাপ ফুটবলৰ উৎসাহৰ মাজতে এছিয়া মহাদেশৰ আটাইতকৈ জীৱন্ত পৰম্পৰা থকা ডুৰাণ্ড কাপৰ ১৩৫ সংখ্যক সংস্কৰণই নতুনকৈ চৰ্চা লাভ কৰিছে। এইবাৰ প্ৰতিযোগিতাখন অনুষ্ঠিত হ'ব দেশৰ পাঁচখন প্ৰধান চহৰ — কলকাতা, গুৱাহাটী, শ্বিলং, ইম্ফল আৰু ৰাঁচীত। ২০২২ চনৰ পৰা একেৰাহে পঞ্চমবাৰৰ বাবে অসমৰ মাটিত মৰ্মৰ এই আসৰ অনুষ্ঠিত হ'বলৈ গৈ আছে, যাৰ বাবে উত্তৰ-পূবৰ ফুটবলপ্ৰেমী সমাজ আগ্ৰহেৰে অপেক্ষা কৰি আছে। ভাৰতীয় সেনাবাহিনীৰ পৃষ্ঠপোষকতাত আয়োজিত এই কিংবদন্তি প্ৰতিযোগিতাৰ অন্তৰ্গত গ্ৰুপ এফৰ মুঠ ▫ ৬ পৃষ্ঠাত

## নগাঁও লোকসভা উপ-নিৰ্বাচনৰ ৰণনীতি ৪ জ্যেষ্ঠ নেতাক 'পৰ্যবেক্ষক' নিযুক্তি কংগ্ৰেছৰ

### ২৫ আৰু ২৬ জুলাইত নগাঁও-মৰিগাঁৱত কৰ্মী সন্মিলন ঃ তৃণমূল সংগঠন শক্তিশালীৰ লক্ষ্য



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ জুলাই ঃ** অহা নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনক লৈ অসম প্ৰদেশ কংগ্ৰেছে সুকীয়া এক ৰণনীতি প্ৰস্তুত কৰিছে। এই নিৰ্বাচনী যুঁজত দলীয় সংগঠনৰ সাঁথৰ শক্তিশালী কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটী (APCC) সভাপতি গৌৰৱ গগৈৰ নিৰ্দেশত দলৰ চাৰিগৰাকী জ্যেষ্ঠ নেতাক বিশেষ দায়িত্ব অৰ্পণ কৰা হৈছে। দলীয় সূত্ৰে জানিবলৈ দিয়া মতে, অহা ২৫ আৰু ২৬ জুলাইত নগাঁও আৰু মৰিগাঁও জিলাত অনুষ্ঠিত হ'বলগীয়া কংগ্ৰেছ কৰ্মী সন্মিলন সুচাৰুৰূপে পৰিচালনা আৰু পৰ্যবেক্ষণৰ বাবে এই ▫ ৬পৃষ্ঠাত

## ব্ৰিটেইনৰ মাজৰ সৰ্বাংগীণ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিয়ে অসমৰ অৰ্থনীতিত প্ৰভাৱ পেলাব ঃ মুখ্যমন্ত্ৰী

### ব্ৰিটেইনলৈ ভাৰতীয় ৰপ্তানিৰ ৯৯' শুল্কমুক্ত হোৱাত অসমৰ চাহৰ বিশ্ববজাৰ মুকলি



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** যোৱা ১৫ জুলাইত কাৰ্যকৰী হোৱা ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সৰ্বাংগীণ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিয়ে অসমৰ চঅৰ্থনীতিত উল্লেখযোগ্য প্ৰভাৱ পেলাব বুলি আশা প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই। এই চুক্তিৰ ফলত ৰাজ্যখনৰ চাহ খণ্ডৰ লগতে সম্প্ৰসাৰিত কৃষি প্ৰক্ৰিয়াকৰণ আৰু এমএছএমই খণ্ডক বিশেষভাৱে লাভান্বিত কৰিব বুলি তেওঁ মত প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে নিজৰ এক্স (পূৰ্বৰ টুইটাৰ) হেণ্ডেলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰি উল্লেখ কৰে যে এই চুক্তিৰ ▫ ৬ পৃষ্ঠাত

### বন বিভাগৰ CDR পৰীক্ষাৰ নিৰ্দেশ বনকৰ্মী-আৰক্ষীক একেলগে কাম কৰাৰ আহ্বান

## বিহালী অভয়াৰণ্যত অৰুণাচলীৰ আগ্ৰাসন ! প্ৰয়োজনত গুলী চলাবলৈ অনুমতি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, বিশ্বনাথ, ৰছ জুলাই ঃ** বিহালী বন্যপ্ৰাণী অভয়াৰণ্যত শেহতীয়াভাৱে সংগঠিত গুলী-গুলীৰ ঘটনা আৰু অৰুণাচলী দুৰ্বৃত্তৰ বনধ্বংস আৰু ভূমি বেদখলৰ বৃদ্ধি পোৱা ক্ৰিয়াকলাপৰ প্ৰেক্ষাপটত বৃহস্পতিবাৰে অঞ্চলটোত উপস্থিত হয় অসমৰ বনমন্ত্ৰী জয়ন্তমল্লবৰুৱাই। চাউলধোৱা অঞ্চলত প্ৰত্যক্ষভাৱে পৰিদৰ্শন কৰি তেওঁ বন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক কঠোৰ নিৰ্দেশ প্ৰদান কৰাৰ লগতে বনাঞ্চল ৰক্ষাৰ বাবে যিকোনো প্ৰয়োজনীয় ব্যৱস্থা ল'বলৈ ফৰেষ্ট বেটেলিয়নক মুকলি অনুমতিপ্ৰদান কৰে। বনমন্ত্ৰী গৰাকীয়ে ভাষণত স্পষ্টভাৱে কয়, 'ফৰেষ্ট ▫ ৬ পৃষ্ঠাত

## শিক্ষা-তথ্য প্ৰযুক্তি বিভাগৰ সমন্বয়ত গুৰুত্ব ঃ AIৰ জৰিয়তে ২,০০০ গোচৰ সমাধানৰ সম্ভাৱনা পৰ্যালোচনা

### জনতা ভৱনত শিক্ষামন্ত্ৰী ৰণোজ পেগুৰ সভাপতিত্বত বৈঠক



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** শিক্ষা, উচ্চ শিক্ষা আৰু তথ্য প্ৰযুক্তি বিভাগৰ আন্তঃবিভাগীয় সমন্বয় আৰু ডিজিটাল প্ৰশাসন উন্নত কৰাৰ লক্ষ্যৰে আজি জনতা ভৱনত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অসমৰ শিক্ষামন্ত্ৰী ড° ৰণোজ পেগুৱে এই বৈঠকত অধ্যক্ষতা কৰি শিক্ষাখণ্ডৰ প্ৰত্যাহ্বানসমূহ সমাধান কৰিবলৈ ▫ ৬ পৃষ্ঠাত

## সীমা পুনঃনিৰ্ধাৰণ বিধেয়কৰ পূৰ্বে সৰ্বদলীয় বৈঠকৰ দাবী কংগ্ৰেছৰ


### প্ৰধানমন্ত্ৰী মোডীলৈ পত্ৰ কংগ্ৰেছ সভাপতি খাৰ্গেৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** সংবিধানৰ ১৩১তম সংশোধনী বিধেয়ক তথা সীমা পুনঃনিৰ্ধাৰণ (Delimitation) সম্পৰ্কীয় প্ৰস্তাৱিত আইনখনৰ প্ৰেক্ষাপটত কেন্দ্ৰীয় চৰকাৰক এক কঠোৰ বাৰ্তা দিছে কংগ্ৰেছৰ জাতীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেয়ে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক উদ্দেশ্যি লিখা এখন পত্ৰৰ জৰিয়তে খাৰ্গেয়ে চৰকাৰৰ সংশোধিত প্ৰস্তাৱসমূহৰ ওপৰত বিস্তৃত ▫ ৬ পৃষ্ঠাত

### জনসাধাৰণলৈ আহ্বান ঃ ২০ জুলাইৰ পদযাত্ৰাত যোগদান কৰক


## আমৰণ অনশন ভঙাৰ আহ্বান নাকচ সোণম ৱাংচুকৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** দিল্লীৰ যন্তৰ-মন্তৰত ক'কৰোচ্ছ জনতা পাৰ্টীৰ নেতা তথা সমাজকৰ্মী সোণম ৱাংচুকে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দাবীত ১৯ দিন ধৰি আমৰণ অনশন চলাই আছে। দীৰ্ঘদিনীয়া উপবাসে তেওঁৰ স্বাস্থ্যৰ যথেষ্ট ক্ষতি কৰিছে যদিও তেওঁ অনশন ভঙাৰ সকলো আবেদনকে স্পষ্টভাৱে নাকচ কৰিছে। বৰঞ্চ, ▫ ৬ পৃষ্ঠাত

### ইংলেণ্ডক হৰুৱাই ফাইনেলত প্ৰৱেশ ঃ দেওবাৰে স্পেইনৰ বিৰুদ্ধে যুঁজ

## পুনৰ ফিফা বিশ্বকাপৰ ফাইনেলত ডিফেণ্ডিং চেম্পিয়ন আৰ্জেণ্টিনা



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৬ জুলাই ঃ** ফিফা বিশ্বকাপ ২০২৬-ৰ দ্বিতীয় ছেমি ফাইনেলখন আছিল এক অত্যন্ত উত্তেজনাপূৰ্ণ তথা উচ্চমানৰ প্ৰতিদ্বন্দ্বিতাৰ সাক্ষী। আটলাণ্টা ষ্টেডিয়ামত অনুষ্ঠিত এই খেলত ডিফেণ্ডিং চেম্পিয়ন আৰ্জেণ্টিনাই ইংলেণ্ডক 2– 1 গ'লৰ ব্যৱধানত পৰাস্ত কৰি দেওবাৰে অনুষ্ঠিত হ'বলগীয়া ফাইনেলখনৰ টিকেট কাটে। খেলখনৰ প্ৰথমাৰ্ধত দুয়োটা দলেই সমানে সমানে যুঁজিছিল যদিও কোনো দলেই গ'লৰ সন্ধান পাব নোৱাৰিলে। দ্বিতীয়াৰ্ধৰ ৫৫ মিনিটত ইংলেণ্ডৰ এণ্টনি গৰ্ডনে এক সুন্দৰ ফিনিচিংয়েৰ মাধ্যমে দলক 1– 0 গ'লত আগুৱাই নিয়ে যায়। এই গ'লৰ পাছত প্ৰায় ৩০ মিনিটলৈকে আৰ্জেণ্টিনাই সমতা স্থাপন কৰিব নোৱাৰিলে আৰু ইংলেণ্ডে যেন বিগত ৬০ বছৰৰ ভিতৰত প্ৰথমবাৰৰ বাবে বিশ্বকাপ ফাইনেলত উঠাৰ স্বপ্ন স্পষ্ট দেখিবলৈ ধৰিলে। কিন্তু ফুটবলত শেষ মুহূৰ্তলৈকে অনিশ্চয়তা থাকে — ঠিক সেই সময়তে আৰ্জেণ্টিনাই এক চমকপ্ৰদ প্ৰত্যাৱৰ্তন দেখুৱালে। খেলখনৰ শেষ পৰ্যায়ত আৰ্জেণ্টিনাই দুটা গ'ল ▫ ৬ পৃষ্ঠাত

# মেৰাপানীত পথাৰৰ নলাত হালবোৱা ট্ৰেক্টৰ বাগৰি দুই কলেজীয়া বন্ধুৰ কৰুণ মৃত্যু; সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ

**অসম বাৰ্তা, মেৰাপানী, ১৬ জুলাই ঃ** গোলাঘাট জিলাৰ মেৰাপানীৰ চাউদাং পথাৰত আজি সংঘটিত এক হৃদয়বিদাৰক দুৰ্ঘটনাত দুজন যুৱকৰ কৰুণ মৃত্যু ঘটে। পথাৰত হাল বাই থকা এখন ট্ৰেক্টৰ হঠাতে এটা পানী থকা নলাত বাগৰি পৰাৰ ফলতেই এই শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়। মৃত যুৱক দুজন হ'ল ক্ৰমে- গমাৰিগুৰি কলবাৰী গাঁৱৰ ভূপেন দলে (৩৮) আৰু নাওজানচুক গাঁৱৰ সঞ্জীৱ ঠেঙাল (৩৬)। জানিব পৰা মতে, দুয়ো কলেজৰ দিনৰে পৰা অতি ঘনিষ্ঠ বন্ধু আছিল। আজি মেৰাপানীৰ চাউদাং পথাৰৰ নাওজানচুক গাঁৱৰ বাসিন্দা সঞ্জীৱ ঠেঙালৰ মাটিত হাল বোৱাৰ বাবে তেওঁৰ বন্ধু ভূপেন দলেৰ মালিকানাধীন এখন ট্ৰেক্টৰ অনা হৈছিল। ট্ৰেক্টৰখনৰ চালকজনে পথাৰত হালবাই উঠি ঘৰলৈ উভতিবলৈ লওঁতেই ঘটনাস্থলীত উপস্থিত হয় ট্ৰেক্টৰৰ মালিক ভূপেন দলে আৰু মাটিৰ মালিক সঞ্জীৱ ঠেঙাল। দুই বন্ধুৰ মাজত থকা নিবিড় সম্পৰ্কৰ বাবেই ভূপেনে ট্ৰেক্টৰ চালকজনক নিজৰ মটৰচাইকেলখন দি ঘৰলৈ পঠিয়াই দিয়ে আৰু নিজে ট্ৰেক্টৰৰ চালকৰ আসনত বহে। আনহাতে বন্ধু সঞ্জীৱ ঠেঙালেও ট্ৰেক্টৰখনতে উঠি দুয়ো কথা পাতি পাতি সঞ্জীৱৰ ঘৰলৈ বুলি ৰাওনা হয়। পথাৰৰ মাজেৰে বৈ থকা এটা পানীৰ সোঁত থকা নলাৰ কাষেৰে আহি থকা অৱস্থাতে নিয়ন্ত্ৰণ হেৰুৱাই ট্ৰেক্টৰখন আকস্মিকভাৱে নলাটোত বাগৰি পৰে। গধুৰ ট্ৰেক্টৰখনে দুয়োকে পানীৰ মাজতে হেঁচি ধৰে। দুৰ্ঘটনাটো প্ৰত্যক্ষ কৰি স্থানীয় ৰাইজ লগে-লগে উদ্ধাৰ অভিযানত জঁপিয়াই পৰে। বহু চেষ্টাৰ অন্তত ট্ৰেক্টৰখন পানীৰ পৰা উঠাবলৈ সক্ষম হয় যদিও দুৰ্ভাগ্যবশতঃ ট্ৰেক্টৰৰ চালকৰ আসনত থকা ভূপেন দলে আৰু সঞ্জীৱ ঠেঙালক মৃত অৱস্থাত উদ্ধাৰ কৰা হয়। ঘটনাৰ খবৰ পোৱাৰ মাত্ৰকে মেৰাপানী আৰক্ষী ঘটনাস্থলীত উপস্থিত হয়। আৰক্ষীয়ে মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে গোলাঘাটৰ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়া মতে, ঘটনা সন্দৰ্ভত ইতিমধ্যে এক তদন্ত আৰম্ভ কৰা হৈছে। একেটা দুৰ্ঘটনাতে দুই ঘনিষ্ঠ বন্ধুৰ এনে আকস্মিক আৰু কৰুণ মৃত্যুত সমগ্ৰ মেৰাপানী অঞ্চলতে গভীৰ শোকৰ ছাঁ পৰিছে।

# বাঘবৰৰ সত্ৰকনৰা-গোবিন্দপুৰ ৰিজাৰ্ভত ব্যাপক অবৈধ দখলৰ অভিযোগ; চৰকাৰী ভূমি উদ্ধাৰৰ দাবীত ভুক্তভোগীৰ সংবাদমেল

**অসম বাৰ্তা, বৰপেটাসদৰ, ১৬ জুলাই ঃ** মন্দিয়া সমষ্টিৰ অন্তৰ্গত সত্ৰকনৰা আৰু গোবিন্দপুৰ ৰিজাৰ্ভ এলেকাত ব্যাপক হাৰত চৰকাৰী ভূমি অবৈধ দখল আৰু অবৈধ নামজাৰিৰ অভিযোগ উত্থাপন কৰি বুধবাৰে বৰপেটা প্ৰেছ ক্লাবত এখন সংবাদমেল অনুষ্ঠিত কৰে একাংশ ভুক্তভোগীয়ে। সংবাদমেলত তেওঁলোকে অভিযোগ কৰে যে দীৰ্ঘদিন ধৰি অঞ্চলটোৰ থলুৱা লোকসকলৰ গৰু-ম'হৰ খুঁটি আদি অবৈধ দখলকাৰীয়ে অধিকাৰ কৰি আহিছে। ভুক্তভোগীসকলৰ দাবী অনুসৰি, সময়ৰ লগে লগে অবৈধ দখলকাৰী সকলে কেৱল ভূমি দখল কৰিয়েই ক্ষান্ত নাথাকি বিভিন্ন উপায়ে সেই ভূমিৰ ওপৰত স্বত্ব লাভ কৰাৰ চেষ্টা চলাই ছে। সংবাদমেলত অভিযোগ কৰা হয় যে সত্ৰকনৰা আৰু গোবিন্দপুৰ ৰিজাৰ্ভৰ বিস্তীৰ্ণ চৰকাৰী ভূমি, যাৰ ভিতৰত প্ৰাক্তন সেনা জোৱান, থলুৱা কৃষক আৰু আন বহু লোকৰ ভূমি অবৈধ ভাবে দখল কৰা হৈছে। কিছুমান ক্ষেত্ৰত চৰকাৰী ভূমি অবৈধভাৱে নামজাৰি কৰা হোৱা বুলিও অভিযোগ উত্থাপন কৰে ভুক্তভোগীসকলে। তেওঁলোকৰ অভিযোগ, একাংশ ৰাজহ বিভাগীয় বিষয়া- কৰ্মচাৰীৰ সহযোগত চৰকাৰী এলটমেণ্টভুক্ত ভূমি বিভিন্ন ব্যক্তিৰ নামত নামজাৰি কৰা হৈছে। এই ক্ষেত্ৰত জড়িত বিষয়াসকলৰ বিৰুদ্ধে তদন্ত চলাই দোষীসকলক আইনৰ আওতালৈ অনাৰ দাবী জনায় তেওঁলোকে। ভুক্তভোগীসকলে কয় যে তেওঁলোকৰ হাতত বিভিন্ন নথি-পত্ৰ আৰু তথ্য মজুত আছে, যাৰ জৰিয়তে চৰকাৰী ভূমি অবৈধভাৱে নামজাৰি আৰু অবৈধ দখলৰ বহু ঘটনা পোহৰলৈ আহিব পাৰে। সেয়ে সমগ্ৰ বিষয়টোৰ নিৰপেক্ষ তদন্ত কৰি চৰকাৰী ভূমি উদ্ধাৰ কৰাৰ লগতে থলুৱা লোকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ দাবী জনাইছে।

# দুধনৈত বিধানসভা সমষ্টিভিত্তিক ১৪ দিনীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা ২০২৬ৰ শুভাৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৬ জুলাই ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোৱালপাৰা জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা দুধনৈত আৰম্ভ হৈছে বিধানসভা সমষ্টিভিত্তিক এক গ্ৰীষ্মকালীন নাট কৰ্মশালা। ১৫ নং দুধনৈ (জনজাতি) বিধানসভা সমষ্টিৰ অন্তৰ্গত এই নাট কৰ্মশালাখনি দুধনৈ কলেজ ৰোডস্থিত বডোফা ইউ. এন. ব্ৰহ্ম কালচাৰেল কমপ্লেক্সত অনুষ্ঠিত হৈছে। অসম নাট্য সন্মিলনৰ দুধনৈ শাখাৰ আতিথ্যত আয়োজিত এই কৰ্মশালাখনি অহা ২৮ জুলাইলৈকে মুঠ ১৪ দিনীয়া কাৰ্যসূচীৰে চলিব। আজি ১৫ জুলাই (বুধবাৰ) পুৱা ৯ বজাত অসম নাট্য সন্মিলনৰ পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে অসম নাট্য সন্মিলনৰ দুধনৈ শাখাৰ সভাপতি ড° বিশ্বজিৎ বৰ্মনে। ইয়াৰ পিছতে পুৱা ৯.৩০ বজাত স্মৃতি অৰ্পণ কাৰ্যসূচীত তৰ্পণ কৰে দুধনৈ শাখা সাহিত্য সভাৰ সভাপতি ড° জীৱেশ্বৰ কোচে। পুৱা ১০ বজাত অংশগ্ৰহণকাৰীসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পিছত ১০.৩০ বজাত নাট কৰ্মশালাৰ উদ্বোধনী সভা অনুষ্ঠিত হয়। এই সভাত পৌৰোহিত্য কৰে ড° বিশ্বজিৎ বৰ্মনে আৰু কৰ্মশালাখনি আনুষ্ঠানিকভাৱে বন্তি প্ৰজ্বলন কৰি উদ্বোধন কৰে দুধনৈ সম-জিলা আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মই। উদ্বোধনী অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে সাংস্কৃতিক সঞ্চালকালয়ৰ অৱসৰপ্ৰাপ্ত উপ-সঞ্চালক মুকুল ৰাভা। ইয়াৰ উপৰিও অসম চৰকাৰৰ গ্ৰীষ্মকালীন নাট কৰ্মশালা কমিটিৰ সদস্য নন্দা ৰায় চৌধুৰী, অনাতাৰ শিল্পী ধৰণী পাম উপস্থিত থাকে। আয়োজক সমিতিৰ সম্পাদক প্ৰাণেশ বৰ্মন আৰু দুধনৈ সাংস্কৃতিক কেন্দ্ৰৰ সাংস্কৃতিক উন্নয়ন বিষয়া ধনদা দাস হাজৰিকাই জনোৱা মতে, এই কৰ্মশালাত অংশগ্ৰহণকাৰী সকলক নাটকৰ বিভিন্ন দিশৰ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কৰ্মশালাৰ জৰিয়তে অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী শিশু চেমনীয়া উপকৃত হ'ব। কৰ্মশালাত প্ৰশিক্ষণ প্ৰদান কৰিব এনএছডিৰ বৰ্ণালী বৰদলৈ, এনএছডিৰ শিক্ষাৰ্থী ধ্ৰুৱ দাস, কনক নাথ, দিবাকৰ শৰ্মা, জিলা ডায়েটৰ অধ্যক্ষ সীমন্ত বৰঠাকুৰ, বিশিষ্ট নাট্যকাৰ বনমালী ভূএগ্ৰা আৰু অভিনেতা ৰাজাৰাম ৰাভাই। অহা ২৬ জুলাইলৈকে প্ৰতিদিনা পুৱা ৯ বজাৰ পৰা আবেলি ৩ বজালৈকে এই প্ৰশিক্ষণ চলিব। আনহাতে, ২৮ জুলাই মঙ্গলবাৰে সামৰণি অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলৰ দ্বাৰা দুধনৈ জনমন্দিৰ সাংস্কৃতিক ভৱন প্ৰাংগণত নাট মঞ্চস্থ কৰা হ'ব বুলি আয়োজক সমিতিয়ে জানিবলৈ দিছে।

# কাছাৰত মাদক বিৰোধী অভিযানত বৃহৎ সফলতা; ৪ কোটি টকাৰ ১৬ হাজাৰ ইয়াবা টেবলেট জব্দ

**অসম বাৰ্তা, শিলচৰ, ১৬ জুলাই ঃ** মাদকবিৰোধী অভিযানত পুনৰ বৃহৎ সফলতা লাভ কৰিছে কাছাৰ আৰক্ষীয়ে। জিলাখনৰ দুটা পৃথক স্থানত অভিযান চলাই আৰক্ষীয়ে মুঠ ১৬ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ কৰাৰ লগতে তিনিজন লোকক আটক কৰিছে। জব্দ কৰা ইয়াবা টেবলেটসমূহৰ আনুমানিক বজাৰ মূল্য প্ৰায় ৪ কোটি টকা বুলি আৰক্ষীয়ে জানিবলৈ দিছে। কাছাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত পালে জানিবলৈ দিয়া মতে, প্ৰথম অভিযানটো কাটিগড়া আৰক্ষী থানাৰ অন্তৰ্গত লাথিমাৰা অঞ্চলত চলোৱা হয়। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এই অভিযানত আৰক্ষীয়ে হাছান আহমেদ নামৰ এজন ব্যক্তিক আটক কৰে। তেওঁৰ জিম্মাৰ পৰা ৬ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ কৰা হয়। ইয়াৰ পিছতে শিলচৰ চহৰৰ কালিবাৰী চৰস্থিত মালাকাৰ পট্টি অঞ্চলত আন এক পৃথক অভিযান চলায় আৰক্ষীয়ে। এই অভিযানত তমিজ উদ্দিন লস্কৰ আৰু আছাদুল ইছলাম নামৰ দুজন সন্দেহযুক্ত মাদক সৰবৰাহকাৰীক আটক কৰা হয়। তেওঁলোকৰ জিম্মাৰ পৰা ১০ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ কৰে আৰক্ষীয়ে। দুয়োটা অভিযানত মুঠ ১৬ হাজাৰ ইয়াবা টেবলেট উদ্ধাৰ কৰা হৈছে। অতিৰিক্ত আৰক্ষী অধীক্ষক ৰজত পালে জানিবলৈ দিয়া মতে, জব্দ কৰা মাদক টেবলেটসমূহৰ আনুমানিক বজাৰ মূল্য প্ৰায় ৪ কোটি টকা। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে এইমাদক সৰবৰাহ চক্ৰৰ সৈতে আন কোনো ব্যক্তি জড়িত আছে নেকি, সেই সন্দৰ্ভতো তদন্ত অব্যাহত ৰাখিছে।

# গেলেকীত মৰ্মান্তিক ঘটনা; নামদাং নদীত গা ধুবলৈ গৈ সলিল সমাধি ঘটিল দুই কিশোৰৰ

**অসম বাৰ্তা, গেলেকী, ১৬ জুলাই ঃ** গেলেকীৰ হাটীপতিত কালি সংঘটিত হয় এক হৃদয়বিদাৰক দুৰ্ঘটনা। নামদাং নদীত গা ধুবলৈ আহি নদীৰ তীব্ৰ সোঁতত উটি গৈ সলিল সমাধি ঘটে দুজন কিশোৰৰ। নিহত কিশোৰ দুজন ক্ৰমে শিৱসাগৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ সমীপৰ অয়ন অৰ্জন বৰা আৰু জয়সাগৰৰ অনুৰাগ বৰুৱা বুলি চিনাক্ত কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, কালি বিয়লি প্ৰায় ২:৪৫ বজাত চাৰিজনীয়া কিশোৰৰ এটা দল এখন স্কুটী আৰু এখন চুপাৰ স্প্লেণ্ডাৰ বাইকেৰে নামদাং নদীৰ পাৰলৈ গা ধুবলৈ আহিছিল। আনুমানিক ১৬ৰ পৰা ১৭ বছৰ বয়সৰ কিশোৰ কেইজনৰ তিনিজনৰ ঘৰ শিৱসাগৰত আৰু এজনৰ ঘৰ নাজিৰাৰ নমাটিত বুলি জানিব পৰা গৈছে। নদীখনৰ দলঙৰ তলত থকা কালভাৰ্টটোত গা ধুই থকা অৱস্থাতে হঠাতে অহা নদীৰ তীব্ৰ সোঁতে চাৰিজনৰে ভিতৰত অয়ন আৰু অনুৰাগক উটুৱাই লৈ যায়। লগৰে বাকী দুজনে তেওঁলোকক উদ্ধাৰ কৰিবলৈ আপ্ৰাণ চেষ্টা চলায় যদিও পানীৰ প্ৰবল সোঁতৰ বাবে ব্যৰ্থ হয়। পাছত স্থানীয় ৰাইজে প্ৰশাসনক খবৰ দিয়াত ঘটনাৰ্থলীত SDRF বাহিনী উপস্থিত হয়। নদীৰ গভীৰ পানীৰ তলত সন্ধানহীন হৈ পৰা কিশোৰ দুজনক বিচাৰি SDRF-এ এক জোৰদাৰ অভিযান চলায়। প্ৰায় এঘণ্টা জোৰা উদ্ধাৰ অভিযানৰ অন্তত বাহিনীটোৱে নৈৰ বুকুৰ পৰা দুয়োৰে মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। এই কৰুণ ঘটনাই সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পেলাইছে।

# আছুৰ নগাঁও জিলা সমিতিৰ প্ৰাক্তন সম্পাদক, অসম আন্দোলনৰ কৰ্মী, সমাজকৰ্মী, বাদ্যশিল্পী ধৰণী বৰাৰ মৃত্যু

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** নগাঁৱৰ ডিমৰুগুৰি নিবাসী, অসম আন্দোলনৰ কৰ্মী, নগাঁও জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক ধৰণী বৰাৰ আজি বিয়লি প্ৰায় ২ বজাত নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। দীৰ্ঘদিন ধৰি মধুমেহ ৰোগত আক্ৰান্ত হৈ শেহতীয়াকৈ জণ্ডিছ ৰোগত ভুগি থকাত তেওঁক নগাঁও চহৰৰ পি কে বি নাৰ্চিং হোমত ভৰ্তি কৰা হৈছিল যদিও চিকিৎসাধীন অৱস্থাতে আজি তেওঁ ৬১ বছৰ বয়সত মৃত্যুক আঁকোৱালি লয়। জানিব পৰা মতে, তেওঁ জলসিঞ্চন বিভাগৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী হিচাপে কৰ্মৰত হৈ থকাৰ সময়তে স্বেচ্ছামূলক অৱসৰ গ্ৰহণ কৰে আৰু পৰৱৰ্তী সময়ত ঠিকাদাৰ হিচাপে কৰ্মজীৱন আগবঢ়াই নিয়ে। তেওঁৰ জন্মস্থান মাহৰোল গাঁও নামঘৰত প্ৰথমবাৰৰ অনুষ্ঠিত কৰা ভাগৱত পাঠ অনুষ্ঠানৰ সম্পাদক হিচাপে নিয়াৰিকৈ দায়িত্ব পালন কৰিছিল। সমাজৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে সততে জড়িত অত্যন্ত সাহসী, নম্ৰ স্বভাৱৰ ধৰণী বৰা আছিল এজন বৰতাল, নাগাৰা, খোল আদি বাদ্যৰ শিল্পী। মৃত্যুৰ সময়ত তেওঁ মাতৃ, দুজন পুত্ৰ, এগৰাকী বোৱাৰী, চাৰিজন কনিষ্ঠ ভাতৃসহ বহু আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। উল্লেখ্য যে, দুমাহ পূৰ্বে শিক্ষয়িত্ৰী পত্নী মল্লিকা বৰাৰ মৃত্যু হোৱাৰ পাছত আজি তেওঁ শেষ নিশ্বাস ত্যাগ কৰাত স্বাভাৱিকতে পৰিয়ালটো শোকত ভাগি পৰে। তেওঁৰ বিয়োগত অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# সকলো প্ৰকৃত কৃষকৰ পঞ্জীয়নৰ নিৰ্দেশ নগাঁও জিলা আয়ুক্তৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৬ জুলাই ঃ** নগাঁও জিলাৰ প্ৰতিগৰাকী প্ৰকৃত কৃষকে যাতে চৰকাৰী সুবিধা আৰু সাৰ লাভৰ পৰা বঞ্চিত হ'বলগীয়া নহয় তাৰ বাবে কৃষকৰ পঞ্জীয়ন প্ৰক্ৰিয়াটো অধিক ক্ষিপ্ৰ তথা সম্প্ৰসাৰিত কৰিবলৈ জিলা আয়ুক্ত দেৱাশিস শৰ্মাই সংশ্লিষ্ট সকলো পক্ষকে নিৰ্দেশ প্ৰদান কৰিছে। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সভাত কৃষক পঞ্জীয়নৰ বিষয়টোৰ পৰ্যালোচনা কৰি তেওঁ এইদৰে কয়। উল্লেখযোগ্য যে, কৃষি বিভাগৰ তৰফৰ পৰা ৰূপায়িত চৰকাৰী আঁচনিৰ সুবিধা লাভ কৰিবলৈ আৰু ৰাসায়নিক সাৰ সঠিকভাৱে ক্ৰয় কৰিবলৈ কৃষকসকলৰ পঞ্জীয়ন থকাটো বাধ্যতামূলক। কৃষকসকলৰ পঞ্জীয়ন সুনিশ্চিত কৰাৰ লগতে জিলাখনত অব্যাহত থকা কৃষক সবলীকৰণ প্ৰক্ৰিয়া অধিক ক্ষিপ্ৰ কৰি তোলাৰ উদ্দেশ্যে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অলপতে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত দেৱাশিস শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই বৈঠকত জিলাখনৰ কৃষক পঞ্জীয়ন ব্যৱস্থাৰ বৰ্তমানৰ অগ্ৰগতিৰ খতিয়ান বিতংভাৱে পৰ্যালোচনা কৰা হয়। উক্ত গুৰুত্বপূৰ্ণ বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত ক্ৰমে গোপাল শৰ্মা, পল্লৱী গগৈ, প্ৰমুখ্যে ৰাজহ চক্ৰৰ চক্ৰ বিষয়াসকল, জিলা কৃষি বিষয়া, বিভাগীয় সংশ্লিষ্ট বিষয়াসকল উপস্থিত থাকে।

# কলগাছিয়াৰ দেউকুৰাত বিদ্যুৎ বিভাগৰ গাফিলতিৰ অভিযোগ

## মৃত মহিলাৰ নামত ২৩, ৭৭২ টকাৰ বিদ্যুৎ বিল; মিটাৰ ৰিডাৰৰ বিৰুদ্ধে উত্থাপিত গুৰুতৰ অভিযোগ

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৬ জুলাই ঃ** বৰপেটা জিলাৰ কলগাছিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত দেউকুৰা গাঁৱত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (APDCL)-ৰ কথিত গাফিলতি আৰু অনিয়মক কেন্দ্ৰ কৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। প্ৰায় পাঁচ বছৰ পূৰ্বেই বিদ্যুৎ সংযোগ বিচ্ছিন্ন কৰি দিয়া এগৰাকী মৃত মহিলাৰ নামত হঠাতে ২৩ হাজাৰ ৭৭২ টকাৰ বিদ্যুৎ বিল অহাৰ ঘটনাই অঞ্চলজুৰি ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, সংশি-ষ্ট মহিলাগৰাকী বহু আগতেই মৃত্যুবৰণ কৰাৰ লগতে তেওঁৰ বিদ্যুৎ সংযোগো আনুষ্ঠানিকভাৱে বিচ্ছিন্ন কৰা হৈছিল। তথাপিও তেওঁৰ নামত ইমান বৃহৎ পৰিমাণৰ বিদ্যুৎ বিল প্ৰেৰণ হোৱাত বিদ্যুৎ বিভাগৰ কাৰ্যপদ্ধতি সন্দৰ্ভত একাধিক প্ৰশ্ন উত্থাপিত হৈছে। ইয়াৰ সমান্তৰালভাৱে, বিদ্যুৎ বিভাগৰ মিটাৰ ৰিডাৰ মজিবৰ ৰহমান-এ উক্ত মৃত মহিলাৰ মিটাৰ নিজৰ বাসগৃহত ব্যৱহাৰ কৰাৰ অভিযোগো স্থানীয় ৰাইজে উত্থাপন কৰে। এই অভিযোগক কেন্দ্ৰ কৰি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় আৰু ক্ষুব্ধ ৰাইজে মিটাৰ ৰিডাৰজনক ঘটনাস্থলীতে জবাবদিহি কৰিবলৈ বাধ্য কৰে। স্থানীয় বাসিন্দাসকলে ঘটনাটোৰ নিৰপেক্ষ তদন্ত কৰি যদি কোনো বিষয়া বা কৰ্মচাৰীৰ গাফিলতি, অনিয়ম বা ক্ষমতাৰ অপব্যৱহাৰ প্ৰমাণিত হয়, তেন্তে তেওঁলোকৰ বিৰুদ্ধে কঠোৰ বিভাগীয় আৰু আইনী ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। উল্লেখ্য যে, অভিযোগসমূহৰ সত্যতা এতিয়াও চৰকাৰীভাৱে নিশ্চিত হোৱা নাই। এই সন্দৰ্ভত বিদ্যুৎ বিভাগৰ আনুষ্ঠানিক প্ৰতিক্ৰিয়াও এতিয়ালৈকে পোৱা হোৱা নাই। ৰাইজে ঘটনাটোৰ স্বচ্ছ তদন্তৰ জৰিয়তে দোষীক চিনাক্ত কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ আহ্বান জনাইছে।

# অসমৰ ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যৰ শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠাপিত স্থান পৰিদৰ্শন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুলাই ঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুদিনীয়া কাৰ্য্যসূচীৰে ডিব্ৰুগড়লৈ আহে। ৰাজ্যপাল গৰাকীয়ে প্ৰথম দিনৰ ভ্ৰমণ কাৰ্যসূচী অনুযায়ী শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ ডিব্ৰুগড় জিলাৰ উদ্যোগিক ভৱনত থকা অস্থায়ী কাৰ্য্যালয় আৰু চাবুৱাৰ পানীএৰা গাঁৱত স্থাপন হ'বলগীয়া নিৰ্মাণ কাৰ্য্যৰ অগ্ৰগতিৰ বুজ ল'বলৈ উক্ত স্থান পৰিদৰ্শন কৰে। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত হোৱা আলোচনাত ৰাজ্যপাল গৰাকীক বিশ্ববিদ্যালয়খনে সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে অৱগত কৰাত ৰাজ্যপাল গৰাকীয়ে বিশ্ববিদ্যালয়খনৰ নিৰ্মাণকাৰ্য্য অতি খৰটকীয়াকৈ শেষ কৰিবৰ কাৰণে লোক নিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে লগতে বিশ্ববিদ্যালয়খনে সন্মুখীন হৈ থকা সমস্যা সমূহ সমাধান কৰিবলৈ ক্ৰীড়া বিভাগকো নিৰ্দেশ দিব বুলি আশ্বাস দিয়ে। পৰিদৰ্শনৰ সময়ত ৰাজ্যপালৰ লগত ক্ৰীড়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° হীৰেন্দ্ৰ নাথ শৰ্মা, পঞ্জীয়ক পংকজ বৰঠাকুৰ, জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱা, লোক-নিৰ্মাণ বিভাগৰ বিষয়া সকল আৰু জিলা প্ৰশাসনৰ ভালে সংখ্যক বিষয়া উপস্থিত থাকে। উল্লেখযোগ্য যে ৰাজ্যপাল গৰাকী বিশ্ববিদ্যালয়খনৰ আচাৰ্য।

# তিনিচুকীয়া আৰু মাৰ্ঘেৰিটাৰ অৰ্ধ-নিৰ্মিত ড০ বি. আৰ. আম্বেদকাৰ ভৱন শীঘ্ৰেই সম্পূৰ্ণ কৰাৰ দাবী

**অসম বাৰ্তা, তিনিচুকীয়া, ১৫ জুলাইঃ** সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাই তিনিচুকীয়া আৰু মাৰ্ঘেৰিটাস্থিত ২০১৮ চনৰ পৰা অৰ্ধ-নিৰ্মিত হৈ থকা ড০ বি. আৰ. আম্বেদকাৰ ভৱন দুটাৰ নিৰ্মাণকাৰ্য শীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে সমগ্ৰ বিষয়টোৰ নিৰপেক্ষ তদন্তৰ দাবী জনাইছে। সন্থাৰ সাধাৰণ সম্পাদক অশোক দাসে জাৰি কৰা এক আবেদনত উল্লেখ কৰা মতে, ২০১৮ চনত তদানীন্তন মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত তিনিচুকীয়া, মাৰ্ঘেৰিটা আৰু শদিয়া মহকুমাত ড০ বি. আৰ. আম্বেদকাৰ ভৱন নিৰ্মাণৰ অনুমোদন দিয়া হৈছিল। কিন্তু তিনিচুকীয়া আৰু মাৰ্ঘেৰিটাৰ ভৱন দুটা আজিও অসম্পূৰ্ণ হৈ থকাত অনুসূচিত জাতি সমাজে ইয়াৰ প্ৰত্যাশিত সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক সুবিধাসমূহৰ পৰা বঞ্চিত হৈ আছে। আবেদনখনত চৰকাৰৰ ওচৰত ভৱন দুটাৰ নিৰ্মাণকাৰ্য অতিশীঘ্ৰে সম্পূৰ্ণ কৰাৰ লগতে সমগ্ৰ প্ৰকল্পটোৰ ওপৰত স্বচ্ছ, নিৰপেক্ষ আৰু সময়বদ্ধ তদন্ত চলোৱাৰ দাবী জনোৱা হৈছে। লগতে ভৱন নিৰ্মাণৰ বাবে অনুমোদিত মুঠ ধনৰাশি, আবণ্টনৰ বিৱৰণ, নিৰ্মাণকাৰ্যৰ দায়িত্বপ্ৰাপ্ত বিভাগ বা ঠিকাদাৰৰ নাম, কামৰ অগ্ৰগতি, নিৰ্ধাৰিত সময়সীমাৰ পিছতো কাম সম্পূৰ্ণ নোহোৱাৰ কাৰণ, দায়িত্ব নিৰূপণ আৰু বৰ্তমানলৈ ব্যয় হোৱা ধনৰ সম্পূৰ্ণ তথ্য ৰাজহুৱা কৰাৰ আহ্বান জনোৱা হৈছে। সদৌ তিনিচুকীয়া জিলা অনুসূচিত জাতি ছাত্ৰ সন্থাই জনস্বাৰ্থ আৰু অনুসূচিত জাতি সমাজৰ সামগ্ৰীক উন্নয়নৰ স্বাৰ্থত চৰকাৰক বিষয়টোত আশু আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# গোসাঁইগাঁৱত নতুন গো-হাট মুকলি

**অসম বাৰ্তা, শ্ৰীৰামপুৰ, ১৬ জুলাই ঃ** বিটিচি চৰকাৰে গৰুৰ বজাৰ (গো-হাট) পুনৰ মুকলিৰ সিদ্ধান্তগ্ৰহণ কৰাৰ পিছতে বিটিচিৰ পাঁচখন জিলাৰ লগতে আজি গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত জাৰাগুৰীত নতুনকৈ এখন গো-হাটৰ শুভ উদ্বোধন কৰা হয়। নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি গো-পালকসকলৰ সুবিধাৰ্থে স্থাপন কৰা এই গো-হাটৰ শুভ উদ্বোধন কৰে বিপিএফৰ কেন্দ্ৰীয় নীতি নিৰ্ধাৰণ সমিতিৰ জ্যেষ্ঠ সদস্য ধ্ৰুৱ কুমাৰ ব্ৰহ্ম নাৰ্জাৰীয়ে। উদ্বোধনী অনুষ্ঠানত বিপিএফৰ নেতা-কৰ্মী, স্থানীয় ৰাইজ আৰু বহু গো-পালক উপস্থিত থাকে। গো-হাট মুকলি হোৱাৰ লগে লগে অঞ্চলটোৰ বহু গো-পালকে নিজৰ গৰু বিক্ৰীৰ উদ্দেশ্যে বজাৰলৈ অনাত ক্ৰেতা-বিক্ৰেতাৰ ভিৰে গো-হাটখন উৎসৱমুখৰ হৈ পৰে। স্থানীয় ৰাইজৰ মতে, এই গো-হাটৰ জৰিয়তে গো-পালকসকলে সহজে গৰু ক্ৰয়-বিক্ৰয় কৰাৰ সুবিধা লাভ কৰিব। ইয়াৰ ফলত গো-পালন খণ্ড অধিক উৎসাহ লাভ কৰাৰ লগতে স্থানীয় অৰ্থনীতি শক্তিশালী হোৱাৰ সম্ভাৱনা বৃদ্ধি পাব। লগতে চৰকাৰেও ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত লাভবান হ'ব বুলি আশা প্ৰকাশ কৰা হৈছে। নতুন গো-হাট মুকলি হোৱাত অঞ্চলটোৰ গো-পালক, ক্ৰেতা আৰু বিক্ৰেতাসকলৰ মাজত আনন্দ-উল্লাসৰ পৰিৱেশ বিৰাজ কৰিছে।

# বলিষ্ঠ অভিনেতা, সাংস্কৃতিকবান কৰ্মী মানসপ্ৰতীম দত্তৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি

**অসম বাৰ্তা, দেৰগাঁও, ১৬ জুলাই ঃ** বৃহত্তৰ বৰুৱাবামুণ গাঁও অঞ্চলৰ এগৰাকী সাংস্কৃতিকবান কৰ্মী, বলিষ্ঠ অভিনেতা তথা অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত মানসপ্ৰতীম(মাইনু) দত্তৰ বিয়োগত অঞ্চলটো শোকস্তব্ধ হৈ পৰে। স্বতঃ স্ফূৰ্তভাৱে বৰুৱাবামুণ অঞ্চলৰ বিভিন্ন সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানে তেখেতৰ বিয়োগত শোক প্ৰকাশ কৰি আজি কুৱালগুৰি চাৰিআলিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনাবৰ বাবে সমবেত হৈ বন্তি প্ৰজ্বলন কৰে। দেৰগাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ সহঃ সম্পাদক ৰক্তিম দত্তই আঁত ধৰা অনুষ্ঠানটোত কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, কুৱালগুৰি সাহিত্য সভা, বৰুৱাবামুণ গাঁও ছাত্ৰ সন্থা, শিঙৰাজান ৰঙালী বিহু সন্মিলন, বৰুৱাবামুণ গাঁও কেন্দ্ৰীয় বসন্ত উৎসৱ, কুৱালগুৰি ব্যৱসায়ী সন্থা, কুৱালগুৰি কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলন, কুশীলৱ সাংস্কৃতিক গোষ্ঠী, মনিকাঞ্চন কলা নিকেতন, দেৰগাঁও শান্তি মিলন সাংস্কৃতিক গোষ্ঠী আদি অনুষ্ঠান প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# কলগাছিয়াৰ গুনিয়ালগুৰীৰ মৰা নদীত মাছ ধৰিবলৈ গৈ নিৰুদ্দেশ এজন ব্যক্তি

**অসম বাৰ্তা, কুমুল্লী পৰা, ১৬ জুলাই ঃ** বৰপেটা জিলাৰ কলগাছিয়াৰ গুনিয়ালগুৰী অঞ্চলত এক উদ্বেগজনক ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, গুনিয়ালগুৰীৰ মৰা নদীত মাছ ধৰিবলৈ গৈ এজন ব্যক্তি নিৰুদ্দেশ হোৱা বুলি জানিব পৰা গৈছে। নিৰুদ্দেশ ব্যক্তিজনৰ নাম মফিজুদ্দিন বুলি স্থানীয় সূত্ৰে প্ৰকাশ কৰিছে। ঘটনাৰ খবৰ বিয়পি পৰাৰ পিছতে স্থানীয় ৰাইজৰ মাজত উদ্বেগৰ সৃষ্টি হয়। নিৰুদ্দেশ ব্যক্তিজনক বিচাৰি স্থানীয় লোকে অনুসন্ধান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। এই প্ৰতিবেদন লিখা পৰ্যন্ত মফিজুদ্দিনৰ কোনো সন্ধান পোৱা হোৱা নাই। ঘটনাটোক কেন্দ্ৰ কৰি অঞ্চলটোত উৎকণ্ঠাময় পৰিস্থিতিৰ সৃষ্টি হৈছে। আৰক্ষী তথা সংশ্লিষ্ট বিভাগে বিষয়টোৰ প্ৰতি দৃষ্টি দিছে নে নাই, সেই সন্দৰ্ভত তাৎক্ষণিকভাৱে কোনো আনুষ্ঠানিক তথ্য লাভ হোৱা নাই। ঘটনাটোৰ অধিক বিৱৰণ আৰু অনুসন্ধানৰ অগ্ৰগতি অনুসৰি পৰৱৰ্তী সময়ত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

NAME CORRECTION

My actual and correct name is AKLIMA BIBI which has been recorded in my relevant all documents including Aadhar Card, vide No. 3279 5565 6520, PAN Card vide No. CZIPB0922R. But my name has erroneously been recorded AKLIMA BEWA in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150010000092, Lakhiganj Branch as M/s AKLIMA BEWA instead of AKLIMA BIBI.

Sd/- AKLIMA BIBI
W/O: Abdul Gani Munshi
Village: Simlabari
PO: Futkibari, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam

AB-101/2026

NAME CORRECTION

My actual and correct name is BATASHI BEGUM which has been recorded in my relevant all documents including Aadhar Card, vide No. 3737 8405 2213, PAN Card vide No. DOIPB6820J. But my name has erroneously been recorded BATASHI BIBI in my bank passbook of Assam Gramin Vikash Bank having A/C no. 7150010014784, Lakhiganj Branch as M/s BATASHI BIBI instead of BATASHI BEGUM.

BATASHI BEGUM
W/O: Aidali Akond
Village: Simlabari
PO: Futkibari, Pin: 783345
SD: Bilasipara
Dist: Dhubri, Assam

AB-102/2026


# সমস্যাৰে জৰ্জড়িত জৰেগাঁও; সমাধানৰ দাবীত ইএম দেৰহাছাং বসুমতাৰীক সাক্ষাৎ, পৰ্যায়ক্ৰমে সমাধানৰ আশ্বাস

**অসম বাৰ্তা, বাসুগাঁও, ১৬ জুন ঃ** বিটিচিৰ কোকৰাঝাৰ জিলাৰ চালাকাটি পৰিষদীয় সমষ্টিৰ সমস্যাৰে জৰ্জড়িত জৰেগাঁও। এই গাঁওখনৰ সমস্যাৰ সমাধান বিচাৰি গাঁৱৰ একাংশ মুৰব্বী লোকে সাক্ষাৎ কৰে বি টি চিৰ স্থানীয় পৰিষদীয় সদস্য তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰীক। গাঁৱৰ লোক মৃত্যুমুখত পৰিলে শ্মশানলৈ লৈ গৈ শেষকৃত্য সম্পন্ন কৰা হয়। কিন্তু নেৰানেপেৰা বৰষুণত চাৰিওফালে পানীৰে ওপচি পৰিলে শ্মশানলৈ যোৱা সকলো বাট-পথ বন্ধ হৈ পৰে। এটি সুঁতিৰ ওপৰত নাই কালভাৰ্ট। আনকি শ্মশানৰ ঠাইখিনিও পানী ভৰি পৰে। নাই শ্মশান গৃহ। যাৰফলত তিনি/ চাৰি কিল'মিটাৰ অতিক্ৰমী সাতবিন্দী শ্মশানলৈ নিবলগীয়া হয়। গতিকে শ্মশানলৈ যোৱা বাট-পথ, দলঙৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ জনোৱা হয়। গাঁওখনৰ পদ্মপাৰা চুবুৰীৰ পূৱ আৰু দক্ষিণ দিশত নাই কোনো দলং-কালভৰ্ট। যাৰ ফলত চুবুৰীবাসী ৰাইজে পশ্চিম দিশেৰে এটা পথেৰে বিভিন্ন ঠাইলৈ যাব লগীয়া হয়। আনহাতে পূৰ্বৰে পৰা থকা দক্ষিণ দিশৰ পথছোৱা সম্প্ৰতি বিলুপ্তিৰ পথত। সময়ত উদ্ধাৰ কৰাৰ ব্যৱস্থা নকৰিলে এদিন পথছোৱা নিশ্চিন্ন হৈ পৰিব। উল্লেখযোগ্য যে ১৯৭৭ চনত বিশ্ববৰেণ্য সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু গোৱালপাৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডেক গাঁৱৰ বিশিষ্ট সমাজকৰ্মী, শিল্পী প্ৰয়াত কান্তেশ্বৰ ৰায়ৰ নেতৃত্বত আমন্ত্ৰণ কৰি আনি গাঁওখনত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। তেতিয়া ড° ভূপেন হাজৰিকাৰ নিজ হাতেৰে ভূপেন জ্যোতি মঞ্চৰ খুটি পোঁতা হৈছিল। মঞ্চটি নিৰ্মাণ হ'ল যদিও ধনৰ অভাৱত আজিলৈ সম্পূৰ্ণ কৰিব পৰা নগ'ল। ইয়াৰোপৰি ড° ভূপেন হাজৰিকা চিতাভস্মৰ আধাৰত বেদী স্থাপন কৰা হৈছিল। উক্ত বেদীৰ কাষতে ড° ভূপেন হাজৰিকাৰ পূৰ্ণাৱয়ৱ প্ৰতিমূৰ্তি স্থাপন কৰা হৈছে। প্ৰতিমূৰ্তিৰ চৌহদ পকী ওৱাল আৰু সৌন্দৰ্য্য বৰ্ধনৰ কাম বাকী আছে ধনৰ অভাৱত। ফুটবলত সুনাম থকা গাঁওখনৰ খেলপথাৰত আৰ্থফিলিঙৰ প্ৰয়োজন। জৰেগাঁৱত আজিৰ পৰা পঁচিশ বছৰ আগতে স্থাপন কৰা হাইস্কুল আজিও অপ্ৰাদেশীকৃত অৱস্থাত আছে। বছৰ বছৰ ধৰি বিনা বেতনে কাম কৰি অহা বাবে শিক্ষক-শিক্ষয়ত্ৰী সকলৰ মন ভাঙি পৰিছে। প্ৰায় আঢ়ৈ বিঘা মাটি জেছিবিৰে চাফাই কৰা হৈছে। ভৱিষ্যৰ সম্পদ আৰু সৌন্দৰ্য্য বৰ্ধনৰ বাবে। এই কামখিনিও ধনৰ অভাৱত কৰিব পৰা নাই। এই সকলোবোৰ সমস্যাৰ কথা বি টি চিৰ অন্যতম কাৰ্যবাহী সদস্য গৰাকীক অৱগত কৰি কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিনম্ৰতাৰে আহ্বান জনোৱা হয়। তেওঁ অভিযোগ সমূহ মনোযোগেৰে শুনি পৰ্যায়ক্ৰমে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশ্বাস দিয়ে। উল্লেখযোগ্য যে গাঁওখনত ইতিমধ্যে যিখিনি কাম সম্পন্ন হৈছে অধিকাংশ কাম কাৰ্যবাহী সদস্য গৰাকীৰ প্ৰচেষ্টাতে হৈছে বুলি স্বীকাৰ কৰে গাঁৱৰ বিশিষ্ট শিল্পী সমাজকৰ্মী কলেন চন্দ্ৰ ৰায় আৰু বিশ্বনাথ ৰায়ে। তেওঁলোকে আঁশাকৰে বাকী আধৰুৱা কামখিনি সমাধা কৰি এক আদৰ্শ গাঁও হিচাপে আগবঢ়াই লৈ যাব কৰ্ম উদ্যোগী বিটিচিৰ কাৰ্যবাহী সদস্য দেৰহাছাং বসুমতাৰী।

# অবৈধ কয়লা ব্যৱসায় আৰু এণ্ট্ৰী ছিণ্ডিকেট সন্দৰ্ভত সৰৱ আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতি

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক এল্ ৰতন সিঙে এক প্ৰেছ বিজ্ঞপ্তিযোগে জনাইছে যে, মাৰ্ঘেৰিটা মহকুমাৰ অন্তৰ্গত কয়লা বেল্টত বিগত কেইবাবছৰ ধৰি চলি থকা তথাকথিত অবৈধ কয়লা ব্যৱসায়ৰ ওপৰত সমিতিয়ে চলাই অহা বিশেষ তদন্তৰ কেতবোৰ তথ্য প্ৰকাশ কৰা হৈছে। সমিতিৰ অভিযোগ অনুসৰি কয়লা মাফিয়া বি গণেশৰ নেতৃত্বত চলি থকা 'এণ্ট্ৰী চিষ্টেম'ৰ জৰিয়তে বৃহৎ পৰিসৰত অবৈধ কয়লা সৰবৰাহ চলি আছে। লিডুৰ ইটাখোলা অঞ্চলত ক'ল ইণ্ডিয়াৰ অধীনত থকা পৰিত্যক্ত খনিৰ পৰা মুক্তভাৱে এক্সকেভেটৰৰ দ্বাৰা খনন ও ৰেটহল মাইনিং স্থাপনেৰে কয়লা সংগ্ৰহ কৰি বিভিন্ন বাহনত সৰবৰাহ কৰা হোৱা বুলি অভিযোগ উত্থাপন কৰিছে। অভিযোগ অনুসৰি, প্ৰতিদিনে ইটাখোলা টাৰ্ণিংপইণ্টৰ পৰা ৰে'ল লাইন পাৰ হৈ ডাম্পাৰ, মে' পিক-আপ আদি বাহনত অবৈধ কয়লা সৰবৰাহ কৰে। লগতে দ্বীপ মাইন, মুলুং পাহাৰ, কালাসুৰি, লালসুৰি, তামোল বাগান, কনফাৰেন্স ফিল্ড আদিৰ পৰা কয়লা অনা হয় বুলিও অভিযোগত উল্লেখ কৰিছে। এজন কয়লা মাফিয়াই ক'ল ইণ্ডিয়াৰ এজন বিতৰ্কিত বিষয়াৰ সহযোগত এই অবৈধ চোৰাং কয়লা ব্যৱসায় পৰিচালনা কৰি অহাৰ অভিযোগ দীৰ্ঘদিনীয়া বুলি কৈ সেই কয়লাৰ জৰিয়তে পাঁচটাকৈ ইটা ভাটা চলি থকা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। তেওঁলোকৰ অভিযোগ অনুসৰি, জনৈক এম ডি, খান, আনোৱাৰ, ৰামা, বিমল, ঝাপে, বিকাশ, বগী, গুনী, কুলদীপ, শ্যাম, ছহিদৰ লগতে বহু কেইগৰাকী বিতৰ্কিত চোৰাং কয়লা ব্যৱসায়ীৰ নামত মুক্ত খনন আৰু ৰেটহল মাইনিং পৰিচালিত হৈছে। সমিতিয়ে প্ৰেছবাৰ্তা যোগেদি আন এক অভিযোগ উত্থাপন কৰিছে যে, সমগ্ৰ এণ্ট্ৰী ব্যৱস্থাটো ইটাখোলাৰ এখন ধাবাৰ পৰা নিয়ন্ত্ৰিত হয়। তদন্তৰ খাতিৰত নাম প্ৰকাশৰ পৰা বিৰত থাকি অভিযোগত কোৱা হৈছে যে, উল্লিখিত ধাবাৰ নাম, কয়লাৰ বাবত এণ্ট্ৰি লোৱা ব্যক্তিৰ নাম, সংগৃহীত ধনৰ পৰিমাণ আৰু কোন কোন ইটা ভাটালৈ অবৈধ কয়লা যোগান ধৰা হয়, সেই সম্পৰ্কে বিস্তৃত তথ্য অচিৰেই ৰাজহুৱা কৰা হ'ব। সমিতিৰ সকীয়নি, সময় থাকোঁতেই যদি জিলা প্ৰশাসন, উত্তৰ-পূব কয়লাক্ষেত্ৰ, বন বিভাগ, আৰক্ষী প্ৰশাসন আৰু ৰে'লৰে বিভাগে সঠিক তদন্তৰে উচিত ব্যৱস্থা গ্ৰহণ নকৰে তেন্তে পৰৱৰ্তী পৰ্যায়ত প্ৰতিবাদী কাৰ্যসূচী হাতত লবলৈ তেওঁলোক বাধ্য হ'ব। লগতে আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিয়ে পৰৱৰ্তী সময়ত তথ্য প্ৰমাণ সহকাৰে দেশৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ ওচৰত বিস্তৃত প্ৰতিবেদন দাখিল কৰি হস্তক্ষেপৰ দাবী উত্থাপন কৰাৰো নিশ্চিতি প্ৰদান কৰিছে।

# অৰুণাচলৰ বানপীড়িতসকলৰ সহায়ৰ বাবে সৎসংগৰ পক্ষৰ পৰা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ কোটি টকাৰ অনুদান



**অসম বাৰ্তা, শিলচৰ, ১৬ জুন ঃ** অৰুণাচল প্ৰদেশত শেহতীয়াকৈ সংঘটিত ভয়াৱহ বানত ক্ষতিগ্ৰস্ত লোকসকলৰ কাষত থিয় দিবলৈ সৎসংগৰ পৰম পূজ্যপাদ শ্ৰীশ্ৰী আচাৰ্যদেৱে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ১ কোটি টকাৰ অনুদান আগবঢ়াইছে। বৃহস্পতিবাৰে (১৬ জুলাই) সৎসংগৰ সহকাৰী সম্পাদক শিৱানন্দ প্ৰসাদে পৰম পূজ্যপাদ শ্ৰীশ্ৰী আচাৰ্যদেৱৰ প্ৰতিনিধি হিচাপে অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৰ কাৰ্যালয়ত উপস্থিত হৈ আনুষ্ঠানিকভাৱে অনুদানৰ চেক প্ৰদান কৰে। এই সময়ত তেওঁৰ সৈতে সৎসংগৰ স্থানীয় ভক্ত আৰু কৰ্মীসকলো উপস্থিত আছিল। মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে এই মানৱীয় পদক্ষেপৰ বাবে সৎসংগৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। বৈঠকত সৎসংগৰ বিভিন্ন মানৱকল্যাণমূলক আৰু সমাজসেৱামূলক কাৰ্যসূচী সন্দৰ্ভতো সংক্ষিপ্ত আলোচনা অনুষ্ঠিত হয়। প্ৰাকৃতিক দুৰ্যোগত ক্ষতিগ্ৰস্ত সকলো লোকৰ দ্ৰুত আৰোগ্য আৰু স্বাভাৱিক জীৱনযাত্ৰালৈ শীঘ্ৰে উভতি অহাৰ কামনা জনাইছে সৎসংগে।

# মাকুমত কৃত্ৰিম বানৰ বিভীষিকা; পৌৰসভাৰ ভূমিকাক লৈ প্ৰশ্ন

**অসম বাৰ্তা, মাকুম, ১৬ জুন ঃ** যোৱা দুদিন ধৰি হোৱা বৰষুণৰ ফলত মাকুম পৌৰসভাৰ কেইবাটাও ৱাৰ্ড জলমগ্ন হোৱাৰ লগতে মাকুম থানাৰ চৌহদতো কৃত্ৰিম বানৰ বিভীষিকাত মাকুম পৌৰসভাৰ চূড়ান্ত ব্যৰ্থতাৰ কথা পুনৰ প্ৰমাণ কৰিলে। পৌৰসভাৰ ৩ নং ৱাৰ্ড, ৪ নং ৱাৰ্ডকে ধৰি কেইবাটাও ৱাৰ্ডত সৃষ্টি হোৱা কৃত্ৰিম বানত সাধাৰণ জনজীৱন সম্পূৰ্ণ ব্যাহত কৰে। কৃত্ৰিম বানৰ ফলত বহু বাসগৃহত লেতেৰা পানী সোমাই পৰাৰ লগতে মাকুম থানাৰ চৌহদো পানীৰ তলত ডুব যায় যাৰ ফলত আৰক্ষীৰ দৈনন্দিন কাম-কাজতো প্ৰভাৱ পৰিছে বুলি জানিব পৰা গৈছে। আনহাতে নিশা অহা মুখলধাৰ বৰষুণৰ পিছতেই মাকুম পৌৰসভাৰ ৩ নং ৱাৰ্ডৰ বিভিন্ন স্থানত নলা-নৰ্দমাৰ পানী উপচি পৰি সৃষ্টি হয়। স্থানীয় বাসিন্দাসকলৰ অভিযোগ, পানী বৈ যোৱা মূল নলাৰ ওপৰত ৱাল নিৰ্মাণ কৰাৰ ফলত স্বাভাৱিক পানী নিষ্কাশন বন্ধ হৈ পৰি বৰষুণৰ পানী ওলাই যাব নোৱাৰি পথ-ঘাট আৰু বাসগৃহৰ চৌহদত জমা হৈ ৰাইজক চূড়ান্ত দুৰ্ভোগত পেলাইছে বুলি অভিযোগ উত্থাপিত কৰিছে। মাত্ৰ দুঘৰমান লোকৰ সুবিধাৰ বাবে এনে ব্যৱস্থা গ্ৰহণ কৰাত সমগ্ৰ অঞ্চলৰ লোক ক্ষতিগ্ৰস্ত হৈছে বুলিও দাবী কৰে। বাৰম্বাৰ সংশি-ষ্ট ৱাৰ্ড আয়ুক্ত আৰু মাকুম পৌৰসভাক সমস্যা সমাধানৰ বাবে আহ্বান জনায় আহিছে যদিও কোনো স্থায়ী বা ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নকৰাত সংবাদ মাধ্যমৰ জৰিয়তে অবিলম্বে নলা-নৰ্দমা পৰিষ্কাৰ, ভগ্ন পথ মেৰামতি আৰু কৃত্ৰিম বানপানী সমস্যাৰ স্থায়ী সমাধানৰ দাবী জনাইছে একাংশ ৰাইজে।

# শিক্ষকতা এক হৃদয়ৰ কলা ঃ ৰূপক বৈশ্য

## নলবাৰীৰ বি.এম. গ্ল'বেল একাডেমীত গ্ৰীষ্মকালীন শিক্ষক প্ৰশিক্ষণ কৰ্মশালা

**অসম বাৰ্তা, চামতা, ১৬ জুন ঃ** প্ৰজন্মক সঠিক পথ অনুসৰণ কৰোৱাজনেই শিক্ষক। এই মন্তব্য নলবাৰীৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ তথা বনগাঁৱৰ জ্যোতি-কলা কেন্দ্ৰ (জেকেকে) শিক্ষা প্ৰতিষ্ঠানৰ কাৰ্যবাহী পৰিচালন সঞ্চালক ৰূপক বৈশ্যৰ। আজি নলবাৰী জিলাৰ খাৰজাৰাস্থিত চি বি এছ ইৰ অধীনস্থ এখন আগশাৰীৰ বিদ্যালয় বি এম গ্ল'বেল একাডেমীত গ্ৰীষ্মকালীন শিক্ষক প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত কৰা হয়। বি এম গ্ল'বেল একাডেমী আৰু জিলাখনৰ দক্ষিণ-পশ্চিম প্ৰান্তৰ কুমাৰীকাটাস্থিত ভাৰত ডেকা একাডেমীৰ যৌথ উদ্যোগত আৰু নলবাৰী জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহযোগত এই এদিনীয়া শিক্ষক প্ৰশিক্ষণ কৰ্মশালাখনত নলবাৰী জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যাপিকা ড° সুকন্যা গোস্বামীয়ে সমল ব্যক্তি হিচাপে শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰশিক্ষণ দিয়ে। কৰ্মশালাখনত প্ৰশিক্ষণৰ পূৰ্বে বি এম গ্ল'বেল একাডেমীৰ অধ্যক্ষ আশ্ৰফুদ্দিন আহমেদে শুভাৰম্ভ কৰা অনুষ্ঠানত কালি আকস্মিক তথা অকাল বিয়োগ ঘটা অসমীয়া চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী পূৰবী শৰ্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই চিৰশান্তিৰ অৰ্থে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনোৱা হয়। তাৰপিচত কেইবাটাও পদ্ধতি অৱলম্বনেৰে শৈক্ষিক দিশৰ ওপৰত দুয়োখন একাডেমীৰ কৰ্মৰত সৰ্বমুঠ প্ৰায় অৰ্ধশতাধিক শিক্ষক-শিক্ষয়িত্ৰীয়ে যোগদান কৰা উক্ত কৰ্মশালাত সমল ব্যক্তি ড° গোস্বামীয়ে প্ৰশিক্ষাৰ্থী শিক্ষক-শিক্ষয়িত্ৰী সকলক জ্ঞান অন্বেষণৰ অৰ্থে পৰম্পৰাগত তথা ডিজিটেল মাধ্যমৰ জৰিয়তে কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে পাঠ্যক্ৰম মনোগ্ৰাহী কৰাব পাৰি, তাৰ এক সুন্দৰ মননশীল উপস্থাপন কৰে। এগৰাকী শিশুৰ সামগ্ৰিক উন্নয়ন আৰু উন্নতিয়েই হৈছে শিক্ষাৰ ঘাই উদ্দেশ্য। মূলতঃ এই কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিয়েই এটি শ্ৰেণীকোঠাৰ ভিতৰত প্ৰয়োজনীয় সকলোখিনি কেনেকৈ প্ৰস্তুত কৰি ল'ব লাগে, তাৰ উপযুক্ত উদাহৰণ দাঙি ধৰি ব্যৱহাৰিক দিশৰ ওপৰত প্ৰশিক্ষণ দিয়ে ড° গোস্বামীয়ে। লগতে ড° গোস্বামীয়ে কেৱল নম্বৰপ্ৰাপ্তিৰ প্ৰতি আকৰ্ষিত নকৰি ছাত্ৰ-ছাত্ৰীৰ জ্ঞান অৰ্জনৰ প্ৰতি ধাউতি বৃদ্ধি কৰোৱাবলৈ নিৰন্তৰে পাঠদান কৰি যাবলৈ শিক্ষক-শিক্ষয়িত্ৰী সকলক আহ্বান জনায়। উক্ত কৰ্মশালাত উপস্থিত থাকি ভাৰত ডেকা একাডেমীৰ অধ্যক্ষ ৰূপক বৈশ্যই সকলোকে অভিনন্দন জনাই প্ৰজন্মক সঠিক পথ অনুসৰণ কৰোৱাজনেই শিক্ষক বুলি কয়। শেষত বি এম গ্ল'বেল একাডেমীৰ অধ্যক্ষ আশ্ৰফুদ্দিন আহমেদৰ শলাগৰ শৰাইৰে উক্ত কৰ্মশালাৰ সামৰণি মৰা হয়। কৰ্মশালাত ভাৰত ডেকা একাডেমীৰ পৰিচালনা সমিতিৰ সম্পাদক সুশান্ত কুমাৰ শৰ্মা উপস্থিত থাকে।

### ১.৪৮১ কিলোগ্ৰাম ওজনৰ নকল সোণ উদ্ধাৰ

# লংকাত নকল সোণৰ নাওসহ তিনিজন গ্ৰেপ্তাৰ

**অসম বাৰ্তা, লংকা, ১৬ জুন ঃ** লংকাত নকল সোণ বিক্ৰীৰ এক বৃহৎ চক্ৰৰ তথ্য পোহৰলৈ আহিছে। লংকা আৰক্ষীৰ সহযোগত হোজাই জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপম বৰদলৈৰ নেতৃত্বত গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত চলোৱা এক অভিযানত ১.৪৮১ কিলোগ্ৰাম ওজনৰ নকল সোণৰ এখন নাও উদ্ধাৰ কৰাৰ লগতে এই ঘটনাৰ সৈতে জড়িত তিনিজন লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, গোপন তথ্যৰ ভিত্তিত আৰক্ষীয়ে লংকাৰ ২নং কপিলীপাৰ গাঁৱৰ মহৰ আলীৰ বাসগৃহত অভিযান চলায়। অভিযানকালত নকল সোণৰ নাওখন উদ্ধাৰ কৰাৰ লগতে ঘটনাস্থলীৰ পৰা নগাঁৱ ৰূপহীৰ মতিবুৰ ৰহমান, চুলতান আলী, আৰু লংকাৰ নখুটি শনিবজাৰৰ ফাৰুক আহমেদক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীৰ প্ৰাথমিক তদন্তত পোহৰলৈ অহা মতে, লখিমপুৰ জিলাৰ ইমান আলী নামৰ এজন ব্যক্তিয়ে নকল সোণৰ নাওখন বিক্ৰীৰ উদ্দেশ্যে ধৃতসকলৰ হাতত অৰ্পণ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁলোকে কেৰালাৰ এজন লোকৰ ওচৰত নাওখন প্ৰকৃত সোণ বুলি বিক্ৰী কৰাৰ চেষ্টা চলাইছিল বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। সময়মতে আৰক্ষীৰ তৎপৰতাৰ ফলত এই প্ৰতাৰণাৰ অপচেষ্টা ব্যৰ্থ হয়। অভিযানত উদ্ধাৰ হোৱা নকল সোণৰ নাওখনৰ ওজন ১.৪৮১ কিলোগ্ৰাম বুলি আৰক্ষীৰ সূত্ৰই জানিবলৈ দিয়ে। উদ্ধাৰ হোৱা সামগ্ৰীসমূহ জব্দ কৰি প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়া সম্পন্ন কৰাৰ লগতে অধিক পৰীক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইফালে, এই ঘটনাৰ আঁৰত কোনো আন্তঃৰাজ্যিক প্ৰতাৰক চক্ৰ জড়িত আছে নেকি, সেই দিশতো আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। পলাতক অভিযুক্ত ইমান আলীৰ সন্ধানত অভিযান অব্যাহত থকাৰ লগতে এই চক্ৰৰ সৈতে জড়িত আন লোকৰ ভূমিকাও খতিয়ান কৰি চোৱা হৈছে। তদন্ত আগবাঢ়িলে এই নকল সোণ সৰবৰাহ আৰু প্ৰতাৰণা চক্ৰৰ সৈতে জড়িত অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

# আমগুৰিত অনুষ্ঠিত হ'ব ১৫ সংখ্যক শিৱসাগৰ জিলা মুকলি আৰ্চাৰী প্ৰতিযোগিতা

**অসম বাৰ্তা, চেলেংহাট, ১৬ জুলাই ঃ** আমগুৰি মিনি ষ্টেডিয়ামত অহা ১৮ আৰু ১৯ জুলাইত অনুষ্ঠিত হ'ব "১৫ সংখ্যক শিৱসাগৰ জিলা মুকলি আৰ্চাৰী প্ৰতিযোগিতা"। উক্ত প্ৰতিযোগিতাত ১০, ১৩, ১৫, ১৭ আৰু ২১ বছৰ অনুধ্বৰ্ব খেলুৱৈৰ লগতে চিনিয়ৰ খেলুৱৈসকলেও অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাখন ইণ্ডিয়ান ৰাউণ্ড, কম্পাউণ্ড আৰু ৰিকাৰ্ভ এই তিনিওটা শাখাত অনুষ্ঠিত হ'ব। উল্লেখ্য যে এই জিলা পৰ্যায়ৰ প্ৰতিযোগিতাখনৰ পৰাই অহা ২৬ৰ পৰা ২৮ জুলাইলৈ ডিব্ৰুগড়ত অনুষ্ঠিত হ'বলগীয়া আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতালৈ অনুৰ্ধ্ব ১০, ১৩ আৰু ২১ বছৰৰ খেলুৱৈ নিৰ্বাচন কৰা হ'ব। শিৱসাগৰ জিলা আৰ্চাৰী সন্থাৰ সম্পাদক চিত্ত ৰঞ্জন গগৈয়ে সন্থাৰ স্বীকৃতিপ্ৰাপ্ত ইউনিট সমূহক নিজা ইউনিটৰ খেলুৱৈসকলৰ অংশগ্ৰহণ অহা ১৬ জুলাইৰ ভিতৰত নিশ্চিত কৰিবলৈ আহ্বান জনাইছে। ইয়াৰ উপৰি জিলা সন্থাৰ নিয়মানুসৰি এই বাৰ্ষিক প্ৰতিযোগিতাত সন্থাৰ অন্তৰ্গত সকলো খেলুৱৈৰ অংশগ্ৰহণ বাধ্যতামূলক বুলিও উল্লেখ কৰা হৈছে।

# ড্ৰাগছ মুক্ত সমাজ গঢ়াৰ লক্ষ্যৰে ৰহাত "নিৰ্মাণ" নামৰ ৰিহাব চেণ্টাৰৰ শুভ উদ্বোধন

**অসম বাৰ্তা, ৰহা, ১৬ জুন ঃ** ড্ৰাগছ, নিচাজাতীয় সামগ্ৰীৰ পৰা যুৱ প্ৰজন্মক পুনঃ উদ্ধাৰ কৰিবলৈ ৰহা টোলগেটৰ পৰা ১ কিঃমিঃ নিলগত "নিৰ্মাণ" নামৰ ৰিহাব চেণ্টাৰখনৰ শুভাৰম্ভ কৰা হয়। উক্ত ৰিহাব চেণ্টাৰটো যুটীয়াভাৱে ফিটা কাটি শুভ উদ্বোধন কৰে ৰহা পৌৰ সভাৰ উপ পৌৰপতি অনিমা দাসে আৰু সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি সঞ্জয় কুমাৰ কাকতিয়ে। হৰি নামৰ ধ্বনিৰে মুকলি কৰা হয় নিৰ্মাণ নামৰ নিচামুক্তি কেন্দ্ৰটো। বৰ্তমান সমাজখনত যুৱ প্ৰজন্মক ড্ৰাগছ, মাদকদ্ৰব্য, নিচাজাতীয় সামগ্ৰীয়ে ধ্বংসৰ গৰাললৈ ঠেলি দিছে আৰু বহুতো যুৱকৰ মৃত্যু পৰ্যন্ত হৈ আছে। তাক দেখি নিচাসক্ত যুৱকসকলক পুনৰ সুস্থ অৱস্থাত ঘূৰাই আনিবলৈ বাবে এতিয়া ৰহাবাসীৰ এক আনন্দৰ বাৰ্তা। নিৰ্মাণ ৰিহাব চেণ্টাৰটোত অতি অভিজ্ঞ চিকিৎসক থকাৰ লগতে নিচাসক্ত ৰোগীক ভালকৈ চোৱা চিতাৰ দায়িত্ব গ্ৰহণ কৰিব নিৰ্মাণ ৰিহাব চেণ্টাৰটোৰ স্বত্বাধিকাৰ মুহিত দত্তই। লগতে মানসিক আৰু শাৰীৰিক ভাবে অসুস্থ ৰোগীক ভালকৈ সুস্থ কৰি আপোনাৰ সন্তানটিক পুনৰ নতুন জগতত প্ৰৱেশ কৰাবলৈ সাজু মুহিত দত্তই।

# অভিজ্ঞানম কলা কেন্দ্ৰৰ উদ্যোগত আয়োজিত তিনিদিনীয়া বিনামূলীয়া সংগীত কৰ্মশালাৰ সফল সামৰণি

**অসম বাৰ্তা, নলবাৰী, ১৬ জুন ঃ** নলবাৰী জিলাৰ বুদ্ৰুকুছিস্থিত অভিজ্ঞানম কলা কেন্দ্ৰৰ উদ্যোগত অসমৰ দুগৰাকী কিংবদন্তি শিল্পী ড° ভূপেন হাজৰিকা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতৰ ওপৰত ভিত্তি কৰি আয়োজিত তিনিদিনীয়া বিনামূলীয়া সংগীত কৰ্মশালাৰ আজি সফলতাৰে সামৰণি পৰে। যোৱা ১৪, ১৫ আৰু ১৬ জুলাই তাৰিখে অভিজ্ঞানম ৰাজহুৱা ন্যাসৰ কাৰ্যালয়, খাদি চ'ক, বুদ্ৰুকুছিত অনুষ্ঠিত এই কৰ্মশালাত প্ৰায় ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। তিনিদিন ধৰি অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত ড° ভূপেন হাজৰিকা আৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ কালজয়ী গীতসমূহৰ সুৰ, তাল, গায়নশৈলী, উচ্চাৰণ আৰু সাংস্কৃতিক মূল্যবোধৰ ওপৰত বিস্তৃত প্ৰশিক্ষণ প্ৰদান কৰা হয়। কৰ্মশালাৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নেহৰু যুৱ কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত বিষয়া গোপীনাথ মেধি। অনুষ্ঠানটো সাংস্কৃতিক কৰ্মী পৰেশ শৰ্মাই আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে। কৰ্মশালাত প্ৰশিক্ষক হিচাপে সংগীত শিক্ষক দীপক মেধি, কিশোৰ কুমাৰ শৰ্মা আৰু তবলা শিক্ষক নৱদ্বীপ বৰকটকী উপস্থিত থাকি অংশগ্ৰহণকাৰী সকলক প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানটোৰ আঁত ধৰে আশা শ্ৰী সংগীত বিদ্যালয়ৰ অধ্যক্ষ হিতেশ বেজবৰুৱাই। তেওঁ কৰ্মশালাৰ উদ্দেশ্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰি ভৱিষ্যতেও এনে সাংস্কৃতিক আৰু সৃষ্টিশীল কাৰ্যসূচী অব্যাহত ৰখাৰ আশা ব্যক্ত কৰে। কৰ্মশালাৰ মূল উদ্দেশ্য আছিল অসমৰ এই দুগৰাকী মহান শিল্পীৰ সংগীত-ঐতিহ্য নতুন প্ৰজন্মৰ মাজত সংৰক্ষণ, প্ৰচাৰ আৰু জনপ্ৰিয় কৰি তোলাৰ লগতে সংগীতচৰ্চাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰা। তিনিদিনীয়া এই কৰ্মশালাই অংশগ্ৰহণকাৰী সকলৰ মাজত যথেষ্ট সঁহাৰি লাভ কৰে। শেষত আয়োজক সকলে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰায় ৩৫ গৰাকী ছাত্ৰ-ছাত্ৰী, অতিথি, প্ৰশিক্ষক, শুভাকাঙ্ক্ষী আৰু সহযোগী সকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে অংশগ্ৰহণ কৰা ছাত্ৰ ছাত্ৰীসকলক শুভেচ্ছা পত্ৰ প্ৰদান কৰে।

# সাহপুৰ ৰাজঘাটত বিশিষ্ট শিক্ষাবিদ সাহিত্যিক সমাজ সংগঠক, অৱসৰী অধ্যক্ষ ৰাজেন্দ্ৰ নাথ চক্ৰৱৰ্তীৰ চতুৰ্থ মৃত্যু বাৰ্ষিকত শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান

## 'কবিতাৰ এসন্ধ্যা' অনুষ্ঠান সম্পন্ন

**অসম বাৰ্তা, চামতা, ১৬ জুন ঃ** চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰি অধ্যক্ষ, কবি সাহিত্যিক, সমাজ সংগঠক, মানৱ দৰদী হোমিঅ' চিকিৎসক প্ৰয়াত ৰাজেন্দ্ৰ নাথ চক্ৰৱৰ্তী আজি চতুৰ্থ মৃত্যু বাৰ্ষিকৰ দিনটো সাহপুৰ ৰাজঘাটস্থ ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ উদ্যোগত প্ৰয়াত চক্ৰৱৰ্তী চাৰৰ পৰিয়াল বৰ্গৰ সহযোগত অনুষ্ঠিত কৰা হয়। কবিতাৰ এসন্ধ্যা অনুষ্ঠান উদ্বোধন কৰে অৱসৰি শিক্ষক তথা চিত্ৰ ভাস্কৰ্য শিল্পী হৃদয়ানন্দ শৰ্মাই। ইয়াৰ আগে-আগে চক্ৰৱৰ্তীদেৱৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উত্তৰ ধৰ্মপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰি অধ্যক্ষ কবি সাহিত্যিক ভুৱনেশ্বৰ ডেকাই। ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ সভাপতি দীপক কুমাৰ শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত কবিতা পাঠৰ অনুষ্ঠানত কবি গণেশ বৰ্মন, দ্বীপেন মেনা, দিলীপ তালুকদাৰ, প্ৰতুল শৰ্মা, হৰেন বৰ্মন, নিৰোদ শৰ্মা, বুবুল কমাৰ শৰ্মা, ৰাজেন বৈশ্য, প্ৰদীপ কুমাৰ বৰ্মন, মনোজ কুমাৰ চক্ৰৱৰ্তী, গজেন্দ্ৰ মোহন মজুমদাৰ, ড° জয়ন্ত কুমাৰ শৰ্মা, ভুৱনেশ্বৰ ডেকা, দীপক কুমাৰ শৰ্মা, ৰাজীৱ দত্ত কবিতা পাঠ কৰে। স্মৃতিচাৰণ ভাষণ প্ৰদান কৰে হৃদয়ানন্দ শৰ্মাই। পৰিয়ালৰ তৰফৰ পৰা ভাষণ প্ৰদান কৰে চক্ৰৱৰ্তী চাৰৰ জ্যেষ্ঠ পুত্ৰ অৱসৰি শিক্ষক অমৰেন্দ্ৰ চক্ৰৱৰ্তীয়ে। অনুষ্ঠানৰ শেষত লোক শিল্পী ঘন কান্ত বৈশ্যই এটি গীত আৰু মিমিক্ৰি শিল্পী গৌতম বৰ্মনে দৰ্শকৰ বাবে বিশিষ্ট ব্যক্তিৰ ভাষণৰ মিমিক্ৰি কৰি সকলোকে আমোদিত কৰে।

# লংকাত মীন বিভাগৰ অভিযানত ৬০০ কিলোগ্ৰাম নিষিদ্ধ থাইলেণ্ড মাগুৰসহ টাটা ম'বাইল জব্দ

**অসম বাৰ্তা, লংকা, ১৬ জুন ঃ** হোজাই জিলাৰ লংকাৰ উদালীত মীন বিভাগে উদালী আৰক্ষীৰ সহযোগত চলোৱা এক বিশেষ অভিযানত প্ৰায় ৬০০ কিলোগ্ৰাম নিষিদ্ধ থাইলেণ্ড মাগুৰসহ এখন (নং: NL-07-AA-5900) টাটা ম'বাইল বাহন জব্দ কৰিবলৈ সক্ষম হয়। গোপন সূত্ৰৰ ভিত্তিত চলোৱা এই অভিযানত এজন ব্যক্তিৰ পুখুৰীৰ পৰা মাগুৰ মাছসমূহ বাহনত উঠাই থকাৰ সময়তে বিভাগীয় দলটোৱে হাতে-লোটে জব্দ কৰে। জানিব পৰা মতে, জব্দকৃত থাইলেণ্ড মাগুৰখিনি নাগালেণ্ডলৈ সৰবৰাহ কৰাৰ পৰিকল্পনা কৰিছিল এক অসাধু চক্ৰই। অভিযানৰ পাছতে মাছসমূহ আৰু বাহনখন উদালী আৰক্ষী পহৰা চকীলৈ লৈ যোৱা হয় আৰু প্ৰয়োজনীয় আইনী ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হয়। উল্লেখ্য যে, ৰাজ্যত পৰিৱেশ, জৈৱ বৈচিত্ৰ্য আৰু থলুৱা মাছৰ প্ৰজাতি সংৰক্ষণৰ স্বাৰ্থত থাইলেণ্ড মাগুৰৰ পালন, বিক্ৰী আৰু সৰবৰাহ নিষিদ্ধ। সেয়েহে এনে অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে মীন বিভাগে নিয়মীয়াভাৱে অভিযান অব্যাহত ৰাখিছে। ইফালে, ঘটনাটোৰ সৈতে জড়িত ব্যক্তি আৰু সম্ভাব্য সৰবৰাহ চক্ৰৰ সন্ধানত বিভাগীয় কৰ্তৃপক্ষই তদন্ত অব্যাহত ৰাখিছে।

# মাজুলীত শোকাৱহ ঘটনা; পুখুৰীত গা ধুবলৈ গৈ ১৩ বছৰীয়া কিশোৰৰ কৰুণ মৃত্যু

**অসম বাৰ্তা উজনী মাজুলী, ১৬ জুন ঃ** মাজুলীত এক শোকাৱহ ঘটনাই আজি সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পেলাইছে। জিলাখনৰ বঙালকটা গাঁৱত পুখুৰীৰ পানীত ডুব গৈ ১৩ বছৰীয়া এজন কিশোৰৰ কৰুণ মৃত্যু ঘটে। জানিব পৰা মতে, আজি প্ৰচণ্ড গৰমৰ বাবে বঙালকটা গাঁৱঁৰ মিণ্টু দাসৰ পুত্ৰ মানস দাস নামৰ কিশোৰজন গাঁৱৰ এটা পুখুৰীত গা ধুবলৈ গৈছিল। গা ধুই থকা অৱস্থাত তেওঁ পানীত ডুব যায়। কিছু সময় পিছত স্থানীয় লোকে ঘটনাটো প্ৰত্যক্ষ কৰি ততাতৈয়াকৈ কিশোৰজনক পানীৰ পৰা উদ্ধাৰ কৰে যদিও তেতিয়ালৈকে তেওঁৰ মৃত্যু হৈছিল। পিছত কিশোৰ জনক মৰণোত্তৰ পৰীক্ষাৰ বাবে গড়মুৰ জিলা চিকিৎসালয়লৈ নিয়ে পৰিয়ালৰ লোকে। এই হৃদয়বিদাৰক ঘটনাই পৰিয়ালটোৰ লগতে সমগ্ৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে।

## সম্পাদকীয়

# বজাৰৰ অসহনীয় মূল্যবৃদ্ধি; ৰাইজৰ হাহাকাৰ আৰু চৰকাৰ

অসমৰ বজাৰত এতিয়া এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। প্ৰতিদিনেই যেন নতুন নতুন সামগ্ৰীৰ মূল্য বৃদ্ধিৰ বাতৰিয়ে ৰাইজক আতংকিত কৰি তুলিছে। চাউল, মিঠাতেল, চেনি, পিঁয়াজএই মূল্যবৃদ্ধিৰ ফলত ৰাইজৰ ক্ষোভ চৰম সীমাত উপনীত হৈছে। বিভিন্ন ৰাজনৈতিক দল আৰু ছাত্ৰ সংগঠনে ইতিমধ্যে প্ৰতিবাদৰ মুখৰেলি তুলিছে। অসম সাহিত্য সভাৰ দৰে সংগঠনেও চৰকাৰৰ ভূমিকা সম্পৰ্কে প্ৰশ্ন উত্থাপন কৰিছে। অসম গণ পৰিষদে ৰাইজৰ দুৰৱস্থাৰ কথা উল্লেখ কৰি চৰকাৰক কঠোৰ পদক্ষেপ ল'বলৈ আহ্বান জনাইছে। কৃষক মুক্তি সংগ্ৰাম সমিতিয়েও মূল্যবৃদ্ধি ৰোধ কৰিবলৈ চৰকাৰক হুংকাৰ দিছে।

কিন্তু প্ৰশ্ন উঠিছে- যোগান বিভাগ আৰু চৰকাৰে এই পৰিস্থিতিৰ বাবে কিমান দায়ী? ৰাইজৰ প্ৰশ্ন- কিয় বজাৰসমূহত উচিত নিৰীক্ষণ চলোৱা নাই? কিয় এই অনিয়ন্ত্ৰিত মূল্যবৃদ্ধি ৰোধ কৰিবলৈ কোনো কঠোৰ পদক্ষেপ লোৱা নাই? চৰকাৰে যদিও বজাৰ নিৰীক্ষণ কৰাৰ কথা ঘোষণা কৰিছে, তথাপি ৰাইজে সেই পদক্ষেপৰ প্ৰতিফলন দেখিবলৈ পোৱা নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বজাৰ নিৰীক্ষণ পদ্ধতিৰ পুনৰীক্ষণ কৰি কঠোৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিছে, লগতে অস্বাভাৱিক মূল্যবৃদ্ধিৰ বাবে ব্যৱসায়ীৰ লাইচেন্স বাতিল কৰাৰো সতৰ্কবাণী দিছে। কিন্তু এই সতৰ্কবাণী কিমানদূৰ প্ৰয়োগ কৰা হৈছে?

আনফালে, অৰ্থনীতিবিদসকলে এই মূল্যবৃদ্ধিৰ কাৰণ হিচাপে বিশ্ববজাৰৰ অস্থিৰতা, ইন্ধনৰ দাম বৃদ্ধি, যোগান শৃংখলৰ সমস্যা, আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱকে দায়ী কৰিছে। কিন্তু এই কাৰণবোৰেও ৰাইজৰ দুৰ্দশা কমাবলৈ সক্ষম নহয়। যেতিয়া এজন সাধাৰণ মানুহৰ দৈনন্দিন খাদ্যৰ খৰচ ইমান বৃদ্ধি পায়, তেতিয়া তেওঁৰ বাবে এই বৈশ্বিক কাৰণবোৰ গৌণ হৈ পৰে। এই পৰিস্থিতিৰ পৰা উত্তৰণৰ বাবে চৰকাৰে তৎক্ষণাত কেইবাটাও পদক্ষেপ ল'বই লাগিব। প্ৰথমতে, যোগান শৃংখল সুদৃঢ় কৰি বজাৰত সামগ্ৰীৰ যোগান নিশ্চিত কৰিব লাগিব। দ্বিতীয়তে, কৃত্ৰিম মূল্যবৃদ্ধি ৰোধ কৰিবলৈ বজাৰ নিৰীক্ষণ কঠোৰভাৱে প্ৰয়োগ কৰিব লাগিব। তৃতীয়তে, নিম্নবিত্ত পৰিয়ালসমূহক ৰেহাই দিবলৈ ৰেচন ব্যৱস্থা কৰি সুবিধাবঞ্চিতসকললৈ সুলভ মূল্যত সামগ্ৰী প্ৰদান কৰিব লাগিব। অসম চৰকাৰে ইতিমধ্যে NFSA ৰেচন কাৰ্ডধাৰীসকললৈ আগষ্ট মাহৰ পৰা অনুদানপ্ৰাপ্ত মছুৰ দাইল আৰু চেনি বিতৰণ কৰাৰ ঘোষণা কৰিছে। কিন্তু ইয়াতেই শেষ নহয়- মিঠাতেলকে ধৰি আন অত্যাৱশ্যকীয় সামগ্ৰীও এই সুবিধাৰ আওতালৈ আনিব লাগিব। লগতে সকলো খুচুৰা আৰু পাইকাৰী দোকানত সামগ্ৰীৰ দাম স্পষ্টভাৱে প্ৰদৰ্শন কৰাটো বাধ্যতামূলক কৰা হৈছে, কিন্তু ইয়াৰ সফল কাৰ্যকৰীকৰণেই প্ৰকৃত প্ৰত্যাহ্বান।

অসমৰ ৰাইজে এটা কঠিন পৰিস্থিতিৰ মাজেৰে পাৰ হৈছে। চাউল, মিঠাতেল, চেনি, পিঁয়াজ- এই সামগ্ৰীসমূহ আমাৰ দৈনন্দিন জীৱনৰ অংগ। যেতিয়া এই সামগ্ৰীসমূহ সাধাৰণ মানুহৰ গ্ৰাহ্যশক্তিৰ বাহিৰত হৈ পৰে, তেতিয়া সমাজৰ ভিতৰত অস্থিৰতা বৃদ্ধি পায়। অসমৰ ৰাইজে সঠিক সময়তে সঠিক পদক্ষেপ বিচাৰিছে। চৰকাৰ আৰু যোগান বিভাগে যদি এই প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ সক্ষম নহয়, তেন্তে অনাগত দিনত পৰিস্থিতি আৰু বেয়া হ'ব পাৰে।

এতিয়া সময় আহি পৰিছে চৰকাৰে গুৰুত্ব সহকাৰে এই বিষয়টো নিৰীক্ষণ কৰাৰ। অসমৰ ৰাইজৰ সুখ-দুখৰ কথা চিন্তা কৰি, তেওঁলোকৰ দৈনন্দিন জীৱন সহজ কৰি তোলাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ ল'ব লাগিব। কেৱল সতৰ্কবাণী বা ঘোষণাই নহয়, বাস্তৱ কাৰ্যকৰী পদক্ষেপেই হ'ব পাৰে এই সংকটৰ সমাধান। অন্যথা, আগন্তুক দিনবোৰত ৰাইজৰ হাহাকাৰৰ মাত্ৰা আৰু বাঢ়িব আৰু চৰকাৰৰ ওপৰত ৰাইজৰ আস্থা হ্ৰাস পাব- সেই দিনটো যেন কাকো নালাগে।



# অসম বিধানসভাত অখিল গগৈৰ প্ৰাসংগিকতা



চন্দন কুমাৰ নাথ

গণতন্ত্ৰৰ মূল আধাৰ হৈছে এক শক্তিশালী, সজাগ আৰু দায়বদ্ধ বিৰোধী পক্ষ। এখন সুস্থ গণতান্ত্ৰিক ব্যৱস্থাত শাসকীয় দলৰ সমান্তৰালভাৱে বিৰোধী দলৰ ভূমিকাও সমানেই গুৰুত্বপূৰ্ণ। অসমৰ দৰে এখন বৈচিত্ৰ্যময় আৰু স্পৰ্শকাতৰ ৰাজ্যত, য'ত খিলঞ্জীয়াৰ অধিকাৰ, বানপানী, নিবনুৱা সমস্যা, আৰু জাতিগত পৰিচয়ৰ দৰে অসংখ্য জ্বলন্ত সমস্যাই অহৰহ ক্ৰিয়া কৰি থাকে, তাত বিধানসভাত বিৰোধীৰ ভূমিকা কেৱল চৰকাৰৰ বিৰোধিতা কৰাতেই আৱদ্ধ নাথাকে। বৰঞ্চ জনসাধাৰণৰ প্ৰকৃত সমস্যাসমূহক প্ৰতিফলিত কৰাত নিহিত থাকে। শেহতীয়া সময়ছোৱাত অসম বিধানসভাত বিৰোধী দলসমূহৰ, বিশেষকৈ শিৱসাগৰ সমষ্টিৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখিল গগৈৰ ভূমিকা ৰাজ্যখনৰ ৰাজনৈতিক প্ৰেক্ষাপটত বিশ্লেষক হিচাপে তেওঁৰ সংসদীয় যাত্ৰা আৰু বিধানসভাত তেওঁ গ্ৰহণ কৰা স্থিতিক বিশ্লেষণ কৰিলে দেখা যায় যে তেওঁ কেৱল এজন বিধায়কেই নহয়, বৰঞ্চ শাসকীয় পক্ষৰ বাবে এক শক্তিশালী প্ৰত্যাহ্বান হিচাপে থিয় দিছে।

অসম বিধানসভাৰ বৰ্তমানৰ প্ৰেক্ষাপটত বিৰোধীৰ স্থিতি অতিশয় গুৰুত্বপূৰ্ণ। শাসকীয় মিত্ৰজোঁটে এক বৃহৎ সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ চলাই থকাৰ পৰিপ্ৰেক্ষিতত বিধানসভাত বিৰোধীৰ কণ্ঠ বহুত সময়ত ক্ষীণ হোৱাৰ আশংকা থাকে। এনে এক পৰিৱেশত সাংবিধানিক আৰু সংসদীয় পৰিকাঠামোৰ ভিতৰত থাকি চৰকাৰক জবাবদিহি কৰিবলৈ বিশেষ ৰাজনৈতিক সাহসিকতা আৰু তথ্যসমৃদ্ধ যুক্তিৰ প্ৰয়োজন হয়। কংগ্ৰেছকে ধৰি বিৰোধী মিত্ৰজোঁটে সদনৰ মজিয়াত বিভিন্ন সময়ত চৰকাৰৰ নীতিসমূহৰ সমালোচনা কৰি আহিছে যদিও, অখিল গগৈৰ সক্ৰিয়তা আৰু বিষয়বস্তু উপস্থাপনৰ শৈলীয়ে এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ জৰিয়তে ৰাজপথৰ পৰা সংগ্ৰাম আৰম্ভ কৰি কাৰাগাৰৰ পৰাই নিৰ্বাচনত জয়লাভ কৰি বিধানসভাত প্ৰৱেশ কৰা গগৈৰ বাবে এই যাত্ৰা কেৱল এক পদবীৰ পৰিৱৰ্তন নহয়, বৰঞ্চ জনসাধাৰণৰ ক্ষোভ আৰু আশাক সাংবিধানিক মজিয়াত উপস্থাপন কৰাৰ এক বৃহৎ দায়িত্ব। বিধানসভাৰ অধিৱেশনসমূহত অখিল গগৈৰ ভূমিকা পৰ্যবেক্ষণ কৰিলে দেখা যায় যে তেওঁ সদায় তৃণমূল পৰ্যায়ৰ সমস্যাসমূহক প্ৰাধান্য দি আহিছে। এজন বিধায়ক হিচাপে তেওঁৰ প্ৰশ্নসমূহ সাধাৰণতে কৃষি, কৃষকৰ অধিকাৰ, ভূমি নীতি, আৰু দুৰ্নীতিৰ বিৰুদ্ধে কেন্দ্ৰীভূত হয়। শেহতীয়া এক সংবাদ অনুসৰি, জুলাই মাহত অসম বিধানসভাৰ অধিৱেশনত ৰাজ্যখনৰ ছয় জনগোষ্ঠীক অনুসূচিত জনজাতি (ST) মৰ্যাদা প্ৰদানৰ দাবীত বিৰোধীয়ে গ্ৰহণ কৰা স্থিতিত অখিল গগৈয়ে এক নিৰ্ণায়ক ভূমিকা পালন কৰিছিল। মৰাণ, মটক, চুতীয়া, টাই আহোম, কোচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া জনজাতিকৰণৰ দাবীৰ বিষয়টো সদনত উত্থাপন কৰি বিৰোধী দলপতিৰ সমান্তৰালভাৱে অখিল গগৈয়ে চৰকাৰক তীব্ৰ প্ৰশ্নবাণেৰে থকা-সৰকা কৰিছিল। যেতিয়া জনজাতি পৰিক্ৰমা মন্ত্ৰীয়ে এই প্ৰক্ৰিয়াৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা বান্ধি দিবলৈ অস্বীকাৰ কৰে, তেতিয়া চৰকাৰৰ এই স্থিতিৰ তীব্ৰ বিৰোধিতা কৰি কংগ্ৰেছ বিধায়কসকলৰ লগতে ৰাইজৰ দলৰ বিধায়ক গগৈয়ে সদন ত্যাগ কৰে। এই ঘটনাই প্ৰমাণ কৰে যে তেওঁ কেৱল প্ৰতিশ্ৰুতিৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰৰ পৰা স্পষ্ট উত্তৰ আৰু কাৰ্য্যকৰী পদক্ষেপ বিচাৰে। ইয়াৰ উপৰিও, ৰাজ্যৰ ভূমি নীতি আৰু খিলঞ্জীয়াৰ অধিকাৰৰ ক্ষেত্ৰতো অখিল গগৈৰ স্থিতি অতিশয় কঠোৰ। শেহতীয়াকৈ কৰ্পোৰেট গোষ্ঠীৰ হাতত ৰাজ্যৰ খিলঞ্জীয়াৰ ভূমি গতাই দিয়াৰ চৰকাৰী প্ৰচেষ্টাৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ পৰিছিল। বিধানসভাৰ বাহিৰত আৰু ভিতৰত ক'লা পোছাক পৰিধান কৰি প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰা গগৈয়ে জনজাতীয় নেতা আৰু কৃষক নেতাসকলৰ গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা কৰিছিল। গুৱাহাটী আৰু শিৱসাগৰত হোৱা ভয়ংকৰ কৃত্ৰিম বানপানীৰ সমস্যাক লৈয়ো তেওঁ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট বিভাগক তীব্ৰ সমালোচনা কৰিছিল। বানপানী সমস্যাৰ দৰে সাধাৰণ ৰাইজৰ জীৱন-জীৱিকাৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিষয়বোৰ তেওঁ যিদৰে বিধানসভাত উপস্থাপন কৰে, সেয়া এক জনদৰদী বিৰোধী নেতাৰ পৰিচয় দাঙি ধৰে। তেওঁৰ এই কাৰ্যপন্থাৰ ফলত চৰকাৰে বহু সময়ত অস্বস্তিত পৰিবলগীয়া হয় আৰু বিষয়বোৰৰ ওপৰত স্পষ্টীকৰণ দিবলৈ বাধ্য হয়। অখিল গগৈৰ এই সংসদীয় দক্ষতাৰ আঁৰত আছে তেওঁৰ সুদীৰ্ঘ দিনৰ একনিষ্ঠ সংগ্ৰাম আৰু তথ্য জনাৰ অধিকাৰ (RTI) আইনৰ সক্ৰিয় ব্যৱহাৰ। দুৰ্নীতি উদঘাটন কৰাৰ যি অভিজ্ঞতা তেওঁৰ আছে, সেয়া তেওঁ বিধানসভাৰ মজিয়াত অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰে। চৰকাৰী পুঁজিৰ আৱণ্টন, উন্নয়নমূলক আঁচনিৰ ৰূপায়ণ আৰু বিভাগীয় খেলিমেলিৰ বিষয়ে তেওঁ সদনত যিবোৰ তথ্যসহকাৰে প্ৰশ্ন উত্থাপন কৰে, তাৰ উত্তৰ দিবলৈ গৈ বহু সময়ত বিভাগীয় মন্ত্ৰীসকল থমকি ৰ'বলগীয়া হয়। বিধানসভাত তেওঁ উত্থাপন কৰা প্ৰতিটো বিষয়ৰ আঁৰত থাকে গভীৰ অধ্যয়ন আৰু পৰিসংখ্যাৰ সমৰ্থন। শাসকীয় পক্ষৰ যিকোনো বিধেয়ক বা প্ৰস্তাৱৰ ওপৰত তেওঁ পুংখানুপুংখ বিশ্লেষণ আগবঢ়ায়, যিটো এক আদৰ্শ সংসদীয় বিতৰ্কৰ বাবে অতি প্ৰয়োজনীয়। অৱশ্যে, তেওঁৰ এই তীব্ৰ আৰু আপোচবিহীন শৈলীয়ে বহু সময়ত বিধানসভাৰ অধ্যক্ষ আৰু শাসকীয় দলৰ সৈতে সংঘাতৰ সৃষ্টি কৰে। উদাহৰণস্বৰূপে, বিধানসভাৰ প্ৰশ্নকালত তেওঁৰ সক্ৰিয়তা আৰু অতিৰিক্ত প্ৰশ্ন সোধাৰ আগ্ৰহে বহুবাৰ বিতৰ্কৰ সৃষ্টি কৰিছে। কেতিয়াবা অধ্যক্ষই তেওঁক সংযত হ'বলৈ পৰামৰ্শ দিবলগীয়া হয় আৰু আনকি "সদনৰ ভিতৰত আন্দোলনৰ নিয়ম চলিব নোৱাৰে" বুলি মন্তব্য কৰি তেওঁক মাৰ্শ্বালৰ জৰিয়তে সদনৰ পৰা নিলম্বন কৰাৰ দৰে ঘটনাও সংঘটিত হৈছে। এনে পৰিস্থিতিয়ে এক গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰে যে বিধানসভাৰ নিৰ্ধাৰিত নীতি-নিয়মৰ মাজেৰে এজন সংগ্ৰামী নেতাই নিজৰ ক্ষোভ আৰু জনসাধাৰণৰ দাবী কেনেদৰে প্ৰকাশ কৰিব পাৰে?

এগৰাকী বিশ্লেষকৰ দৃষ্টিকোণৰ পৰা চালে দেখা যায় যে অখিল গগৈয়ে বিধানসভাক কেৱল আইন প্ৰণয়নৰ স্থান হিচাপেই নহয়, বৰঞ্চ জনসাধাৰণৰ অধিকাৰৰ সপক্ষে মাত মাতিবলৈ এক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। তেওঁৰ উপস্থিতিয়ে বিৰোধী শিবিৰক এক নতুন শক্তি আৰু গতিশীলতা প্ৰদান কৰিছে। যি সময়ত বিৰোধীৰ আন নেতাসকল কেতিয়াবা ৰাজনৈতিক বাধ্যবাধকতাৰ বাবে মৌন হৈ পৰে, সেই সময়ত অখিল গগৈৰ একমাত্ৰ কণ্ঠই সমগ্ৰ সদনত প্ৰতিধ্বনিত হয়। তেওঁৰ এই নিৰ্ভীক স্থিতিৰ বাবেই তেওঁক অসমৰ সংসদীয় ৰাজনীতিৰ এক ব্যতিক্ৰমী চৰিত্ৰ হিচাপে গণ্য কৰা হয়। অৱশ্যে, তেওঁৰ সমালোচকসকলে যুক্তি দৰ্শায় যে তেওঁৰ পদ্ধতিসমূহ কেতিয়াবা অতিমাত্ৰা নাটকীয় আৰু সংসদীয় পৰম্পৰাৰ পৰিপন্থী হৈ পৰে, যিয়ে সদনৰ কাম-কাজত ব্যাঘাত জন্মায়। তথাপিও, এই কথা অনস্বীকাৰ্য যে তেওঁ উত্থাপন কৰা বিষয়সমূহ সমাজৰ একেবাৰে নিম্ন শ্ৰেণীৰ লোকসকলৰ লগত পোনপটীয়াকৈ জড়িত। অসমৰ জাতীয়তাবাদ আৰু আঞ্চলিকতাবাদৰ প্ৰসংগটো সদনত সজীৱ কৰি ৰখাৰ ক্ষেত্ৰতো অখিল গগৈৰ অৱদান অনস্বীকাৰ্য। তেওঁৰ ধাৰাবাহিকতা আন এক সুকীয়া বৈশিষ্ট্য। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতিসমূহ তেওঁ পাহৰি যোৱা নাই; বৰঞ্চ সেইবোৰক বিধানসভাৰ মজিয়াত অহৰহ সজীৱ কৰি ৰাখিছে। কাৰাগাৰৰ পৰা মুকলি হোৱাৰ পিছৰে পৰা তেওঁ ইউ এ পি এ (UAPA) ৰ দৰে সন্ত্ৰাসবাদ বিৰোধী আইনৰ অপব্যৱহাৰৰ বিৰুদ্ধে সৰৱ হৈ আহিছে আৰু এই আইনৰ অধীনত বন্দী হৈ থকা নিৰ্দোষী লোকসকলৰ মুকুতিৰ দাবী জনাই আহিছে। তেওঁৰ এই স্থিতিয়ে মানৱ অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰতো এক স্পষ্ট বাৰ্তা প্ৰেৰণ কৰে। গণতান্ত্ৰিক ব্যৱস্থাত একমাত্ৰ সংখ্যাৰ বলতেই সকলো সিদ্ধান্ত লোৱা উচিত নহয়; তাত যুক্তি আৰু জনসাধাৰণৰ সন্মতিৰ প্ৰয়োজন। অসম বিধানসভাত শাসকীয় দলৰ বৃহৎ সংখ্যাৰ বিপৰীতে বিৰোধীৰ সংখ্যা তাকৰ হ'লেও, অখিল গগৈৰ দৰে নেতাই প্ৰমাণ কৰিছে যে কেৱল মাত্ৰ এজন নিষ্ঠাৱান আৰু প্ৰখৰ ইচ্ছাশক্তিসম্পন্ন বিধায়কেও চৰকাৰক জবাবদিহি কৰিব পাৰে। তেওঁৰ কাৰ্যকালত বিধানসভাত হোৱা বিতৰ্কসমূহে প্ৰমাণ কৰে যে গণতন্ত্ৰ এতিয়াও জীৱন্ত। যেতিয়ালৈকে সদনত জনসাধাৰণৰ স্বাৰ্থত মাত মাতিবলৈ এনে সক্ৰিয় বিৰোধী নেতা থাকিব, তেতিয়ালৈকে চৰকাৰে একপক্ষীয়ভাৱে সিদ্ধান্ত লোৱাৰ পূৰ্বে দুবাৰ ভাবিবলৈ বাধ্য হ'ব।

অসম বিধানসভাত বিৰোধী দল আৰু বিশেষকৈ অখিল গগৈৰ ভূমিকা কেৱল শাসক দলৰ ত্ৰুটি আঙুলিয়াই দিয়াতেই সীমাবদ্ধ নহয়; বৰঞ্চ ই এখন সুস্থ সমাজ আৰু স্বচ্ছ প্ৰশাসন গঢ়াৰ এক নিৰন্তৰ প্ৰচেষ্টা। তেওঁৰ ৰাজনৈতিক যাত্ৰা আৰু বিধানসভাত গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপে অসমৰ ৰাজনৈতিক ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰিছে। অনাগত দিনবোৰত তেওঁৰ এই সংগ্ৰামী আৰু আপোচবিহীন মনোভাৱে ৰাজ্যৰ সংসদীয় ৰাজনীতিত আৰু অধিক গভীৰ প্ৰভাৱ পেলাব বুলি আশা কৰিব পাৰি। এক সৱল বিৰোধী অবিহনে এখন ৰাজ্যৰ প্ৰকৃত উন্নয়ন অসম্ভৱ, আৰু এই দিশত অখিল গগৈৰ অৱদান অসমৰ ৰাজনৈতিক বুৰঞ্জীত সদায় গুৰুত্বপূৰ্ণ হৈ ৰ'ব।

> *যেতিয়া জনজাতি পৰিক্ৰমা মন্ত্ৰীয়ে এই প্ৰক্ৰিয়াৰ বাবে কোনো নিৰ্দিষ্ট সময়সীমা বান্ধি দিবলৈ অস্বীকাৰ কৰে, তেতিয়া চৰকাৰৰ এই স্থিতিৰ তীব্ৰ বিৰোধিতা কৰি কংগ্ৰেছ বিধায়কসকলৰ লগতে ৰাইজৰ দলৰ বিধায়ক গগৈয়ে সদন ত্যাগ কৰে। এই ঘটনাই প্ৰমাণ কৰে যে তেওঁ কেৱল প্ৰতিশ্ৰুতিৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰৰ পৰা স্পষ্ট উত্তৰ আৰু কাৰ্য্যকৰী পদক্ষেপ বিচাৰে। ইয়াৰ উপৰিও, ৰাজ্যৰ ভূমি নীতি আৰু খিলঞ্জীয়াৰ অধিকাৰৰ ক্ষেত্ৰতো অখিল গগৈৰ স্থিতি অতিশয় কঠোৰ। শেহতীয়াকৈ কৰ্পোৰেট গোষ্ঠীৰ হাতত ৰাজ্যৰ খিলঞ্জীয়াৰ ভূমি গতাই দিয়াৰ চৰকাৰী প্ৰচেষ্টাৰ বিৰুদ্ধে তেওঁ সৰৱ হৈ পৰিছিল। বিধানসভাৰ বাহিৰত আৰু ভিতৰত ক'লা পোছাক পৰিধান কৰি প্ৰতীকী প্ৰতিবাদ সাব্যস্ত কৰা গগৈয়ে জনজাতীয় নেতা আৰু কৃষক নেতাসকলৰ গ্ৰেপ্তাৰৰ তীব্ৰ বিৰোধিতা কৰিছিল। গুৱাহাটী আৰু শিৱসাগৰত হোৱা ভয়ংকৰ কৃত্ৰিম বানপানীৰ সমস্যাক লৈয়ো তেওঁ মুখ্যমন্ত্ৰী আৰু সংশ্লিষ্ট বিভাগক তীব্ৰ সমালোচনা কৰিছিল।*

# কাৰ্টুন আৰু ভিডিঅ' গেম শিশুৰ মানসিক উৎকৰ্ষৰ সাৰথি নে ব্যাধি?

সময়ৰ সোঁতত শৈশৱৰ সংজ্ঞা আৰু সঁজুলিবোৰ আচৰিত ধৰণে সলনি হৈছে। আমাৰ পুৰণি প্ৰজন্মৰ শৈশৱটো য'ত চোতালৰ ধূলি-বালি, গছৰ ছাঁ, জোনাক নিশাৰ সাধুকথা আৰু মুকলি পথাৰৰ ল'ৰা-ধপৰাৰ মাজত প্ৰাণৱন্ত হৈ আছিল; আজিৰ নৱপ্ৰজন্ম বা শিশুসকলৰ শৈশৱটো ঠিক তাৰ বিপৰীতে টেলিভিছনৰ ৰঙীন কাৰ্টুন চিৰিয়েল বা ম'বাইল-কম্পিউটাৰৰ ভিডিঅ' গেমৰ এক কৃত্ৰিম আৱেষ্টনীৰ মাজলৈ সংকুচিত হৈ পৰিছে। আজিকালি প্ৰায় প্ৰতিখন ঘৰৰে এটা অতি সাধাৰণ ছবি- ব্যস্ত অভিভাৱকে শিশুটিক অলপ শান্ত কৰি ৰাখিবলৈ বা ভাত কেইটা খুৱাবলৈ হাতত ম'বাইলটো তুলি দিয়ে। কিন্তু ইয়াৰ মাজতে এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন লুকুৱাই আছে- এই কাৰ্টুন বা ভিডিঅ' গেমসমূহে শিশুৰ মানসিক উৎকৰ্ষ সাধনত সঁচাকৈয়ে সহায় কৰিছে নে ই তেওঁলোকৰ কোমল মনটোক এক যান্ত্ৰিক জড়তালৈ ঠেলি দিছে নেকি বাৰু? ই এক গভীৰ প্ৰশ্ন?





কৌতূহল আৰু বৈজ্ঞানিক একাগ্ৰতাৰ সাৰথি ডিজিটেল মাধ্যমক আমি পোনপটিয়াকৈ সম্পূৰ্ণ বৰ্জন বা গৰিহণা দিব নোৱাৰোঁ। আধুনিক শিক্ষা আৰু মনস্তত্ত্ব বিজ্ঞানৰ কিছুমান গৱেষণাই দেখুৱাইছে যে যদিহে বিষয়বস্তু শিক্ষামূলক হয়, তেন্তে কাৰ্টুন আৰু ভিডিঅ' গেমে শিশুৰ মগজুৰ কাৰ্যক্ষমতা বৃদ্ধিত ইতিবাচক ভূমিকা ল'ব পাৰে।

সেয়েহে শিশুৰ ক্ষেত্ৰত সহায়ক হোৱা কিছু বিষয়বস্তু তলত দিয়া হ'ল —

১/ কল্পনাশক্তি আৰু ভাষাৰ বিকাশঃ—

এনিমেছন চিনেমা বা কিছুমান চিৰিয়েলে শিশুৰ কল্পনাক ডেউকা দিয়ে। মহাকাশ, বন্যপ্ৰাণী বা পঞ্চতন্ত্ৰৰ সাধু ভিত্তিক কাৰ্টুনবোৰে তেওঁলোকৰ শব্দভাণ্ডাৰ বৃদ্ধি কৰাৰ লগতে নতুন ভাষা শিকাৰ প্ৰক্ৰিয়াটো সহজ কৰি তোলে।

২/ কৌশলগত সিদ্ধান্ত গ্ৰহণৰ ক্ষমতাঃ—

বিশেষকৈ কিছুমান পাজল (Puzzle) বা কৌশলভিত্তিক ভিডিঅ' গেমে শিশুৰ সমস্যা সমাধানৰ ক্ষমতা বৃদ্ধি কৰে। কম সময়ৰ ভিতৰত কেনেকৈ খেলত লক্ষ্যত উপনীত হ'ব লাগে, তাৰ বাবে মগজুৱে যি খৰতকীয়া বিশ্লেষণ কৰিবলগীয়া হয়, সিয়ে শিশুৰ 'ৰিফ্লে'' আৰু মানসিক সজাগতা তীক্ষ্ণ কৰি তোলে।

প্ৰতিটো মুদ্ৰাৰে এটা ওলোটা পিঠি থকাৰ দৰে, এই মাধ্যমৰ অতিৰিক্ত ব্যৱহাৰ আৰু আসক্তিয়ে শিশুৰ মনস্তত্ত্বৰ ওপৰত এক ভয়ংকৰ আৰু দীৰ্ঘম্যাদী কু-প্ৰভাৱ পেলাই আহিছে। যিটো আটাইতকৈ চিন্তনীয় বিষয়।

১/ আক্ৰমণাত্মক আচৰণ আৰু হিংস্ৰতা— আজিকালিৰ বহুতো ভিডিঅ' গেম বা আধুনিক কাৰ্টুনত প্ৰচুৰ পৰিমাণে কটা-কটি, যুদ্ধ বা উগ্ৰ ধাউতি দেখুওৱা হয়। শিশুৰ কোমল অৱচেতন মনে এই দৃশ্যবোৰক অতি স্বাভাৱিক বুলি গ্ৰহণ কৰে আৰু লাহে লাহে তেওঁলোকৰ বাস্তৱ আচৰণতো এক খিংখিঙিয়া, জেদী আৰু আক্ৰমণাত্মক ভাৱ ফুটি উঠে।

২/ একাগ্ৰতাৰ অভাৱ —

টিভিত বা মোবাইলত চেকেণ্ডে চেকেণ্ডে সলনি হোৱা তীব্ৰ পোহৰ আৰু দ্ৰুত দৃশ্যবোৰ চাই থকাৰ বাবে শিশুৰ স্বাভাৱিক মন সংযোগ কৰাৰ ক্ষমতা কমি যায়। ইয়াৰ ফলত তেওঁলোকে পৰৱৰ্তী সময়ত কিতাপৰ পাতত বা শ্ৰেণীকোঠাৰ পাঠত দীৰ্ঘসময় ধৰি মনোযোগ ধৰি ৰাখিব নোৱাৰে।

৩/ সামাজিক আৰু শাৰীৰিক স্থবিৰতা—

বাস্তৱ জগতখন এৰি এই ভাৰ্চুৱেল পৃথিৱীত বিলীন হৈ থকাৰ বাবে শিশুসকল লাহে লাহে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ পৰা আঁতৰি এক আৱেগিক শূন্যতাৰ মাজত ডাঙৰ হয়। খেলপথাৰৰ অভাৱে তেওঁলোকক কায়িকভাৱে দুৰ্বল কৰাৰ লগতে মেদবহুলতা আৰু অনিদ্ৰাৰ দৰে শাৰীৰিক ৰোগৰ ফালে ঠেলি দিয়া পৰিলক্ষিত হয়।

দুয়োটা দিশ চালি- জাৰি চায় এক সমতুল্য বিশ্লেষণ আগবঢ়োৱা হ'ল —

*নিয়ন্ত্ৰণ এতিয়া কাৰ হাতত আছে?*

দেখা যায় যে কাৰ্টুন বা ভিডিঅ' গেম নিজে কেতিয়াও সম্পূৰ্ণ অপৰাধী নহয়। ই শিশুৰ বাবে মানসিক উৎকৰ্ষৰ সাৰথি হ'ব নে এক মানসিক ব্যাধি হ'ব- তাৰ চাবিকাঠি আচলতে নিয়ন্ত্ৰণকাৰী বা অভিভাৱকসকলৰ হাততহে থাকে। প্ৰযুক্তিবিদ্যা এক উত্তম সঁজুলি হ'ব পাৰে, কিন্তু তাক কেতিয়াও শিশুৰ 'অভিভাৱক' বা 'একমাত্ৰ সংগী' হ'বলৈ দিব নোৱাৰি। ইয়াত পৰিয়ালৰ ভূমিকা আটাইতকৈ গুৰুত্বপূৰ্ণ।

প্ৰথমতে, শিশুৰ টিভি বা ম'বাইল চোৱাৰ সময়সীমা দিনটোত ১ ঘণ্টাতকৈ বেছি হ'ব নালাগে। দ্বিতীয়তে, তেওঁলোকে কি চাই আছে বা কি গেম খেলি আছে, তাৰ ওপৰত তীব্ৰ নিৰীক্ষণ থাকিব লাগে। হিংস্ৰ খেলৰ সলনি শিক্ষামূলক আৰু গঠনমূলক এনিমেছন বা বাছি দিব লাগে।

শিপা আৰু প্ৰযুক্তিৰ সমন্বয় ডিজিটেল মনোৰঞ্জন আধুনিক যুগৰ এক বাস্তৱতা, ইয়াক সম্পূৰ্ণৰূপে নুই কৰা অসম্ভৱ। কিন্তু এটি শিশুৰ প্ৰকৃত আৰু সুস্থ মানসিক উৎকৰ্ষ তেতিয়াহে সম্ভৱ, যেতিয়া তেওঁ প্ৰযুক্তিৰ ব্যৱহাৰ কৰাৰ সমান্তৰালভাৱে নিজৰ মাটি, সংস্কৃতি আৰু প্ৰকৃতিৰ উশাহ ল'বলৈ সুযোগ পাব। ম'বাইলৰ কৃত্ৰিম স্ক্ৰীনখনৰ বাহিৰেও যে কিতাপৰ পাতত এক অপূৰ্ব পৃথিৱী আছে, আইতাক-ককাকৰ কোলাত সঁচা মৰম আৰু সাধুকথাৰ যাদু আছে, সেয়া শিশুটিক অনুভৱ কৰোৱাব লাগিব। যেতিয়া আমি ডিজিটেল মাধ্যমৰ গঠনমূলক ব্যৱহাৰ আৰু বাস্তৱ জীৱনৰ আৱেগিক শিক্ষাৰ মাজত এক সুন্দৰ ভাৰসাম্য ৰক্ষা কৰিব পাৰিম, তেতিয়াহে আমাৰ অনাগত প্ৰজন্মৰ মানসিক আৰু বৌদ্ধিক বিকাশ আচল অৰ্থত সুন্দৰ আৰু সুৰক্ষিত হৈ উঠিব।

*কল্পনা দত্ত*
*নুনমাটি, গুৱাহাটী*
*দূৰভাষ ঃ ৯৩৬৫৪৩৪৮০০*

# ভূত নে ভ্ৰম?

যুগ যুগ ধৰি মানৱ সমাজত আটাইতকৈ চৰ্চিত, ৰহস্যময় আৰু বিতৰ্কিত বিষয়বোৰৰ ভিতৰত অন্যতম হৈছে অলৌকিক শক্তিৰ অস্তিত্ব। ই যেন এক সুদূৰ অতীতৰ পৰা বৈ অহা কুঁৱলীৰ নদী, যাৰ সিপাৰে কি আছে কোনেও নাজানে। এন্ধাৰ নামি অহাৰ লগে লগে, যেতিয়া বাঁহ গছৰ পাতবোৰে বতাহত সৰসৰাই উঠে যেতিয়া জোনাকৰ পোহৰে গছৰ ছাঁবোৰক একো একোটা অদ্ভুত আকৃতি দিয়ে, তেতিয়াই মানুহৰ মনৰ নিভৃত কোণত সাৰ পাই উঠে এক আদিম শিহৰণ। এই শিহৰণেই 'ভূত'। একাংশ লোকৰ মতে ভূত সম্পূৰ্ণ সত্য আনহাতে যুক্তিবাদী আৰু বিজ্ঞানীসকলৰ মতে ই মানুহৰ মনৰ ভ্ৰম বা চকুৰ ভুল। এই 'ভূত নে ভ্ৰম'ৰ যুঁজখন কেৱল অন্ধবিশ্বাস আৰু বিজ্ঞানৰে নহয়, ই মানৱ মনস্তত্ত্ব আৰু আমাৰ মগজুৰ জটিল কাৰ্যপ্ৰণালীৰ সৈতেও গভীৰভাৱে জড়িত।

একবিংশ শতিকাৰ এই তথ্য-প্ৰযুক্তি আৰু বিজ্ঞানৰ যুগত বহিও যেতিয়া আমাৰ সমাজত অলৌকিকতা, ভূত-প্ৰেত বা 'ডাইনী'ৰ দৰে অন্ধবিশ্বাসে খোপনি পুতি থাকে, তেতিয়া ই আমাৰ সামগ্ৰিক চেতনাক এক ডাঙৰ প্ৰশ্নবোধক চিনৰ সন্মুখত থিয় কৰায়। আদিম কালৰে পৰা মানৱ সমাজত আটাইতকৈ চৰ্চিত আৰু বিতৰ্কিত বিষয়বোৰৰ ভিতৰত অন্যতম হৈছে 'ভূত'ৰ অস্তিত্ব। একাংশ লোকৰ বাবে ই অতি বাস্তৱ আৰু ভীতিপ্ৰদ অনুভৱ আনহাতে যুক্তিবাদী আৰু বিজ্ঞানীসকলৰ মতে ই কেৱল চকুৰ ভুল বা মনৰ বিকাৰ। প্ৰশ্ন হয়, বিজ্ঞানৰ ইমান জয়যাত্ৰাৰ পিছতো মানুহৰ মনৰ পৰা ভূতৰ ধাৰণাটো কিয় মচি পেলাব পৰা হোৱা নাই? ই সঁচাকৈয়ে কোনো অদৃশ্য শক্তি নে মানৱ মগজুৱে ৰচা এক জটিল মায়াজাল?

বিজ্ঞানৰ দৃষ্টিৰে বিশ্লেষণ কৰিলে দেখা যায় যে ইয়াৰ আঁৰত 'পেৰাইডোলিয়া' নামৰ মগজুৰ এক স্বাভাৱিক প্ৰৱণতা থকাটো সম্ভৱ, য'ত মানুহে যিকোনো অস্পষ্ট আকৃতিত চিনাকি মুখ বা অৱয়ব দেখা পায়। একেদৰে, মাজনিশা বুকুত কোনোবাই হেঁচি ধৰা অনুভৱ বা লৰচৰ কৰিব নোৱাৰা অৱস্থাটোক (শ্লিপ পেৰালাইচিচ) যি ভৌতিক বা 'চেপা দিয়া' বুলি ভবা হৈছিল, চিকিৎসাবিজ্ঞানে প্ৰমাণ কৰিলে যে সেয়া কেৱল টোপনি আৰু সাৰ পোৱাৰ মাজৰ এক ক্ষন্তেকীয়া স্নায়ৱিক খেলহে মাথোঁ। আনকি পৃথিৱীত এনে কিছুমান অতি নিম্ন কম্পনাংকৰ শব্দ আছে, যিবোৰ কাণেৰে নুশুনিলেও আমাৰ হৃদযন্ত্ৰ আৰু চকুৰ মণি কঁপাই তুলিব পাৰে। এই কঁপনিয়েই মানুহৰ মনত এক অজান ভয় আৰু চকুৰ চুকেদি ছাঁ এটা পাৰ হৈ যোৱাৰ ভ্ৰম সৃষ্টি কৰে।

এই লোককথাবোৰে আমাৰ সমাজক এক কাব্যিক ৰূপ দিছিল, য'ত ভয় আৰু কৌতূহল একেলগে খোজ কাঢ়িছিল। কিন্তু আধুনিক বিজ্ঞান আৰু চিকিৎসা শাস্ত্ৰই ভূতৰ এই অস্তিত্বক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰে। বিজ্ঞানৰ মতে, মানুহে যাক ভূত দেখা বা অনুভৱ কৰা বুলি কয়, সেইয়া আচলতে মগজুৰ কিছুমান বিশেষ পৰিস্থিতি বা 'ভ্ৰম হে মাথোঁ।

ভূতৰ অস্তিত্ব প্ৰকৃততে আমাৰ ভয়ৰ সৈতে জড়িত। যেতিয়া এজন ব্যক্তিয়ে সৰুৰে পৰা ভূতৰ কাহিনী শুনি ডাঙৰ হয়, তেওঁৰ অৱচেতন মনত ভয়ৰ এক গভীৰ সাঁচ বহি যায়। কোনো নিৰ্জন বা এন্ধাৰ ঠাইলৈ গ'লে মগজুৱে সতৰ্কবাণী প্ৰেৰণ কৰে আৰু 'এড্ৰেনালিন' নামৰ হৰমন নিঃসৰণ কৰে। এই হ'ৰমনৰ বাবে হৃদস্পন্দন বৃদ্ধি পায় আৰু মানুহজনে প্ৰতিটো সৰু শব্দতে উচুপ খাই উঠে। মনৰ এই তীব্ৰ ভয়েই শেষত ভ্ৰমৰ ৰূপ লয়। আমি যাক বাহিৰত বিচাৰি ফুৰোঁ, সেই ভূতটো আচলতে আমাৰ মনৰ ভিতৰত সাচ পাতি বহি থাকে।

কিয় এজন উচ্চশিক্ষিত মানুহো গভীৰ নিশা নিৰ্জন ঠাইত অকলে থাকিলে উচুপ খাই উঠে? ইয়াৰ আঁৰত আছে এক গভীৰ মনস্তাত্বিক আৰু বিৱৰ্তনমূলক কাৰণ। ভূতৰ ভয় আচলতে কোনো মৃত আত্মাৰ ভয় নহয়, ই হৈছে অজ্ঞাতৰ ভয়। মানৱ মগজুৱে সদায় পৰিৱেশটো নিজৰ নিয়ন্ত্ৰণত ৰাখিব খোজে। যেতিয়াই আমি এন্ধাৰ বা কোনো নিৰ্জন ঠাইত থাকোঁ, আমাৰ চকু আৰু কাণে চৌপাশৰ সম্পূৰ্ণ তথ্য মগজুলৈ পঠিয়াব নোৱাৰে। এই শূন্যতা পূৰণ কৰিবলৈ মগজুৱে সৰুৰে পৰা শুনি অহা ভৌতিক কাহিনী বা চিনেমাৰ দৃশ্যবোৰ টোপোলাৰ পৰা উলিয়াই আনে আৰু এক কাল্পনিক বিপদৰ ছবি তৈয়াৰ কৰে।

বৰ্তমান সময়ত চলচিচত্ৰ, ভৌতিক ধাৰাবাহিক আৰু ছচিয়েল মিডিয়াই ভূতৰ ধাৰণাটোক এক ডাঙৰ মনোৰঞ্জনৰ মাধ্যমলৈ ৰূপান্তৰ কৰিছে। কিন্তু ইয়াৰ বিপৰীত পিঠিখন বৰ অন্ধকাৰ। এই ভয়ৰ সুযোগ লৈয়েই সমাজত একাংশ ভণ্ড বেজ বা তান্ত্ৰিকে অন্ধবিশ্বাসৰ বেহা মেলে। তেওঁলোকে মানুহৰ মানসিক বিভ্ৰান্তিক 'ভূত লম্ভা' বুলি কৈ সমাজত ডাইনী হত্যা বা নিৰীহ মানুহৰ ওপৰত অত্যাচাৰৰ দৰে জঘন্য কুসংস্কাৰ বিয়পায়, যাৰ বলি হয় বহু নিৰীহ জীৱন।

ভূত আৰু ভ্ৰমৰ মাজৰ দেৱালখন অতিশয় পাতল আৰু ঠুনুকা। ভূত কোনো বাহ্যিক বাস্তৱতা নহয়, ই হ'ল মানৱ মনৰ এক জটিল মনস্তাত্বিক সৃষ্টি। আমাৰ সমাজত এতিয়াও বহু এনে অন্ধকাৰ ঠাই আছে, য'ত শিক্ষাৰ পোহৰ পৰা নাই বা পৰিলেও সি মানুহৰ মানসিকতাক যুক্তিবাদী কৰিব পৰা নাই। একবিংশ শতিকাৰ এই তথ্য-প্ৰযুক্তিৰ যুগত বসবাস কৰিও যেতিয়া আমি বাতৰিকাকতৰ পৃষ্ঠাত ডাইনী সন্দেহত হত্যাকাণ্ড বা অমানুষিক নিৰ্যাতনৰ খবৰ দেখিবলৈ পাওঁ, তেতিয়া প্ৰমাণ হয় যে আচল ভূতটো ক'ৰবাত নহয়, বৰং আমাৰ সমাজৰ চিন্তা-চেতনাৰ মাজতহে বাহ লৈ আছে। এই সামাজিক ব্যাধিৰ পৰা মুক্ত হ'বলৈ হ'লে কেৱল আনুষ্ঠানিক শিক্ষাই যথেষ্ট নহয়, আমাক প্ৰয়োজন হ'ব এক বিজ্ঞানমনস্ক মানসিকতাৰ।

মনৰ পৰা যেতিয়া অন্ধবিশ্বাস, ভয় আৰু অজ্ঞানতাৰ কুঁৱলী সম্পূৰ্ণৰূপে আঁতৰি যাব, তেতিয়া প্ৰতিটো নিৰ্জন নিশাও জোনাকৰ দৰেই শান্ত, পবিত্ৰ আৰু ধুনীয়া হৈ পৰিব। ভূত বুলি একো নাই, আছে মাথোঁ আমাৰ অবুজ মনৰ একোটা অবুজন ভ্ৰম, যি ভ্ৰমে জীৱনক কেতিয়াবা ক্ষন্তেকীয়া শিহৰণ দিয়ে আৰু কেতিয়াবা সমাজক অন্ধকাৰলৈ ঠেলি দিয়ে। গতিকে, সচেতন নাগৰিক হিচাপে সমাজৰ পৰা এই মানসিক ভ্ৰম আঁতৰাই যুক্তি আৰু বিজ্ঞানৰ হাতে হাত ধৰি আগবাঢ়ি যোৱাটোহে আমাৰ একমাত্ৰ সংকল্প হোৱা উচিত। তেতিয়াহে সমাজৰ বুকুলৈ প্ৰকৃত পোহৰ আহিব আৰু 'ভূত' নামৰ ভয়টো চিৰদিনৰ বাবে মানুহৰ মনৰ পৰা নোহোৱা হ'ব।

জ্যোতিমণি মাহন্ত

'কৰ্মনিষ্ঠ কৰ্মচাৰীয়ে শিক্ষানুষ্ঠানৰ ৰূপ সলনি কৰিব পাৰে' - ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ৰ মুখ্য সহায়ক পদ্মধৰ বৰুৱালৈ বিদায় সম্বৰ্ধনা



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুন ঃ** "কৰ্মনিষ্ঠ, সৎ, নৈষ্ঠিক কৰ্মচাৰীয়ে এখন শিক্ষানুষ্ঠানৰ ৰূপকে সলনি কৰি পেলাব পাৰে। শিক্ষাৰ্থীসকলে শিক্ষকৰ সমানে অনুকৰণ কৰে শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলকো। এতেকে, আদৰ্শ কৰ্মচাৰীসকলৰ যে অজানিতেই শিক্ষাৰ্থীৰ এক আদৰ্শ হৈ পৰে, তাত কোনো সন্দেহ নাই।" - এই বক্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। মহাবিদ্যালয়ৰ মুখ্য সহায়ক হিচাপে অৱসৰ গ্ৰহণ কৰা পদ্মধৰ বৰুৱাক আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনাবলৈ আয়োজন কৰা সভাখনি উদ্বোধন কৰি এনেদৰে কয়। ১৯৮৬ চনৰ পৰা সুদীৰ্ঘ ৪০ বছৰ দুমাহ কাল মাজুলী মহাবিদ্যালয়ৰ যথাক্ৰমে ৰসায়ন বিজ্ঞান বিভাগৰ পৰীক্ষাগাৰ যোগনিয়াৰ, কাৰ্যালয় সহায়ক আৰু শেষত মুখ্য সহায়ক পদত সেৱা আগবঢ়াই যোৱা মাৰ্চ মাহত কৰ্মজীৱনৰ অৱসৰ গ্ৰহণ কৰা পদ্মধৰ বৰুৱাক কৰ্মচাৰী গোটৰ তৰফৰ পৰা বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশে আজি মহাবিদ্যালয় ছুটীৰ পাছত অনুষ্ঠিত কৰা হয় এখনি বিদায় সম্বৰ্ধনা সভা। কৰ্মসময় অকণো ক্ষতি নকৰাকৈ অনুষ্ঠিত কৰা বিদায় সম্বৰ্ধনা সভাৰ সৈতে সংগতি ৰাখি পুৱা মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰে। সম্বৰ্ধনা সভাৰ পূৰ্বে পদ্মধৰ বৰুৱাই মহাবিদ্যালয়ৰ চৌহদত এটি গছৰ পুলি ৰোপণ কৰে। কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সম্বৰ্ধনা সভাৰ আঁত ধৰে কাৰ্যালয়ৰ সহায়ক গৌতম দাসে। বৰ্তমানৰ মুখ্য সহায়ক উৎপল বৰুৱাই সকলোকে আদৰণী জনায়। উদ্বোধকৰ ভাষণত অধ্যক্ষ ডঃ শইকীয়াই কৰ্তব্যত নিয়োজিত হৈ থাকিয়ো বিশ্ববিদ্যালয়ৰ উচ্চতম ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হোৱা পদ্মধৰ বৰুৱাৰ দৰে কৰ্মচাৰীয়ে শিক্ষাৰ্থীসকলৰ মনত অধ্যয়ন স্পৃহাও বৃদ্ধি কৰিব পাৰে বুলি কয়। নিজ মহাবিদ্যালয়ৰ প্ৰসংগ উল্লেখেৰে তেওঁ লগতে কয় যে মাজুলী মহাবিদ্যালয়ত শিক্ষাৰ্থী সকলে কাৰ্যালয় সহায়কক 'মহাশয়' বুলি সম্বোধন কৰে। সেইটোৱেই প্ৰমাণ কৰে যে শিক্ষাৰ্থীয়ে কাৰ্যালয় সহায়ক সকলক কিমান সন্মানৰ দৃষ্টিৰে চায়। তেওঁ লগতে পদ্মধৰ বৰুৱাই মহাবিদ্যালয়খনিলৈ আগবঢ়োৱা নিঃস্বাৰ্থ সেৱাৰ কথা বিশেষভাৱে উল্লেখ কৰে আৰু আনুষ্ঠানিক ভাৱে বিদায় গ্ৰহণ কৰিলেও বৰুৱাই মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত ভৱিষ্যতেও সহযোগ কৰিব বুলি আশা প্ৰকাশ কৰে। সম্বৰ্ধনা সভাখনিত বিদায়ী কৰ্মচাৰী পদ্মধৰ বৰুৱাক মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কৰ্মচাৰী গোটৰ তৰফৰ পৰা অংগবস্ত্ৰ, সম্বৰ্ধনা পত্ৰ, মহাবিদ্যালয়ৰ স্মাৰক আৰু গ্ৰন্থৰ টোপোলাৰে সম্বৰ্ধনা জনোৱা হয়। কৰ্মচাৰী গোটৰ কৰ্মচাৰী গোটৰ সম্পাদক সদানন্দ ৰেগন, মুখ্য কাৰ্যালয় সহায়ক উৎপল বৰুৱা, কিৰণজিৎ চমুৱা, গৌতম দাস, সৰোজিনী ভূঞা, নগেন শইকীয়া, অতুল বৰা, যাদৱ পায়েং, প্ৰণৱ হাজৰিকা, জয়ন্ত মাধৱ দত্ত, পল্লৱজ্যোতি ভূঞা, ভৱেন শইকীয়া, অংকুৰজ্যোতি বৰা, মংগলা পায়েং, ৰত্ন বৰা, জয়ন্ত হাজৰিকা, দীপক দাস আদিয়ে পদ্মধৰ বৰুৱাৰ সৈতে অতিবাহিত কৰা দিনবোৰৰ স্মৃতি ৰোমন্থন কৰি আৱেগিক হৈ পৰে। নিজৰ বক্তব্যত বৰুৱাই সফলতাৰে কৰ্মজীৱন সমাপ্ত কৰিব পৰাৰ ক্ষেত্ৰত অধ্যক্ষকে মুখ্য কৰি মহাবিদ্যালয় পৰিয়ালে আগবঢ়োৱা সহযোগিতাৰ বাবে বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰে।

# উচ্চতৰ মাধ্যমিকত সুখ্যাতিৰে উত্তীৰ্ণ ২১ গৰাকী শিক্ষাৰ্থীক ঘৰে-ঘৰে গৈ সম্বৰ্ধনা চুতীয়া ছাত্ৰ সন্থাৰ

**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুন ঃ** শেহতীয়াকৈ ঘোষিত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মাজুলী জিলাৰ চুতীয়া জনগোষ্ঠীৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে দেখুওৱা উন্নত প্ৰদৰ্শনে সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এই কৃতি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰাৰ লগতে তেওঁলোকৰ ভৱিষ্যত শৈক্ষিক যাত্ৰা অধিক উমাল কৰি তোলাৰ উদ্দেশ্যে 'সদৌ অসম চুতীয়া ছাত্ৰ সন্থা' আৰু 'মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থা'ই এক ব্যতিক্ৰমী তথা আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। জনগোষ্ঠীটোৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ২১ গৰাকী শিক্ষাৰ্থীক তেওঁলোকৰ নিজ নিজ বাসগৃহলৈ গৈ ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপজ্যোতি বৰাৰ নেতৃত্বত যোৱা এটা প্ৰতিনিধি দলে শিক্ষাৰ্থীসকলৰ ঘৰে ঘৰে উপস্থিত হৈ এই সম্বৰ্ধনা জনায়। সম্বৰ্ধনা কাৰ্যসূচীত সহকাৰী সাধাৰণ সম্পাদক গৰাকীক পূৰ্ণ সহযোগ কৰে মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থাৰ অন্যতম প্ৰতিনিধি অৰুণ শইকীয়া, বিতুপন সেনাপতি, ৰিদিপ দত্ত আৰু বুধিন শইকীয়াই। প্ৰতিনিধি দলটোৱে কৃতি ছাত্ৰ-ছাত্ৰীসকলক ফুলাম অসমীয়া গামোচা আৰু একোখনকৈ গ্ৰন্থৰে সম্বৰ্ধনা জনোৱাৰ লগতে তেওঁলোকৰ ভৱিষ্যত জীৱনৰ উজ্জ্বল কামনা কৰে। ছাত্ৰ সন্থাৰ নেতৃবৃন্দই কয় যে এই ছাত্ৰ-ছাত্ৰীসকল কেৱল চুতীয়া জনগোষ্ঠীৰে নহয়, সমগ্ৰ মাজুলীৰে সম্পদ। তেওঁলোকৰ এই সফলতাৰ আঁৰত থকা কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ক সন্থাৰ তৰফৰ পৰা উচ্চ প্ৰশংসা কৰা হয়। ঘৰতে লাভ কৰা এই আশীৰ্বাদ আৰু আদৰণিয়ে কৃতি শিক্ষাৰ্থী সকলৰ লগতে তেওঁলোকৰ অভিভাৱক সকলকো নথৈ আনন্দিত আৰু আৱেগিক কৰি তোলে। ছাত্ৰ সন্থাৰ এই প্ৰশংসনীয় পদক্ষেপক এতিয়া মাজুলীৰ সচেতন মহলে একমুখে শলাগ লৈছে।

# বানিয়াৰাপাৰা-বাংলীপাৰাত বেঁকী নৈৰ ভয়ংকৰ গৰাখহনীয়া

## সমস্যাৰ স্থায়ী সমাধানৰ দাবী ৰাইজৰ

**অসম বাৰ্তা, জনীয়া, ১৬ জুন ঃ** বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ অন্তৰ্গত বানিয়াৰাপাৰা আৰু বাংলীপাৰা অঞ্চলত বেঁকী নৈৰ তীব্ৰ গৰাখহনীয়াই ভয়াবহ ৰূপ ধাৰণ কৰিছে। বিগত কেইবাদিন ধৰি অব্যাহত নেৰানেপেৰা বৰষুণ আৰু নৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত নদীৰ পাৰ দ্ৰুতগতিত খহি পৰিছে। ফলস্বৰূপে কেইবাটাও পৰিয়ালৰ বাসগৃহ আৰু যাতায়তৰ ৰাস্তা বেঁকী নৈৰ বুকুত বিলীন হৈছে। স্থানীয় বাসিন্দাসকলে জনোৱা মতে, প্ৰতিদিনে গৰাখহনীয়াৰ পৰিসৰ বৃদ্ধি পাইছে। বহু পৰিয়ালে নিজৰ ঘৰ-বাৰী আৰু সা-সম্পত্তি হেৰুৱাৰ আশংকাত দিন কটাইছে। নৈৰ পাৰৰ একাংশ ঠাইত ফাট মেলিছে যাৰ ফলত বৰষুণ দিয়াৰ লগে লগে অধিক ক্ষতি হোৱাৰ সম্ভাৱনা আছে। ৰাইজে অভিযোগ কৰিছে যে, দীৰ্ঘদিন ধৰি এই সমস্যাৰ স্থায়ী সমাধানৰ দাবী উত্থাপন কৰি অহাৰ পিছতো স্থানীয় সাংসদ সংশ্লিষ্ট বিভাগে ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰা নাই। তেওঁলোকে অতি শীঘ্ৰে গৰাখহনীয়া প্ৰতিৰোধৰ বাবে বিজ্ঞানসন্মত আৰু স্থায়ী ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু জলসম্পদ বিভাগৰ ওচৰত দাবী জনাইছে। ইফালে, যদি শীঘ্ৰে প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ কৰা নহয়, তেন্তে আগন্তুক দিনত বাংলীপাৰাৰ এখন মছজিদ আৰু বহু পৰিয়ালৰ অধিক ক্ষতি হোৱাৰ আশংকা প্ৰকাশ কৰিছে স্থানীয় লোকে।

# অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী কমলা বৰদলৈৰ বিয়োগ

**অসম বাৰ্তা, বেবেজীয়া, ১৬ জুন ঃ** মৰিগাঁও জিলাৰ গা-খজুৱা নিৰ্বাসী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী, ধৰ্মপ্ৰাণ মহিলা কমলা বৰদলৈৰ ১৫ জুলাই তাৰিখে দিনৰ ১১.৪০ বজাত নিজা বাসভৱনত বাধক্যজনিত কাৰণৰ পৰলোক প্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেখেতৰ বয়স হৈছিল ৭৫ বছৰ। ১৯৫১ চনত জন্ম হোৱা বৰদলৈয়ে ১৯৭২ চনত গা-খজুৱা প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে কৰ্মজীৱনৰ পাতনি মেলি পিছলৈ সেই বিদ্যালয়ৰ পৰাই প্ৰধান শিক্ষয়িত্ৰী হিচাপে ২০১১ চনত অৱসৰ গ্ৰহণ কৰে। কৰ্মময় জীৱনত বিভিন্ন সামাজিক-শৈক্ষিক অনুষ্ঠানৰ লগত জড়িত থকা বৰদলৈ এগৰাকী অতি স্পষ্টবাদী মহিলা আছিল। মৃত্যুৰ সময়ত তিনিজন পুত্ৰ, তিনি গৰাকী বোৱাৰী, এগৰাকী জীয়ৰি, জোৱাইকে ধৰি বহু কেইটা নাতি-নাতিনী আৰু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। তেখেতৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। বৰদলৈৰ বিয়োগত অঞ্চলটোৰ তিৰা সমাজ, সামাজিক অনুষ্ঠান ন'ভা ফাউণ্ডেচন, জাজৰি প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

# কামৰূপ জিলাত MY Bharat জিলা উপদেষ্টা সমিতিৰ প্ৰথম বৈঠক সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৬ জুন ঃ** MY Bharat (মেৰা যুৱা ভাৰত) জিলা উপদেষ্টা সমিতি, কামৰূপৰ প্ৰথমখন বৈঠক বৃহস্পতিবাৰে সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হৈ যায়। MY Bharat হৈছে ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ এক গুৰুত্বপূৰ্ণ পদক্ষেপ, যাৰ লক্ষ্য হৈছে দেশৰ যুৱসমাজক অধিক ক্ষমতাসম্পন্ন, অনুপ্ৰাণিত আৰু ৰাষ্ট্ৰ নিৰ্মাণত সক্ৰিয়ভাৱে অংশগ্ৰহণৰ বাবে উৎসাহিত কৰা। এই মঞ্চৰ জৰিয়তে ১৫ৰ পৰা ২৯ বছৰ বয়সৰ যুৱক-যুৱতীসকলে স্বেচ্ছাসেৱা, নেতৃত্ব বিকাশ, সমাজসেৱা, দক্ষতা বিকাশ আৰু বিভিন্ন সামাজিক আৰু উন্নয়নমূলক কাৰ্যসূচীত অংশগ্ৰহণৰ সুযোগ লাভ কৰিব পাৰে। যোগ্য যুৱসকলে www.mybharat.gov.in পৰ্টেলত পঞ্জীয়ন কৰি এই উদ্যোগৰ সৈতে সংযুক্ত হ'ব পাৰে। বৈঠকত কামৰূপ জিলাত চলি থকা MY Bharat পঞ্জীয়ন অভিযান অধিক শক্তিশালী কৰাৰ কৌশলসমূহ পৰ্যালোচনা কৰাৰ লগতে অধিক সংখ্যক যোগ্য যুৱক-যুৱতীৰ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাসমূহৰ ওপৰত বিস্তৃত আলোচনা কৰা হয়। সভাত সভাপতিত্ব কৰি জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্তই উদ্যোগটোৰ সফল ৰূপায়ণৰ বাবে সকলো বিভাগৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ পঞ্চায়তীৰাজ প্ৰতিষ্ঠান, শিক্ষানুষ্ঠান আৰু মহাবিদ্যালয়সমূহৰ সৈতে সমন্বয় সাধন কৰি অধিক সজাগতা সৃষ্টি কৰাৰ লগতে যোগ্য যুৱক-যুৱতীসকলক পঞ্জীয়নৰ বাবে উৎসাহিত কৰিবলৈ আহ্বান জনায়। তেওঁ লগতে প্ৰতিখন মহাবিদ্যালয়ৰ অধ্যক্ষৰ নেতৃত্বত অভ্যন্তৰীণ সমন্বয় গোট গঠন কৰি পঞ্জীয়ন প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ লগতে জিলা প্ৰশাসনৰ সৈতে ফলপ্ৰসূ সমন্বয় ৰক্ষাৰ পৰামৰ্শ আগবঢ়ায়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত মনিকা বৰগোঁহাই, সহকাৰী নিয়োগ সঞ্চালক, কামৰূপ জিলা পৰিষদৰ উপ-মুখ্য কাৰ্যবাহী বিষয়া, জিলা যুৱ বিষয়া, সাংস্কৃতিক উন্নয়ন বিষয়া, NSS NER-ৰ যুৱ বিষয়া, জিলা তথ্য আৰু জনসংযোগ বিষয়া, দক্ষতা বিকাশৰ জিলা প্ৰকল্প পৰিচালক, সহকাৰী অধ্যাপকসকল আৰু বিভিন্ন মহাবিদ্যালয়ৰ NSS ইউনিটৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

'গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ' - ড° দেৱজিৎ শইকীয়া

# ডিব্ৰুগড়ৰ জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ মাজুলী মহাবিদ্যালয়লৈ পঞ্চাশ হাজাৰ টকা দান



**অসম বাৰ্তা, উজনী মাজুলী, ১৬ জুন ঃ** মাজুলী মহাবিদ্যালয়ে একাধাৰে ৰূপায়ণ কৰি অহা 'গ্ৰন্থদান মহান দান' কাৰ্যসূচীত ভাগ লৈ ডিব্ৰুগড়ৰ জ্যোতি-ললিতা কানৈ ফাউণ্ডেশ্যনে আগবঢ়াইছে পঞ্চাশ হাজাৰ টকা। আজি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়ালৈ দিয়া এখন পত্ৰযোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে সেই কথা অৱগত কৰে। অলপতে ডিব্ৰুগড়ৰ অগ্ৰণী দাতা পৰিয়ালৰ হৈ জ্যোতি প্ৰসাদ কানৈক মাজুলী মহাবিদ্যালয়ৰ তৰফৰ পৰা অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা আৰু গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসৰ নেতৃত্বত যোৱা এটা সঁজাতী দলে মহাবিদ্যালয়খনে বিগত বছৰবোৰত ৰূপায়ণ কৰি অহা গ্ৰন্থ সংগ্ৰহৰ কাৰ্যসূচীত অংগ্ৰহণ কৰি মাজুলীৰ দৰিদ্ৰ শিক্ষাৰ্থীৰ উপকাৰ সাধিবলৈ অনুৰোধ জনাইছিল। সেই মৰ্মেই আজি পত্ৰযোগে ফাউণ্ডেশ্যনটোৰ অধ্যক্ষ জ্যোতি প্ৰসাদ কানৈয়ে তেওঁলোকৰ বদান্যতা প্ৰকাশ কৰি পঞ্চাশ হাজাৰ টকা আগবঢ়োৱাৰ কথা ঘোষণা কৰাত ফাউণ্ডেশ্যনটোৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিবলৈ দিনৰ ১ বজাত অধ্যক্ষৰ কক্ষত আহ্বান কৰা হয় গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ এখন বিশেষ সভা। সভাৰ আঁত ধৰি উদ্দেশ্য ব্যাখ্যা কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক প্ৰদীপ চন্দ্ৰ দাসে। সভাখনিত সভাপতিত্ব কৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ হৈ জ্যোতিপ্ৰসাদ কানৈ আৰু ললিতা দেৱী কানৈক কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে মহাবিদ্যালয়লৈ আগবঢ়োৱা এই দানে দুখীয়া শিক্ষাৰ্থীসকলৰ পৰম উপকাৰ সাধিব বুলি মন্তব্য কৰে। জ্যোতি ললিতা ফাউণ্ডেশ্যনৰ এই বদান্যতাৰ কথা মাজুলীবাসীয়ে কেতিয়াও নাপাহৰে বুলি মন্তব্য কৰি ড° শইকীয়াই কয়, "গ্ৰন্থধন অদ্ৰাব্য আৰু অদহনীয় সম্পদ। এই সম্পদ দানৰ তুল্য আন একো হ'ব নোৱাৰে। এনে অনুপম দানকৰ্ম সম্পাদন কৰি কানৈ ফাউণ্ডেশ্যন নিজেই ধন্য হ'ল।" সভাত মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, পীতাম্বৰদেৱ গোস্বামী কনিষ্ঠ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ঘনকান্ত নাথ, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, গ্ৰন্থাগাৰ পৰিচালনা সমিতিৰ সদস্যস ক্ৰমে ইংৰাজী বিভাগৰ মুৰব্বী অপূৰ্বজ্যোতি হাজৰিকা, অসমীয়া বিভাগৰ মুৰব্বী ডঃ দুলাল হাজৰিকা, অধ্যাপক নৰজিৎ চেলেং, কৰ্মচাৰী গোটৰ সভাপতি দেৱজিৎ বৰুৱা প্ৰমুখ্যে লোকসকল উপস্থিত থাকে। কানৈ ফাউণ্ডেশ্যনে প্ৰদৰ্শন কৰা বদান্যতাৰ বাবে মাজুলীবাসীৰ হৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰদেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিত মহন্ত, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, শিক্ষক গোটৰ উপ-সভাপতি ড° ৰূপজ্যোতি বৰা, সম্পাদক ড° অনুপ কুমাৰ দলে, সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, 'আপকু'ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, জিলা আপকুৰ সভাপতি ৰঞ্জন বৰা, অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক ড° দেৱজ্যোতি ভট্টাচাৰ্য প্ৰমুখ্য বিশিষ্ট ব্যক্তিসকলে কৃতজ্ঞতা প্ৰকাশ কৰি বাৰ্তা প্ৰেৰণ কৰিছে।

# নিৰ্মালি ডেন্স একাডেমীৰ উদ্যোগত কথক নৃত্যৰ ৩ দিনীয়া কৰ্মশালাৰ শুভাৰম্ভ

**অসম বাৰ্তা, নলবাৰী, ১৬ জুন ঃ** নলবাৰীৰ নিৰ্মালি ডেন্স একাডেমীৰ উদ্যোগত আজিৰে পৰা চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত তিনিদিনীয়া কাৰ্যসূচীৰে কথক নৃত্যৰ এখন বিশেষ কৰ্মশালাৰ শুভাৰম্ভ কৰা হয়। প্ৰখ্যাত কণ্ঠশিল্পী হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে কৰ্মশালাখনৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন কুমাৰ শৰ্মাই। শিল্পী হেমন্ত কুমাৰ দাসৰ সঞ্চালনাত অনুষ্ঠিত উদ্বোধনী সভাত অসম টাইমছৰ মুখ্য সম্পাদক এম. মহিবুৰ ৰহমানে শিক্ষাৰ্থীসকলৰ উদ্দেশ্যে গঠনমূলক বক্তব্য আগবঢ়ায়। অনুষ্ঠানত বিশিষ্ট চিকিৎসক ডাঃ কৈলাস ডেকাই ব্যাকৰণসম্মত শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ গুৰুত্ব সম্পৰ্কে মূল্যৱান বক্তব্য ৰাখে। লগতে সভাত বিশিষ্ট বিজ্ঞানী ড° ৰূপক কুমাৰ শৰ্মা, বিশিষ্ট কণ্ঠশিল্পী ৰূপহী দাস আৰু বিশিষ্ট তবলা বাদক জিতেন মেধি উপস্থিত থাকে। কৰ্মশালাখনত মুখ্য প্ৰশিক্ষক হিচাপে নৃত্যগুৰু অলিগুঞ্জন কলিতা মুদিয়াৰ উপস্থিত থাকে। সহ-প্ৰশিক্ষক হিচাপে নৃত্যগুৰু চন্দ্ৰানী কলিতা ওজা আৰু নিৰ্মালি ডেন্স একাডেমিৰ সঞ্চালিকা তথা নৃত্যগুৰু নিৰ্মালি দেৱীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো প্ৰশিক্ষাৰ্থী আৰু অভিভাৱকসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি নিৰ্মালি ডেন্স একাডেমিৰ অধ্যক্ষ তথা বিশিষ্ট তবলা বাদক মনোজ গোস্বামীয়ে এইধৰণৰ সাংস্কৃতিক আৰু শৈল্পিক প্ৰশিক্ষণমূলক অনুষ্ঠান ভৱিষ্যততো নিয়মীয়াকৈ অনুষ্ঠিত কৰাৰ আশাবাদ ব্যক্ত কৰে।

# কৰইকান্দি এম.এ. স্কুলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছাতি বিতৰণ




**অসম বাৰ্তা, শিলচৰ, ১৬ জুন ঃ** সামাজিক দায়বদ্ধতাৰ এক প্ৰশংসনীয় নিদৰ্শন হিচাপে বৰাক ভেলী চিমেণ্টছ লিমিটেডৰ উদ্যোগত, লায়ন্স ক্লাব অৱ বদৰপুৰ গ্ৰেটাৰৰ সহযোগত আৰু যুৱতৰা শক্তি সংঘ, কাটিগড়াৰ ব্যৱস্থাপনাত কৰইকান্দি এম.এ. স্কুলত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত বিদ্যালয়খনৰ শতাধিক ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ ছাতি বিতৰণ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়ৰ কৰ্মচাৰীসকলক উপহাৰ স্বৰূপে বেগ প্ৰদান কৰা হয়। বিশিষ্ট সমাজসেৱক হুছেইন আহমেদ লস্কৰৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত বৰাক ভেলী চিমেণ্টছ লিমিটেডৰ হৈ চন্দন গোস্বামী আৰু মুকেশ প্ৰকাশ উপস্থিত থাকে। অনুষ্ঠানটো পৰিচালনা কৰে যুৱতৰা শক্তি সংঘৰ সভাপতি তথা সমাজসেৱক মহম্মদ ছামছ উদ্দিন লস্কৰে। ইয়াৰ উপৰিও বিদ্যালয়খনৰ প্ৰধান শিক্ষক মহম্মদ মেহবুব আলম, এছএমচি সভাপতি বিদ্যুৎ নাথকে ধৰি অঞ্চলটোৰ বহু বিশিষ্ট ব্যক্তি, শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু গণ্যমান্য লোক উপস্থিত থাকে। ছাতি বিতৰণ অনুষ্ঠান উপলক্ষে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্যোগত সংক্ষিপ্ত হ'লেও এক মনোমোহা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হয়। বিশেষকৈ ধামাইল গীতৰ মনোমোহা পৰিৱেশনে সমগ্ৰ অনুষ্ঠানস্থলী উৎসৱমুখৰ কৰি তোলে আৰু উপস্থিত সকলোৰে হৃদয় জয় কৰে। অনুষ্ঠানত বক্তব্য ৰাখি উপস্থিত অতিথিসকলে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ প্ৰতি অধিক মনোনিৱেশ কৰাৰ আহ্বান জনায়। তেওঁলোকে কয়, "শিক্ষাই জীৱনৰ মূল ভেটি আৰু ই হৈছে জীৱনৰ সৰ্বশ্ৰেষ্ঠ সম্পদ। অধ্যৱসায়, শৃংখলা আৰু মানৱীয় গুণাৱলী আয়ত্ত কৰি তোমালোকেই আগন্তুক দিনত সমাজ আৰু দেশৰ নেতৃত্ব বহন কৰিবা। সপোন পূৰণ কৰিবলৈ অধ্যয়নত একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু আত্মবিশ্বাসেই সফলতাৰ মূল চাবিকাঠি।" অনুষ্ঠানৰ এক পৰ্যায়ত অতিথিসকলে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰীসকলৰ হাতত উপহাৰ স্বৰূপে বেগ প্ৰদান কৰে। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছাতি বিতৰণ কৰা হয়। নতুন ছাতি লাভ কৰি কণ-কণ শিক্ষাৰ্থীসকল আনন্দত উৎফুল্ল হৈ পৰে আৰু তেওঁলোকৰ মুখত হাঁহিৰ বন্যা বৈ যায়। সামগ্ৰিকভাৱে দিনটোৰ অনুষ্ঠান আনন্দমুখৰ আৰু উৎসৱমুখৰ পৰিৱেশত সম্পন্ন হয়। সমাজৰ প্ৰতি দায়বদ্ধতা, শিক্ষাৰ প্ৰতি উৎসাহ বৃদ্ধি আৰু মানৱীয় মূল্যবোধ জাগ্ৰত কৰাৰ লক্ষ্যৰে গ্ৰহণ কৰা এই পদক্ষেপে বিদ্যালয় চৌহদত এক অনুপ্ৰেৰণামূলক পৰিৱেশৰ সৃষ্টি কৰাৰ লগতে উপস্থিত সকলোৰে প্ৰশংসা লাভ কৰে।

# ৰহা বিধানসভা সমষ্টিভিত্তিত ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা শুভাৰম্ভ



**অসম বাৰ্তা, ৰহা, ১৬ জুন ঃ** ৰহাত বৃহস্পতিবাৰৰ পৰা ১৫দিনীয়া বিধানসভা সমষ্টিভিত্তিত গ্ৰীষ্মকালীন কৰ্মশালা শুভাৰম্ভ হয়। অসম চৰকাৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ দ্বাৰা সমস্ত ৰাজ্যত বিধানসভা সমষ্টিভিত্তিত গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ কৰাৰ সমান্তৰালকৈ ৰহা মজলীয়া বিদ্যালয়ত বৃহস্পতিবাৰৰ পৰা সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, ৰহা সমজিলা, নগাঁও জিলা প্ৰশাসনৰ সহযোগত আৰু শিশু অনুষ্ঠান অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ পৰিচালনাত ৰহা বিধানসভা সমষ্টি ভিত্তিক ১৫দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ হয়। কৰ্মশালত প্ৰশিক্ষকৰূপে সপোন জ্যোতি ডেকা আৰু ভাগৱী মেধি উপস্থিত থাকি কণকণ শিশু আৰু যুৱক, যুৱতী সকলক মাটি আখৰা(সত্ৰীয়া নৃত্য)আৰু অভিনয়ৰ প্ৰশিক্ষণ প্ৰদান কৰে। অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ প্ৰধান সম্পাদক ৰণ্টু মুদৈয়ে আঁত ধৰা কৰ্মশালা শুভাৰম্ভ অনুষ্ঠানত ৰহা সমজিলা সহ জিলা আয়ুক্ত প্ৰিয়ম ফুকনে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু উপস্থিত সকলোৱে পুষ্পাঞ্জলী অৰ্পণ কৰাৰ লগতে সহ সমজিলা আয়ুক্ত প্ৰিয়ম ফুকনে কৰ্মশালাৰ উদ্বোধন কৰে আৰু অকণিৰ কবিতা ঘৰৰ কণকণ অকণি সকলে শিশুপ্ৰিয় তথা কবিতা ঘৰৰ প্ৰধান পৰিচালক অৱনী কুমাৰ শইকীয়াই দ্বাৰা ৰচিত কবিতা ঘৰৰ স্থায়ী গীত "উদুলি-মুদুলি অকণিৰ কবিতা ঘৰ" আৰু সুধাকণ্ঠৰ কালজয়ী গীত "বুকু হম হম কৰে" আৰু লক্ষণা শইকীয়াই সত্ৰিয়া নৃত্য পৰিৱেশন কৰি সকলোকে আপ্লুত কৰি তুলে। কৰ্মশালা শুভাৰম্ভ অনুষ্ঠানত ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ কমল চন্দ্ৰ শৰ্মা, ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন প্ৰবক্তা যতীন্দ্ৰ কুমাৰ পাৰৈ, প্ৰাক্তন অধ্যক্ষা দিপ্তী দেৱী শৰ্মা, ৰহা মজলিয়া বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী জুৰি বৰুৱা, কবিতা ঘৰৰ উপদেষ্টা মহেশ্বৰ দাস, শিল্পী বিমল ডেকা, ৰহা আঞ্চলিক অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ উপদেষ্টা হৰিপ্ৰসাদ ৰাজখোৱা, সমাজকৰ্মী তথা কবিতা ঘৰৰ যুৱ জ্যোতি উপাধি প্ৰাপক মৃদুল হাজৰিকা সহ কবিতা ঘৰৰ প্ৰতিনিধি, শিক্ষক-শিক্ষয়ত্ৰী সহ বিশিষ্ট ব্যক্তি আৰু কবিতা ঘৰৰ ছাত্ৰ ছাত্ৰী আৰু প্ৰশিক্ষাৰ্থী সকল উপস্থিত থাকে।

# আনন্দবাগ বালিজানত শোকাবহ পথ দুৰ্ঘটনা; দুজন থিতাতে নিহত

**অসম বাৰ্তা, মাকুম, ১৬ জুন ঃ** নিশা ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত আনন্দবাগ বালিজানত এক শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। ডিগবৈ অভিমুখে গৈ থকা এ এচ ২৩ এ ৫ ১৫ নম্বৰৰ কেঁচা চাহপাত কঢ়িওৱা এখন টাটা ৭০৯ বাহন আৰু বালিজান বুধৱৰীয়া বজাৰৰ পৰা আনন্দবাগ অভিমুখে আহি থকা এখন বাজাজ এন এছ ১২৫ মটৰ চাইকেলৰ মাজত মুখামুখি সংঘৰ্ষ হোৱাত উক্ত পথ দুৰ্ঘটনাটো সংঘটিত হয়। পথ দুৰ্ঘটনাৰ ফলত মটৰচাইকেল আৰোহী দুজন থিতাতে নিহত হয়। নিহত মটৰচাইকেল আৰোহী দুজন ক্ৰমে আনন্দবাগ চাহ বাগিচাৰ ৭ নম্বৰ লাইনৰ নাথু কৰ্মকাৰ (২৬) আৰু অজয় কালান্দী (৩০)। দুৰ্ঘটনাৰ স্থল ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত যদিও খবৰ পাই মাকুম থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ দুটা উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। ইপিনে, দুৰ্ঘটনাৰ পিছত মটৰচাইকেলখন টাটা ৭০৯ বাহনৰ তলত সোমাই পৰে। আৰক্ষী আৰু স্থানীয় লোকে বাহনখনৰ তলৰ পৰা মটৰচাইকেলখন উদ্ধাৰ কৰি দুৰ্ঘটনাগ্ৰস্ত হোৱা দুয়োখন বাহন থানালৈ লৈ যোৱা হয়। ইফালে, দুৰ্ঘটনাৰ পিছতেই টাটা ৭০৯ বাহনখনৰ চালক ঘটনাস্থলীৰ পৰা পলায়ন কৰে বুলি জানিবলৈ পৰা যায়।

ড°আলবাৰ্ট হেমৰমক গুৱাহাটীৰ ক'এডজুটৰ আৰ্চ বিশপ নিযুক্তি

# পোপ লিঅ' চতুৰ্দশৰ নতুন নিযুক্তি; গুৱাহাটীৰ ক'এডজুটৰ আৰ্চবিশপ ড° আলবাৰ্ট হেমৰম ডিব্ৰুগড়ৰ বিশপ

**অসম বাৰ্তা ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬ জুন ঃ** ৰোমান কেথলিক গীৰ্জাৰ মুৰব্বী পোপ লিঅ' চতুৰ্দশে ডিব্ৰুগড় ডায়'চিছৰ বিশপ ড° আলবাৰ্ট হেমৰমক গুৱাহাটী মেট্ৰ'পলিটান আৰ্চডায়'চিছৰ ক'এডজুটৰ আৰ্চবিশপ হিচাপে নিযুক্তি প্ৰদান কৰিছে। ভেটিকানে বৃহস্পতিবাৰে এই নিযুক্তিৰ আনুষ্ঠানিক ঘোষণা কৰে। এই নিযুক্তিৰ জৰিয়তে গুৱাহাটীৰ বৰ্তমানৰ আৰ্চবিশপজন মূলাচিৰাৰ পিছত আৰ্চডায়'চিছৰ নেতৃত্ব গ্ৰহণৰ সম্ভাব্য উত্তৰাধিকাৰী হিচাপে বিশপ হেমৰমক মনোনীত কৰা হৈছে। ৫৭ বছৰীয়া বিশপ আলবাৰ্ট হেমৰমৰ জন্ম ১৯৬৯ চনৰ ২৭ ফেব্ৰুৱাৰীত ডিব্ৰুগড় ডায়'চিছৰ অন্তৰ্গত কনাপাথাৰত হৈছিল। তেওঁ ডিব্ৰুগড়ৰ ছেইণ্ট জ'ছেফছ মাইনৰ ছেমিনাৰীত পুৰোহিত জীৱনৰ প্ৰাৰম্ভিক শিক্ষা গ্ৰহণ কৰাৰ পিছত শ্বিলঙৰ খ্ৰিষ্ট দ্য কিং কলেজ আৰু অৰিয়েন্স থিয়'লজিকেল কলেজত দৰ্শন আৰু ধৰ্মতত্ত্ব অধ্যয়ন কৰে। ১৯৯৯ চনৰ ২৫ এপ্ৰিলত তেওঁ ডিব্ৰুগড় ডায়'চিছৰ পুৰোহিত হিচাপে অভিষিক্ত হয়। ইয়াৰ পিছত তেওঁ ২০০৩ চনত বেংগালুৰুৰ ছেইণ্ট পিটাৰ্ছ পণ্টিফিকেল ইনষ্টিটিউটৰ পৰা ক্যানন ল' বিষয়ত লাইচেন চিয়েট ডিগ্ৰী লাভ কৰাৰ লগতে ২০১৪ চনত ৰোমৰ পণ্টিফিকেল লেটেৰান বিশ্ববিদ্যালয়ৰ পৰা একে বিষয়তে ডক্টৰেট ডিগ্ৰী অৰ্জন কৰে। পুৰোহিত হিচাপে দীৰ্ঘ কৰ্মজীৱনত তেওঁ ১৯৯৯ৰ পৰা ২০০১ চনলৈ ৰাজাবাৰীস্থিত ছেইণ্ট ফ্ৰান্সিছ অৱ আছিছি গীৰ্জাত সহকাৰী পেৰিছ পুৰোহিত হিচাপে সেৱা আগবঢ়ায়। ২০০৩ৰ পৰা ২০০৬ চনলৈ ডিব্ৰুগড়ৰ ছেইণ্ট জ'ছেফছ মাইনৰ ছেমিনাৰীত প্ৰিফেক্ট অৱ ষ্টাডিজ হিচাপে দায়িত্ব পালন কৰাৰ পিছত ২০০৬ৰ পৰা ২০১১ চনলৈ ৰাজাবাৰী পেৰিছৰ পেৰিছ পুৰোহিত আৰু একে সময়তে শ্বিলঙৰ অৰিয়েন্স থিয়'লজিকেল কলেজত অতিথি অধ্যাপক হিচাপেও কৰ্মৰত আছিল। ২০১১ চনৰ পৰা ২০১৩ চনলৈ ৰোমত ডক্টৰেট গৱেষণা সম্পূৰ্ণ কৰি দেশলৈ উভতি অহাৰ পিছত তেওঁ ডিব্ৰুগড় ডায়'চিছৰ ডায়'চিছান ট্ৰাইবুনেলৰ জুডিচিয়েল ভিকাৰ আৰু ছেইণ্ট জ'ছেফছ মাইনৰ ছেমিনাৰীৰ ৰেক্টৰ হিচাপে নিযুক্তি লাভ কৰে। ইয়াৰ উপৰিও তেওঁ কলেজ অৱ কনচাল্টৰ্ছ আৰু প্ৰেছবিটেৰেল কাউন্সিলৰ সদস্য, ডায়'চিছান লেইটি এণ্ড ফেমিলি কমিছনৰ সচিব, ভ'কেচন প্ৰম'টাৰ আৰু অৰিয়েন্স থিয়'লজিকেল কলেজত ক্যানন ল'ৰ অতিথি অধ্যাপক হিচাপেও বিভিন্ন দায়িত্ব সুচাৰুৰূপে পালন কৰে। ২০১৮ চনৰ ২ ডিচেম্বৰত পোপ ফ্ৰান্সিছে তেওঁক ডিব্ৰুগড় ডায়'চিছৰ ক'এডজুটৰ বিশপ হিচাপে নিযুক্তি দিয়ে। ২০১৯ চনৰ ২৪ ফেব্ৰুৱাৰীত তেওঁ বিশপ হিচাপে অভিষিক্ত হয় আৰু পিছত বিশপ জোচেফ আইণ্ড, এছডিবি-ৰ অৱসৰৰ পিছত ডিব্ৰুগড় ডায়'চিছৰ পূৰ্ণকালীন বিশপ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। উল্লেখ্য যে, ১৯৯২ চনৰ ১৬ আগষ্টত পোপ ছেইণ্টজন পল দ্বিতীয়ে গুৱাহাটী ডায়'চিছ প্ৰতিষ্ঠা কৰিছিল। থমাছ মেনাম পাৰামপিল, এছডিবি-য়ে ইয়াৰ প্ৰথম বিশপ হিচাপে দায়িত্ব গ্ৰহণ কৰে। ১৯৯৫ চনৰ ১ আগষ্টত ডায়'চিছখনক মেট্ৰ'পলিটান আৰ্চডায়'চিছলৈ উন্নীত কৰা হয়। বৰ্তমান গুৱাহাটী ইক্লেছিয়াষ্টিকেল প্ৰভিঞ্চৰ অধীনত ডিব্ৰুগড়, তেজপুৰ, ডিফু, বঙাইগাঁও, ইটানগৰ আৰু মিয়াও ডায়'চিছসমূহ অন্তৰ্ভুক্ত। নতুন নিযুক্তিৰ পিছত বিশপ আলবাৰ্ট হেমৰমে ডিব্ৰুগড়স্থিত বিশপ হাউছক মুখ্য কাৰ্যালয় হিচাপে বজাই ৰাখি গুৱাহাটীলৈ নিয়মীয়াকৈ যাতায়াত কৰি ক'এডজুটৰ আৰ্চবিশপ হিচাপে নতুন ধৰ্মীয় আৰু প্ৰশাসনিক দায়িত্বসমূহ পালন কৰিব বুলি জানিব পৰা গৈছে। বৰ্তমান গুৱাহাটী আৰ্চডায়'চিছৰ আৰ্চবিশপজন মূলাচিৰাৰ বয়স ৭৪ বছৰ। চলিত বৰ্ষৰ ডিচেম্বৰ মাহৰ মাজভাগত তেওঁ ৭৫ বছৰ বয়স সম্পূৰ্ণ কৰাৰ পিছত কেথলিক গীৰ্জাৰ নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰাৰ সম্ভাৱনা আছে। সেই পৰিস্থিতিত বিশপ আলবাৰ্ট হেমৰমে গুৱাহাটী মেট্ৰ'পলিটান আৰ্চডায়'চিছৰ পূৰ্ণকালীন আৰ্চবিশপ হিচাপে দায়িত্ব গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। ইফালে, তেওঁ গুৱাহাটীৰ আৰ্চবিশপৰ দায়িত্ব গ্ৰহণ কৰাৰ পিছত ডিব্ৰুগড় ডায়'চিছৰ প্ৰশাসনিক ব্যৱস্থা কেনেদৰে পৰিচালিত হ'ব, সেয়া এতিয়াও স্পষ্ট হোৱা নাই। তেওঁক ডিব্ৰুগড় ডায়'চিছৰ এপষ্ট'লিক প্ৰশাসক হিচাপে অস্থায়ীভাৱে দায়িত্ব অব্যাহত ৰাখিবলৈ কোৱা হ'ব নে পোপে ডিব্ৰুগড় ডায়'চিছৰ বাবে নতুন বিশপ নিযুক্তি দিব, সেই সম্পৰ্কে ভেটিকানৰ পৰা এতিয়ালৈ কোনো আনুষ্ঠানিক ঘোষণা প্ৰকাশ পোৱা নাই।

সমল ব্যক্তি হিচাপে অংশগ্ৰহণ ঢোলৰ ওজা পবিত্ৰ মাধৱ শইকীয়াৰ

# ডিবৰু লোক সংস্কৃতি কেন্দ্ৰত দহদিনীয়া লোকবাদ্য প্ৰশিক্ষণ কৰ্মশালা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১৬জুন ঃ** ৰাজ্যৰ সমৃদ্ধ লোকসংস্কৃতি আৰু পৰম্পৰাগত বাদ্যযন্ত্ৰৰ প্ৰতি নৱপ্ৰজন্মক আকৰ্ষিত কৰাৰ উদ্দেশ্যে প্ৰতি বছৰৰ দৰে এইবাৰো 'ডিবৰু লোক সংস্কৃতি কেন্দ্ৰ'ত গ্ৰীষ্মকালীন বন্ধৰ সৈতে সংগতি ৰাখি এখন দহদিনীয়া লোকবাদ্য বিশেষকৈ ঢোলৰ ওজা চাপ, পেপাঁ, বাঁহী, নাগাৰা আৰু বীণৰ প্ৰশিক্ষণ কৰ্মশালা অনুষ্ঠিত হৈ যায়। এই কৰ্মশালাত অঞ্চলটোৰ বহু সংখ্যক শিক্ষাৰ্থীয়ে অত্যন্ত উৎসাহেৰে অংশগ্ৰহণ কৰা পৰিলক্ষিত হয়। কৰ্মশালাখনিৰ মূল প্ৰশিক্ষক হিচাপে অভিজ্ঞ লোকবাদ্য সাধক জিতেন দাসে প্ৰশিক্ষণ আগবঢ়ায়। ইয়াৰ উপৰি সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰসিদ্ধ বাদ্যশিল্পী গুৱাহাটীৰ ভদ্ৰ কান্ত দাস আৰু যোৰহাটৰ বিশিষ্ট ঢোলৰ ওজা তথা বিহু সুৰক্ষা সমিতিৰ উপদেষ্টা পবিত্ৰ মাধৱ শইকীয়া। কৰ্মশালাত ওজা পবিত্ৰ মাধৱ শইকীয়াই শিক্ষাৰ্থীসকলক ঢোলৰ ওজা চাপ সহ ইয়াৰ তাত্ত্বিক আৰু ব্যৱহাৰিক দিশসমূহৰ ওপৰত এক বিশদ প্ৰশিক্ষণ প্ৰদান কৰে। লোক সংস্কৃতিৰ সাধক তথা ডিবৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ অধ্যক্ষ জিতেন দাসে আঁত ধৰা সামৰণি অনুষ্ঠানত ওজা পবিত্ৰ মাধৱ শইকীয়াই ঢোলৰ আধ্যাত্মিক আৰু পৌৰাণিক ইতিহাস দাঙি ধৰি কয় যে, ঢোল কেৱল এটা সাধাৰণ বাদ্য নহয়, ই আচলতে এক 'গন্ধৰ্ব বাদ্য'। বহুতে ইয়াক ভুলকৈ 'দেৱ বাদ্য' বুলি কয় যদিও শাস্ত্ৰীয় মৰ্যাদা অনুসৰি ই গন্ধৰ্ব বাদ্যহে। তেওঁ ঢোলৰ উৎপত্তিৰ প্ৰসংগত কৈলাসত শিৱৰ দ্বাৰা ইয়াৰ সৃষ্টি হোৱা আৰু ব্ৰহ্মাই ইয়াক পৃথিৱীলৈ পঠিয়াই মৰ্ত্যত ইয়াৰ প্ৰসাৰ ঘটাৰ পৌৰাণিক আখ্যানভাগো শিক্ষাৰ্থীসকলৰ আগত উল্লেখ কৰে। তেওঁ লগতে এগৰাকী প্ৰকৃত শিল্পী হ'বলৈ হ'লে পবিত্ৰতা আৰু ভক্তিভাবৰ প্ৰয়োজন বুলি উল্লেখ কৰি ওজা শইকীয়াই কয়- "ৰাতিপুৱা গা-ধুই পবিত্ৰ হৈ ভগৱানৰ ওচৰত বন্তি জ্বলোৱাৰ দৰেই ঢোলটোকো সেৱা কৰিব লাগে। গা নুধুৱাকৈ বা অপবিত্ৰ অৱস্থাত ঢোলটো কোনো বস্ত্ৰেৰেই স্পৰ্শ কৰিব নালাগে। ঢোলৰ প্ৰতি সদায় অন্তৰত ভক্তিভাৱ ৰাখিব লাগে।" এই অনুষ্ঠানত ডিবৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ উপদেষ্টা তথা সাংবাদিক, যুৱ লেখক ৰাতুল বুঢ়াগোহাঁই, বিশিষ্ট সাংস্কৃতিক কৰ্মী ভাৰতী দুৱৰা বৰুৱা, আৰু ডিব্ৰুগড় সাহিত্য সভাৰ সহকাৰী সম্পাদক মীনাক্ষী দাস বৰুৱা, বিহু সুৰক্ষা সমিতিৰ দিনেশ বৰগোহাঁই, কমলা নেওগ, নিতেন চেতিয়া, শিক্ষয়িত্ৰী পঞ্চি দাসকে প্ৰমুখ্য কৰি অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আমন্ত্ৰিত অতিথি বৰ্গই প্ৰশিক্ষণ সম্পূৰ্ণ কৰা ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ বিতৰণ কৰে। একেটা অনুষ্ঠানতে কৰ্মশালাৰ শিক্ষাৰ্থীসকলে ওজা পবিত্ৰ মাধৱ শইকীয়াৰ পৰা পৰম্পৰাগতভাৱে গুৰু সেৱা গ্ৰহণ কৰে আৰু ডিবৰু লোক সাংস্কৃতিক কেন্দ্ৰৰ তৰফৰ পৰাও ওজাগৰাকীক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বৰ্তমানৰ যান্ত্ৰিক যুগত নৱপ্ৰজন্মৰ মাজত অসমৰ পৰম্পৰাগত লোকবাদ্যৰ ইতিহাস, বাদন কৌশল আৰু সাংস্কৃতিক গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টি কৰাৰ লগতে লোক সংস্কৃতি সংৰক্ষণৰ মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত ডিবৰু লোক সংস্কৃতি কেন্দ্ৰৰ এই প্ৰয়াস সঁচাকৈয়ে প্ৰশংসনীয় বুলি উপস্থিত ৰাইজে মত পোষণ কৰে।

# গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালত 'নৃত্য দৰ্পণ কলা কেন্দ্ৰ'ৰ উদ্যোগত কথক নৃত্যৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান

**অসম বাৰ্তা, গৌৰীপুৰ, ১৬ জুন ঃ** ধুবুৰী জিলাৰ ঐতিহ্য মণ্ডিত সাংস্কৃতিক নগৰী গৌৰীপুৰ চহৰৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয় সভা কক্ষত ৪ দিনীয়া কাৰ্য্যসূচীৰে অতি ধুমধামেৰে কথক নৃত্যৰ কৰ্মশালা পালন হয়। উক্ত কথক নৃত্যৰ কৰ্মশালা পালন কৰে গৌৰীপুৰৰ নৃত্য দৰ্পণ কলা কেন্দ্ৰই আৰু সেই কথক নৃত্যৰ কৰ্মশালাৰ সামৰণি অনুষ্ঠান হিচাপে কালি গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালত এক সাংস্কৃতিক অনুষ্ঠানত আয়োজন কৰে গৌৰীপুৰৰ নৃত্য দৰ্পণ কলা কেন্দ্ৰই। এই অনুষ্ঠানৰ কৰ্মশালাত মুখ্য প্ৰশিক্ষকক হিচাপে থাকে ভাৰতৰ ঐতিহ্যবাহী লখনৌ কথক ঘৰানাৰ মূল কেন্দ্ৰৰ পৰা প্ৰশিক্ষিত দিল্লীৰ পৰা অহা শ্ৰী পাৰ্থ মণ্ডল জী। অনুষ্ঠানৰ শুভ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে অঞ্জলি চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে থাকে মানস চক্ৰৱৰ্তী, প্ৰলয় চক্ৰৱৰ্তী, মৃণ্ময় দেৱ অধিকাৰী, প্ৰহ্লাদ চন্দ্ৰ ৰায়, জ্যোতিষ চন্দ্ৰ ৰায়, ড° ৰূনুমী চক্ৰৱৰ্তী, দিপক ৰায়, গৌতম ৰায়, অনিল চন্দ্ৰ ৰায় ইত্যাদি বিভিন্ন গণ্যমান্য ব্যক্তি সকলে। অনুষ্ঠানটোত বিশিষ্ট শিল্পীৰ লগতে কণ কণ প্ৰশিক্ষাৰ্থী সকলে নিজৰ নিজৰ নৃত্য পৰিবেশ কৰি গৌৰীপুৰ ৰাজহুৱা পুথিভঁৰালৰ প্ৰেক্ষাগৃহৰ আকাশ বতাহ কঁপাই তোলে। অনুষ্ঠানৰ মাজত ধুবুৰী বিশিষ্ট নৃত্য শিল্পী এৰিকা নন্দীয়ে ভোৰত নাট্টম নৃত্য প্ৰদৰ্শন কৰে। আৰু বঙাইগাঁৱৰ বিশিষ্ট নৃত্য শিল্পী পূৰবী ৰায়ে কথক নৃত্য প্ৰদৰ্শন কৰে। নৃত্য দৰ্পণ কলা কেন্দ্ৰৰ আহবায়ক অমৃতা চক্ৰৱৰ্তী আৰু শুভশ্ৰী সাহাই এটি কৃষ্ণ বন্ধনা প্ৰদৰ্শন কৰে। অনুষ্ঠানত উপস্থিত থকা অভিভাৱক সকলৰ লগতে বিশিষ্ট সাংস্কৃতিক প্ৰেমী সকলে সাংবাদিকৰ আগত উল্লেখ কৰি কয় যে, আমাৰ মানুহবোৰৰ মন আৰু শৰীৰ স্থিৰ আৰু সুস্থ কৰিব হলে শাস্ত্ৰীয় নৃত্যৰ সংস্পৰ্শলৈ অহা দৰকাৰী। গতিকে সমগ্ৰ গৌৰীপুৰ আৰু ধুবুৰীবাসীৰ সাংস্কৃতিক প্ৰেমী অভিভাৱকক উল্লেখ কৰি যে অন্তত তেওঁলোকৰ সন্তানক যিকোনো শাস্ত্ৰীয় নৃত্যৰ শিক্ষা লোৱাত আগ্ৰহী কৰে তোলে যাতে। আৰু কালিৰ অনুষ্ঠানৰ মুখ্য আকৰ্ষণ আছিল কৰ্মশালাৰ প্ৰশিক্ষকৰ মনোমোহা নৃত্য প্ৰদৰ্শন। আৰু কালি অৰ্থাৎ অন্তিমদিনৰ সামৰণি অনুষ্ঠানটো আবেলিৰ পৰা ৰাতিলৈকে অবিৰত থাকে ফলত অঞ্চলটোত এক উৎসৱ মুখৰ পৰিবেশ সৃষ্টি হয়।

কাটিগড়াত ৯ দিনীয়া মহোৎসৱৰ শুভাৰম্ভ, শিলচৰৰ শ্যামসুন্দৰ আখড়াত ১৭৩তম্ ৰথযাত্ৰা আৰু ঘুঙুৰ ৰাধা সুদৰ্শন মন্দিৰতো হাজাৰ-হাজাৰ ভক্তৰ সমাগম

# কাছাৰজুৰি ভক্তিৰ জোৱাৰ/কাটিগড়া, শিলচৰ, কালাইন-লক্ষ্মীপুৰত মহাসমাৰোহে উদ্‌যাপিত শ্ৰীশ্ৰী ৰথযাত্ৰা মহোৎসৱ

**অসম বাৰ্তা, শিলচৰ, ১৬ জুন ঃ** ধৰ্মীয় উৎসাহ, ভক্তিময় পৰিৱেশ আৰু হৰিনাম সংকীৰ্তনৰ ধ্বনিত বৃহস্পতিবাৰে সমগ্ৰ কাছাৰ জিলাত মহাসমাৰোহে উদ্‌যাপিত হয় শ্ৰীশ্ৰী জগন্নাথদেৱৰ পবিত্ৰ ৰথযাত্ৰা মহোৎসৱ। কাটিগড়াৰ পৰা শিলচৰলৈকে বিভিন্ন মন্দিৰ আৰু আখড়াত হাজাৰ হাজাৰ ভক্তৰ উপস্থিতিয়ে উৎসৱক এক অনন্য মাত্ৰা প্ৰদান কৰে। কটিগড়াৰ শ্ৰীশ্ৰী সত্য নাৰায়ণ মন্দিৰত চতুৰ্থতম শ্ৰীশ্ৰী ৰথযাত্ৰা মহোৎসৱৰ শুভাৰম্ভ হয়। এই উপলক্ষে আয়োজিত ৯ দিনীয়া ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচীৰ অংশ হিচাপে বৃহস্পতিবাৰে বৰ্ণাঢ্য ৰথযাত্ৰা উলিওৱা হয়। হৰিনাম সংকীৰ্তন, ভজন-কীৰ্তন আৰু 'জয় জগন্নাথ' ধ্বনিৰ মাজেৰে ভক্তসকলে ৰথ টানি সমগ্ৰ অঞ্চলটো ভক্তিময় কৰি তোলে। মহোৎসৱৰ সময়ছোৱাত প্ৰতিদিনে নিত্য ভজন-কীৰ্তন, বিশেষ ৫৬ ভোগ নিবেদনকে ধৰি বিভিন্ন ধৰ্মীয় অনুষ্ঠান অনুষ্ঠিত হ'ব। অহা ২০ জুলাই হেৰাপঞ্চমী আৰু ২৪ জুলাই উল্টো ৰথযাত্ৰা মহোৎসৱ অনুষ্ঠিত হ'ব। আয়োজক সমিতিয়ে সকলো ধৰ্মপ্ৰাণ ভক্তক অনুষ্ঠানসমূহত অংশগ্ৰহণৰ আহ্বান জনাইছে। ইফালে কাটিগড়াৰ সিদ্ধিপুৰ আখড়া, কাটিগড়া আখড়া, কালাইনৰ জগন্নাথ মন্দিৰ, লক্ষ্মীপুৰ আদি অঞ্চলতো ভগৱান জগন্নাথদেৱৰ বৰ্ণাঢ্য ৰথযাত্ৰা উলিওৱা হয়। বিভিন্ন স্থানত ভক্তসকলৰ ব্যাপক সমাগমে উৎসৱক অধিক জাকজমকীয়া কৰি তোলে। শিলচৰৰ ঐতিহ্যবাহী শ্যামসুন্দৰ আখড়াত ১৭৩তম্ ৰথযাত্ৰা মহোৎসৱ ধৰ্মীয় ভাবগম্ভীৰ্যৰ মাজেৰে উদ্‌যাপিত হয়। হাজাৰ হাজাৰ ভক্তৰ উপস্থিতিত ৰথযাত্ৰা অনুষ্ঠিত হয়। এই উপলক্ষে আখড়া পৰিচালনা উন্নয়ন সমিতিৰ উদ্যোগত চিলাই প্ৰশিক্ষণপ্ৰাপ্ত মহিলাসকলৰ নিৰ্মিত বেগৰ বিশেষ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হয়, যিয়ে মহিলা আত্মনিৰ্ভৰশীলতাৰ এক প্ৰশংসনীয় নিদৰ্শন দাঙি ধৰে। অনুষ্ঠানত কলকাতাৰ পৰা আগত প্ৰভু পাদ নটৰাজ কিশোৰ গোস্বামীয়ে বিশেষ অতিথি হিচাপে উপস্থিত থাকি ভক্তসকলক আশীৰ্বাদ প্ৰদান কৰে। সমগ্ৰ অনুষ্ঠান শান্তিপূৰ্ণভাৱে সম্পন্ন কৰিবলৈ আখড়া কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱক সকলে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰে। আনহাতে, শিলচৰৰ ঘুঙুৰ ৰাধা সুদৰ্শন মন্দিৰতো পৰম্পৰাগত ৰথযাত্ৰা উৎসৱ ভক্তিৰে উদ্‌যাপিত হয়। পুৱা পূজা-অৰ্চনা, নামসংকীৰ্তন আৰু ভজন-কীৰ্তনৰ পাছত বিকালত সুসজ্জিত ৰথত ভগৱান জগন্নাথ, দেৱী সুভদ্ৰা আৰু বলভদ্ৰৰ নগৰ পৰিক্ৰমা অনুষ্ঠিত হয়। হাজাৰ হাজাৰ ভক্তই ৰথৰ দড়ি টানি আশীৰ্বাদ লাভ কৰে। উৎসৱৰ অন্তত ভক্তসকলৰ মাজত মহাপ্ৰসাদ বিতৰণ কৰা হয়। সমগ্ৰ কাছাৰ জিলাজুৰি শান্তিপূৰ্ণ পৰিৱেশত উদযাপিত এই ৰথযাত্ৰা মহোৎসৱে ভক্তি, ঐক্য আৰু সামাজিক সম্প্ৰীতিৰ এক উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে।

# এছিয়ান এজ গ্ৰুপ একুৱেটিকছ চেম্পিয়নশ্বিপত অসমৰ ৰূপম গগৈৰ স্বৰ্ণজয়

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৬ জুন ঃ** থাইলেণ্ডৰ বেংককত অনুষ্ঠিত ১২সংখ্যক এছিয়ান এজ গ্ৰুপ একুৱেটিকছ চেম্পিয়নশ্বিপ ২০২৬ৰ উদ্বোধনী দিনাই অসমৰ প্ৰতিভাৱান ডাইভাৰ ৰূপম গগৈয়ে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ভাৰতীয় সেনাৰ এছ/কেডেট সুপ্ৰদীপ সাহাৰ সৈতে যুটি বান্ধি তেওঁ বয়ছ গ্ৰুপ A ণ্ড B (১৪—১৮ বছৰ)ৰ প্লেটফৰ্ম ছিংক্ৰ'নাইজড ডাইভিং প্ৰতিযোগিতাত ২২৯.৮৯ পইণ্ট লাভ কৰি স্বৰ্ণ পদক দখল কৰে। এই ইভেণ্টত ভিয়েটনামে ৰূপৰ আৰু উজবেকিস্তানে ব্ৰঞ্জৰ পদক লাভ কৰে। অসম সাঁতোৰ সংস্থাৰ প্ৰচাৰ সম্পাদক মুকুটেশ্বৰ গোস্বামীয়ে গুৱাহাটীত সংবাদ মাধ্যমক জনোৱা মতে, ৰূপম গগৈ আৰু সুপ্ৰদীপ সাহাই এএছআই, পুনেৰ প্ৰশিক্ষক এম. কুঞ্জকিশোৰৰ তত্ত্বাৱধানত নিয়মীয়াকৈ প্ৰশিক্ষণ গ্ৰহণ কৰি আহিছে। তেখেতৰ নিষ্ঠাবান প্ৰশিক্ষণ আৰু দিশনিৰ্দেশনাই এই ঐতিহাসিক সফলতাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। অসম সাঁতোৰ সংস্থাৰ সাধাৰণ সম্পাদক ভাস্কৰ ৰঞ্জন দাসেও ৰূপম গগৈ আৰু সুপ্ৰদীপ সাহাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। তেওঁ দুয়োগৰাকী ডাইভাৰৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰি কয় যে তেওঁলোকৰ এই সফলতাৰ ধাৰাবাহিকতা আগলৈও অব্যাহত থাকিব আৰু ভৱিষ্যতে অসম তথা ভাৰতলৈ অধিক গৌৰৱ কঢ়িয়াই আনিব।

## ডুমডুমাত গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৬ জুন ঃ** অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসনৰ সহযোগত ডুমডুমাৰ ৰূপাইচাইডিঙৰ বেচৰকাৰী সংস্থা 'সংযোগ'ৰ পৰিচালনাত পিনাকী নাট্য বিদ্যালয়ত আজি ডুমডুমা বিধানসভা সমষ্টিৰ গ্ৰীষ্মকালীন কৰ্মশালাৰ শুভ আৰম্ভণি অনুষ্ঠান অনুষ্ঠিত হয়। 'নাটক আৰু টেৰাকটা'ৰ ওপৰত ওপৰত অভিজ্ঞ ব্যক্তিৰ দ্বাৰা প্ৰশিক্ষণ দিব লগীয়া এই কৰ্মশালাত বহু সংখ্যক প্ৰশিক্ষাৰ্থীয়ে অংশ গ্ৰহণ কৰিছে বুলি জানিব পৰা গৈছে। উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে টিপুক গাঁও পঞ্চায়তৰ সভাপতি চিত্ৰা মজুমদাৰ বড়াই। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ৰূপাই চাহবাগিচা আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষক দিগন্ত কুমাৰ ভাজনীয়ে। ইয়াৰ পিছতেই মূল কৰ্মশালাখনি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডুমডুমা সমজিলাৰ সহকাৰী আয়ুক্ত সুদীপ গগৈয়ে। উদ্বোধনী ভাষণত তেওঁ শ্ৰেণী কোঠাৰ শিক্ষাৰ লগতে সংস্কৃতি বিষয়ক এনে কৰ্মশালাই ছাত্ৰ-ছাত্ৰীসকলক মানসিক ভাৱে আগবাঢ়ি যাবলৈ সমল যোগাই আহিছে বুলি মত প্ৰকাশ কৰে। 'সংযোগ'ৰ অন্যতম বিষয়ববীয়া ৰাজীৱ বৰাই আঁত ধৰা এই অনুষ্ঠানত প্ৰশিক্ষাৰ্থী সকলক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে চিত্ৰা মজুমদাৰ বড়া, দিগন্ত কুমাৰ ভাজনী, আৰু বিশিষ্ট সমাজকৰ্মী দেবেন ডেকাই। এই কৰ্মশালাত প্ৰশিক্ষক হিচাপে দায়িত্ব গ্ৰহণ কৰিছে বিশিষ্ট নাট্যকাৰ, অভিনেতা জয়সূৰ্য বৰা আৰু খঞ্জন শইকীয়াই। শলাগৰ শৰাই আগবঢ়াই সংযোগৰ হৈ সাৰংগ নাথে।

# মৰাণ সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন; ছখনকৈ গ্ৰন্থ উন্মোচন




**অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৬ জুন ঃ** কালি তিনিচুকীয়া জিলাৰ মামৰণি গাঁৱৰ ৰূপজ্যোতি মইনা পাৰিজাত প্ৰেক্ষাগৃহত মামৰণি যুৱক সংঘৰ আতিথ্যত আৰু আদৰণি সমিতিৰ তত্ত্বাৱধানত 'মৰাণ সাহিত্য সভাৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱস'ৰ সফল সমাপ্তি ঘটে। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, বিভিন্ন প্ৰতিযোগিতা আৰু মুকলি সভা সম্পন্ন হয়। পুৱা পতাকা উত্তোলন কৰে 'মৰাণ সাহিত্য সভা'ৰ সভাপতি ৰবীন মৰাণে, স্মৃতি তৰ্পণ কৰে সভাৰ মুখ্য সম্পাদক মৃদুল দহোটীয়াই আৰু বন্তিপ্ৰজ্বলন কৰে আদৰণি সমিতিৰ সভাপতি মহিম বড়াই। সভাস্থলিৰ কাষতে থকা ৮ নং মামৰণি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অৰুণ বড়াই প্ৰতিযোগিতা উদ্বোধন কৰাৰ পাছতেই গছ পুলি ৰোপণ কৰে জাতীয় বিদ্যালয়, মামৰণিৰ সঞ্চালক বিজয় বৰুৱাই। বিয়লি মৰাণ সাহিত্য সভাৰ সভাপতি ৰবীন মৰাণৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা। সভাৰ মুখ্য সম্পাদক মৃদুল দহোটীয়াই আঁত ধৰা মুকলি সভাখন উদ্বোধন কৰে মৰাণ সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি তথা উপদেষ্টা তৰুণ বৰুৱা মৰাণে। আদৰণি ভাষণ প্ৰদান কৰে আদৰণি সমিতিৰ সভাপতি মহিম বড়াই। 'মৰাণ সাহিত্য সভা'ৰ ১৫ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ মুকলি সভাত প্ৰদীপ কুমাৰ মৰাণৰ 'মৰাণ জাতিৰ ইতিহাস মৰ্যাদা ন্যাৰ্যতা অধিকাৰ ইত্যাদি', তিলিমা চেতিয়া মৰাণৰ 'উৰলি যোৱা এখন উপন্যাস', উৰ্বশী মৰাণৰ 'ৰ'দৰ চিঠি', আকাশ মৰাণৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'মিঠাবাৰী', দিলীপ মৰাণৰ সম্পাদনাত প্ৰকাশিত পত্ৰিকা 'উঝুআ' আৰু মণ্টু মৰাণৰ সম্পাদনাত প্ৰকাশিত মুখপত্ৰ 'এয়াঁচি- the mirror' উন্মোচিত হয়। মৰাণ সাহিত্য সভাই প্ৰকাশ কৰি উলিওৱা গ্ৰন্থসম্ভাৰৰ উন্মোচক হিচাপে উপস্থিত আছিল ক্ৰমে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য, শিক্ষাবিদ ড° মদন শৰ্মা, অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক সুনীল গুৰুং আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা থুলেশ্বৰ চুতীয়া। অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহ তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি মোহন মৰাণে বিশিষ্ট অতিথিৰ বক্তব্য দাঙি ধৰাৰ লগতে সদৌ মৰাণ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি বদন মৰাণ, অসম মৰাণ সভাৰ নৱনিৰ্বাচিত সভাপতি বিৰিঞ্চি নেওগ আৰু সম্পাদক ৰণ্টু ডাঙৰীয়া, মৰাণ স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণ, লেখক প্ৰদীপ মৰাণ আদিয়ে বিশেষ বক্তব্য প্ৰদান কৰে। সভাত উপস্থিত থকা অন্যান্য অতিথিসকল হ'ল মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া আৰু সম্পাদিকা পদ্মা চেতিয়া মৰাণ, মৰাণ জাতীয় কৰ্মচাৰী আৰু শৈক্ষিক মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ আৰু সম্পাদক জ্ঞান বৰুৱা, মৰাণ কলা সংস্কৃতি বিকাশ মঞ্চৰ উপসভাপতি হিমৎ দুৱৰা আৰু সম্পাদিকা ৰুণু মৰাণ চাউৰক, অসম মৰাণ সভাৰ সহকাৰী সম্পাদক ভাস্কৰ মৰাণ, সদস্য উৎপল মৰাণ, ৰাজু মৰাণ, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ প্ৰচাৰ সম্পাদক কুমুদ মৰাণ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ বিষয়ববীয়া মনজিৎ ৰাজখোৱা, লেখক লক্ষ্যধৰ সোণোৱাল, খনিন মৰাণ, শিক্ষক অৰুণ বড়া আৰু বিজয় বৰুৱাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি। মুকলি সভাত স্থানীয় বিশিষ্ট কণ্ঠশিল্পী পিয়েচ বড়াই গীত পৰিৱেশন কৰাৰ লগতে তিনিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে মৰাণ কথিত ভাষাৰ কবিতা আবৃত্তি কৰে। সভাৰ সামৰণিৰ ফালে সভাপতিত্ব কৰে মৰাণ সাহিত্য সভাত উপসভাপতি পানীৰাম ডেকামৰাণে। উক্ত সভাতেই বিজয়ী প্ৰতিযোগীসকলক পুৰস্কৃত কৰা হয়।

## গেৰুৱাত তিৱা লোক নৃত্য আৰু মুখাশিল্পৰ গ্ৰীষ্মকালীন কৰ্মশালা আৰম্ভ

**অসম বাৰ্তা, ভূৰাগাঁও, ১৬ জুন ঃ** মৰিগাঁও জিলাৰ গেৰুৱাত আজিৰে পৰা দহ দিনীয়াকৈ আৰম্ভ হৈছে তিৱা লোক নৃত্য, আধুনিক নৃত্য আৰু মুখাশিল্পৰ গ্ৰীষ্মকালীন কৰ্মশালা। গেৰুৱা 'চামাৰি সংঘ আৰু সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ'ৰ উদ্যোগত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু লিটল ষ্টাৰ ডাঞ্চ একেডেমিৰ সহযোগত গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঙ্গণত আজি এই কৰ্মশালাখনি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰধান সম্পাদক তথা গেৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ বাবুল বৰাই। চামাৰি সংঘৰ হৈ উদ্বোধনী অনুষ্ঠান টি আঁত ধৰে নকুল চন্দ্ৰ বৰদলৈয়ে। নকুল চন্দ্ৰ বৰদলৈয়ে জানিব দিয়া মতে আজিৰ পৰা আৰম্ভ হোৱা কৰ্মশালাখনত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে তিৱা লোক নৃত্য, আধুনিক নৃত্য আৰু মুখাশিল্পৰ প্ৰশিক্ষণৰ বাবে নামভৰ্তি কৰিছে। এই কৰ্মশালাত তিৱা লোক নৃত্য আৰু আধুনিক নৃত্যৰ প্ৰশিক্ষক হিচাপে থাকিব তিৱা নৃত্যশিল্পী দিপ্তী ডেকাৰজা আৰু লক্ষ্মী নাৰায়ণ কোঁৱৰ। কৰ্মশালাৰ অন্যতম আকৰ্শণ বৰতৰ মুখা শিল্পৰ প্ৰশিক্ষণ দিব বৰতৰ মুখা শিল্পী খগেশ্বৰ বৰদলৈয়ে। কৰ্মশালাটি শুভ উদ্বোধন কৰি উদ্বোধক বাবুল বৰাই কয়- উঠি অহা আমি ভাবিভৱিষ্যতৰ প্ৰজন্মক আমাৰ জাতীয় সংস্কৃতিৰ শিপাৰ সৈতে পৰিচয় কৰি দিয়াৰ ক্ষেত্ৰত এনে একোটা কৰ্মশালাৰ গুৰুত্ব অসীম। এনে প্ৰচেষ্টাই আমাৰ প্ৰজন্মক সৃষ্টিশীল মনৰ অধিকাৰী কৰিব। উল্লেখ্য যে- প্ৰশিক্ষক কেইগৰাকীৰ উপৰি উদ্বোধনী অনুষ্ঠানটিত তিৱা ছাত্ৰ সন্থাৰ মৰিগাঁও জিলাৰ সভাপতি অনুপ পাথৰো অতিথি হিচাপে উপস্থিত থাকে।

## বৰপেটা আৰক্ষীৰ জালত চাৰি দুধৰ্ষ চোৰ

**অসম বাৰ্তা, বৰপেটা সদৰ, ১৬ জুন ঃ** চোৰকেইটা বৰপেটা ভেল্লাৰ আজনবী আলী, ৰুবুল আলী, চাইফুল ইছলাম আৰু বুবুল আলী। ধৃত ৰুবুল আৰু বুবুল দুই ভাতৃ বুলি জানিব পৰা গৈছে। বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যৰ নিৰ্দেশত বৰপেটা সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া শৈলেন কলিতাৰ নেতৃত্বত বুধবাৰে নিশা বৰপেটাৰ নলীৰপামত ধৃত চোৰ কেইটাক গ্ৰেপ্তাৰ কৰে বৰপেটা আৰক্ষীয়ে। উক্ত চুৰি কাণ্ডত ব্যৱহৃত AS01-SC-8220 নম্বৰৰ বগা ৰঙৰ চাৰিচকীয়া ৱেগ'নৰ বাহন এখন আৰক্ষীয়ে জব্দ কৰে। জব্দকৃত বাহনখনৰ পৰা যথেষ্ট পৰিমাণৰ গুটখা, চিগাৰেটৰ পেকেট আৰু গ্ৰোচাৰী সামগ্ৰীৰ লগতে এটা এনড্ৰ'ইদ মোবাইল, নগদ ২৭, ৪৪০/-টকাসহ চুৰি কাণ্ডত ব্যৱহৃত সামগ্ৰী জব্দ কৰে আৰক্ষীয়ে। ধৃত চোৰ কেইটা সম্প্ৰতি বৰপেটা আৰক্ষীৰ জিম্মাত থকা বুলি জানিব পৰা গৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালতহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন